# সংগ্ৰামসিংহ




সম্পাদক ঃ ত্ৰৈলোক্য বিজয় নাৰায়ণ দেৱ

সংগ্ৰাম সিংহ ঃ বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫০৬ তম্  জন্ম জয়ন্তী উপলক্ষে ত্ৰৈলোক্য বিজয়  নাৰায়ণ দেৱৰ দ্বাৰা সম্পাদিত তথা 'কণকৰ্ফ'ৰ দ্বাৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ

২২ ফেব্ৰুৱাৰী, ২০১৬

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ

পাঞ্জাবাৰী, গুৱাহাটী - ৩৭

বেটুপাত অংকন

মনজিৎ  ৰাজখোৱা

অৰিহণা : ২০০ (দুশ টকা)

মুদ্ৰণ :

শৰাইঘাট অফ্‌চেট প্ৰেছ

বামুণীমৈদাম

গুৱাহাটী ২১

**AJANTA NEOG**

**MINISTER**
**PWD, P & D, LAW, Judicial, Legislative**
**Assam, Dispur, Guwahati - 781006**
**Phone : 2237005 (Office)**
**2228591 (Residence)**

তাৰিখ-০৮/০২/২০১৬

## শুভেচ্ছাবাণী

দেশৰ ভিন্ন ৰাজ্যৰ কোচ ৰাজবংশৰ উত্তৰসূৰী সকলে কোচ ৰাজ্য সমূহৰ লগতে ৰাজবংশৰ তথা জাতিৰ ইতিহাস বজাই ৰখা আৰু অৰ্থ সামাজিক উনয়নৰ উদেশ্যে ১৯ ছেপ্তেম্বৰ,২০১৬ ইং তাৰিখে Consortium of Koch Royal Families ( CONKORF) নামেৰে গঠিত হোৱা সংগঠনটিয়ে কোচ ৰাজবংশী জনগোষ্ঠীৰ সকলো জাতীয় সংগঠনৰ সহযোগত অহা ২২ ফেব্ৰুৱাৰী,২০১৬ ইং তাৰিখে বিশ্ৱমহাবীৰ চিলাৰায়ৰ ৫০৬ তম জন্ম জয়ন্তী গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত বৰ্ণাঢ্য কাৰ্য্যসূচীৰে উদ্‌যাপন কৰিবলৈ লোৱা বুলি জানি মই অতিকৈ সুখী হৈছো ।

চিলাৰায় দিৱসৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি এক মহৎ পদক্ষেপ । আশা কৰো স্মৃতিগ্ৰন্থখনি সুন্দৰ ৰূপত প্ৰকাশ পাব আৰু সকলোৰে মনোগাহী হব ।

চিলাৰায় দিৱসৰ সমূহ কাৰ্য্যসূচীৰ সৰ্বোতপ্ৰকাৰ সফলতা মই আন্তৰিকতাৰে কামনা কৰিলো ।

( অজন্তা নেওগ )

"জয় শুক্লধ্বজ ৰাই"

# ALL KOCH RAJBONSHI STUDENTS' UNION

# সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা

Head Office :Bongaigaon- 783380

E-mail : akrsubngn 12 @ rediffmail.com

Ref./ প্ৰসঙ্গ ঃ.................................... Date/ তাৰিখ..............................

## শুভেচ্ছাবাণী

ঐতিহাসিক কোচ-ৰাজবংশৰ কনৰ্ফৰ উদ্যোগত আৰু কোচ-ৰাজবংশী জাতীয় সংগঠনৰ সহযোগত গুৱাহাটী পাঞ্জাবাৰী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অহা ২২ ফেব্ৰুৱাৰী ২০১৬ ইং তাৰিখে ৫০৬ তম বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্ম জয়ন্তী দিৱসটি এক দিনীয়া কাৰ্য্যসূচীৰে পালন কৰা কথা শুনি মোৰ ভাল লাগিছে। দিৱসৰ লগত সংগতি ৰাখি স্মৃতিগ্ৰন্থ প্ৰকাশ পাব বুলি শুনি আনন্দিত হ'লো। আলোচনীখনৰ যোগেদি সেই অঞ্চলৰ আৰ্থ সামাজিক, সাংস্কৃতিক, শৈক্ষিক দিশত অৱলোকণ হোৱাৰ উপৰিও বৃহত্তৰ কোচ-ৰাজবংশী সমাজৰ ঐক্যতা, ভাতৃত্বভাৱৰ এক বৈজ্ঞানিক দৃষ্টিভংগী প্ৰকাশ পাব বুলি আশাঁ কৰিলো। বৃহত্তৰ কোচ-ৰাজবংশী জাতিৰ ভৱিষ্যত প্ৰগতিৰ বাটৰো সন্ধান আলোচনীখনত প্ৰকাশ হব বুলি আশাঁ কৰিলো।

দিৱসৰ প্ৰতিটো কাৰ্য্যসূচী সৰ্ব্বটো প্ৰকাৰে সফল কামনাৰ লগতে অভ্যৰ্থনা সমিতিৰ সকলো বিষয়ববীয়াক অন্তৰৰ পৰা শুভ কামনা কৰিলোঁ। ইতি-

হিতেশ্বৰ বৰ্মন

সভাপতি (আক্ৰাছু)

**Bhupen Kr. Borah, MLA**
SECRETARY
All India Congress Committee

Office:
- 24 Akbar Road, New Delhi-110001

Residence:
- C-5, Old MLA Hostel
  Dispur, Guwahati-781006, Assam
- Bhogpur Chariali, 109 Bihpuria LAC
  Lakhimpur - 787033
  Ph.98540-13205(M) 0361-2519785 (F)
  Email: bhupenbora@gmail.com



## শুভেচ্ছা বাণী

মহাবীৰ চিলাৰাই দক্ষিন এচিয়াৰ একমাত্ৰ মহাযোদ্ধা আৰু কিংবদন্তীপুৰুষ। চিলাৰাইৰ অদ্যম সাহস, উদ্যমতা আৰু মহানুভতাৰ বাবে ভাৰতবৰ্ষ, নেপাল, বাংলাদেশ আৰু ভুটানৰ কোঁচ ৰাজবংশী সকলে বছৰ বছৰ ধৰি এই বীৰ পুৰুষ জনৰ স্মৃতি সোঁৱৰি সন্মান যাচি আহিছে। ১৫১০ খ্ৰীষ্টাব্দত কমতাপুৰ ৰাজ্যৰ কোঁচ ৰাজকীয় পৰিয়ালত জন্ম গ্ৰহণ কৰা চিলাৰাইৰ অনবদ্য বৰঙনিয়ে উত্তৰ-পূৰ ভাৰতক সামাজিক সাংস্কৃতিক আৰু ৰাজনৈতিক আদি সকলো ক্ষেত্ৰতে নতুন ৰূপত গঢ়ি তুলিবলৈ উদগনি যোগাইছিল। সংস্কৃত, ব্যাকৰণ, সাহিত্য, আইন, জ্যোতিসাস্ত্ৰ আদি সকলো বিষয়তে সমানে পাকৈত হৈ মহা জ্ঞানী আৰু নিপুনতাৰ পৰিচয় দাঙি ধৰা এই গৰাকী বীৰ পুৰুষৰ পৃষ্ঠপোষকতাত মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱে সমগ্ৰ অসমতে বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰাৰ লগতে নামধৰ্মৰ মাজেৰে অসমীয়া জাতিক একতাৰ দোলেৰে বান্ধিবলৈ সক্ষম হৈছিল। এই গৰাকী স্বনাম ধন্য মহাবীৰৰ স্মৃতিচাৰণাৰ্থে কন্‌চৰটিয়াম কোঁচ ৰাজকীয় পৰিয়ালে অহা ২২ ফেব্ৰুৱাৰী ২০১৬ত ৰাজকীয়তাৰে শ্ৰীমন্ত শংকৰদেৱ কলা ক্ষেত্ৰত চিলাৰাই দিৱস উদ্‌যাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি উদ্যোক্তা মণ্ডলিয়ে 'সংগ্ৰাম সিংহ' নামেৰে এখনি স্মৃতি গ্ৰন্থ প্ৰকাশৰো দিহা কৰিছে। এইয়া অতি আদৰণীয় আৰু প্ৰশংসনীয় পদক্ষেপ। আশা কৰিছো স্মৃতিগ্ৰন্থ খনিয়ে কোঁচ ৰাজবংশী এই ৰাজপৰিয়ালৰ মৰ্যদা আৰু স্বকীয়তা অক্ষুন্ন ৰখাৰ লগতে অতীত ইতিহাসৰ এক পূৰ্ণ প্ৰতিফলন ঘটাব পাৰিব। শেষত অনুষ্ঠানটিৰ সফল সমাপ্তি কামনা কৰি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

ভুপেন কুমাৰ বৰা, বিধায়ক
সম্পাদক
নিখিল ভাৰত কংগ্ৰেছ কমিটি
তাৰিখ ঃ ১৬-০২-২০১৬

# ‘সংগ্ৰামসিংহ’ স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

**সম্পাদক —**

**ত্ৰৈলোক্য বিজয় নাৰায়ণ দেৱ**

**সদস্য —**

১) অৰূপজ্যোতি দাস
২) বুদ্ধেশ্বৰ ৰায়
৩) অনিল বৰ্মন
৪) ডেভিদ ৰায়

# বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্ম জয়ন্তী উদ্‌যাপন সমিতি

**সভাপতি ঃ কুমাৰ পৰিক্ষীত নাৰায়ণ দেৱ**
**উপ-সভাপতি ঃ অৰিজিৎ নাৰায়ণ কোঁৱৰ**
**কুমাৰ ৰাঘেবেন্দ্ৰ নাৰায়ণ দেৱ**
**সম্পাদক ঃ কুমাৰ প্ৰণৱ নাৰায়ণ দেৱ**

**সদস্যবৃন্দ**

১) কুমাৰ দিলীপ নাৰায়ণ দেৱ
২) কুমাৰ শ্যামল নাৰায়ণ দেৱ
৩) কুমাৰ উপানন্দ নাৰায়ণ দেৱ
৪) সুপ্ৰীয় নাৰায়ণ
৫) কুমাৰ পংকজ নাৰায়ণ দেৱ
৬) কুমাৰ প্ৰসেনজিৎ নাৰায়ণ দেৱ
৭) কুমাৰ অনুজ নাৰায়ণ দেৱ
৮) ডাঃ চিৰঞ্জীৎ নাৰায়ণ দেৱ
৯) কুমাৰ প্ৰেমজিৎ নাৰায়ণ দেৱ
১০) দেৱ দীপেন্দ্ৰ নাৰায়ণ চৌধুৰী
১১) শৰৎ চন্দ্ৰ বৰুৱা
১২) হিতেশ্বৰ বৰ্মন (সভাপতি, আক্ৰাছু)
১৩) বুদ্ধেশ্বৰ ৰায় (সভাপতি, কে আৰ চি এছ)
১৪) ৰঞ্জীত নাৰায়ণ কোচ (চিলাৰায় সেনা)
১৫) দুৰ্বাসা মোহন ৰায়
১৬) খনিন্দ্ৰ ৰায়
১৭) কৰ্ণ মোহন ৰায়
১৮) উষাৰাণী ৰায়

# কনচৰ্টিয়াম অব্ কোচ ৰয়েল ফেমেলীজ

কাৰ্য্যনিৰ্বাহক সমিতি তদৰ্থ ঃ

সভাপতি ঃ কুমাৰ ইন্দ্ৰজিত নাৰায়ণদেৱ

উপ-সভাপতি ১) কুমাৰ ত্ৰৈলোক্য বিজয় নাৰায়ণ দেৱ

২) অনঙ্গৰেখা দেৱী বৰুৱা

সম্পাদক ঃ প্ৰণৱ নাৰায়ণ দেৱ

সুপ্ৰীয় নাৰায়ণ

সদস্য ঃ

সমৰেন্দ্ৰ নাৰায়ণ দেৱ
পৰিক্ষিত নাৰায়ণ দেৱ
জয়েচ নাৰায়ণ দেৱ
জীতেন্দ্ৰ নাৰায়ণ দেৱ
অমিতাভ নাৰায়ণ
দিলীপ নাৰায়ণ দেৱ
শ্যামল নাৰায়ণ দেৱ
উপানন্দ নাৰায়ণ দেৱ
সৌবীৰ নাৰায়ণ কোঁৱৰ
অৰিজিৎ নাৰায়ণ কোঁৱৰ
মালবিকা অধিকাৰী
দেৱ দিপেন্দ্ৰ নাৰায়ণ চৌধুৰী
ইন্দ্ৰানী চৌধুৰী
অভিজিৎ নাৰায়ণ চৌধুৰী

# সূচী পত্ৰ


■ সম্পাদকীয় ১১

■ চিলাৰায় ঃ ইতিহাসৰ পাতত এৰি অহা নাযায়
অৰূপজ্যোতি দাস ১৩

■ বেলতলাৰ ৰাজপৰিয়াল আৰু অতীতৰ কথা
মাধুৰী চৌধুৰী ১৬

■ কোচসকলৰ পুঞ্জীভূত ক্ষোভ
হোমেন বৰগোহাঞি ২২

■ মহানায়ক চিলাৰায়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু সেই সময়ৰ বৈষ্ণৱ সংকট
ড° কেশৱানন্দ দেৱ গোস্বামী ২৭

■ কেন্দুকলাই, নৰনাৰায়ণ, চিলাৰায় আৰু কিছু অপবাদ
ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ ৩৩

■ ৰসিক গুৰু চিলাৰায়ৰ মামৰে খোৱা তৰোৱাল
অম্বিকাচৰণ চৌধুৰী ৩৭

■ বডো-বড়ো, কোচ-ৰাজবংশী, ম্লেছ-মেচ ইত্যাদি
ডঃ দ্বিজেন্দ্ৰ নাথ ভকত ৪৩

■ দৰ পূজা
ডঃ বিজয় শৰ্মা ৪৯

■ সংগ্ৰাম সিংহৰ সংগ্ৰাম
বুদ্ধেশ্বৰ ৰায় ৫১

■ বিশ্ব মহাবীৰ চিলাৰায়
কাবেৰী দাস ৰয় ৫৬

■ কমতাপুৰত মহাবীৰ চিলাৰায় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহামিলন
ধনঞ্জয় সিন্‌হা ৫৭

■ চিদলী ৰাজ্যৰ ইতিহাস
জ্ঞানেন্দ্ৰ নাৰায়ণ চৌধুৰী ৬০

■ স্থান, কাল, পাত্ৰ ভেদে কোচ ৰাজবংশী নাৰী আৰ' পুৰুষেৰ সাজ পোসাক
অনিল কুমাৰ বৰ্মন ৬৩

■ সংগ্ৰাম সিংহ
বিনু নাৰায়ণ দেৱ ৬৯

■ চিন্ময় চিন্তা
প্ৰশান্ত কুমাৰ দত্ত, আই পি এছ ৭০

# ENGLISH PART


- A Glimpse on The History of The Koches
  Sibendra Narayan Koch 73

- The Language and Culture of Koch Rajbonshi
  Koch Rajbonshi Cultural Socirty 78

- The origin and development of Koch culture
  Dr. Nagendra Nath Sarmah 83

- WHAT DOES GENETIC STUDIES ON KOCHES REVEAL?
  Anuj Chowdhury 87

- A BRIEF HISTORY OF PANGA ROYAL FAMILY
  Sujit Narayan Koer 90

- A royal renaissance
  Dr. Arijit Bishnu 93

# সম্পাদকীয়

ইতিহাসৰ পাতত সোণালী আখৰেৰে লিপিবদ্ধ হৈ থকা মহাপৰাক্ৰমী, প্ৰতিভাশালী বীৰ চিলাৰায় অদ্বিতীয়। মহাবীৰ চিলাৰায়ৰ খ্যাতি, যশ কেৱল অসমতেই নহয়, সমগ্ৰ ভাৰতবৰ্ষ তথা বিশ্বত সৰ্বজন বিদিত। কিন্তু তেওঁ গঢ় দি থৈ যোৱা বিশাল কোচ সাম্ৰাজ্য বিভিন্ন ৰাজনৈতিক প্ৰৰোচনাতে হওক বা ভৌগোলিক সাল সলনিতে হওক সময়ৰ সোঁতত হেৰাই যায়। ফলস্বৰূপে ৰাজপৰিয়ালসমূহ বিছিন্ন হৈ কেইবাটাও ভাগত ভাগ হৈ পৰে। চিলাৰায় দিৱস আঞ্চলিকভাৱে বিভিন্ন প্ৰান্তত উদ্‌যাপন কৰা হয় যদিও ইতিহাসত প্ৰথমবাৰৰ বাবে ৰাজ পৰিয়ালসমূহ একত্ৰিত হৈ একেখন মঞ্চতে মুক্ত আকাশৰ তলত মুক্ত চিন্তাধাৰাৰে ৫০৬ তম মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন কৰিবলৈ ওলাইছো।

ঐতিহ্যময় কোচ জাতিৰ ইতিহাস তথা সংস্কৃতিৰ সংকটৰ সময়ত কোচ ৰাজ পৰিয়ালৰ সদস্যসমূহ একত্ৰিত হৈ Consortium of Koch royal families নামৰ এখন সমিতি গঠন কৰে। যোৱা বছৰৰ চেপ্টেম্বৰ মাহত ৰাজপৰিয়ালৰ লগতে কোচ ৰাজবংশীসকলৰ বিভিন্ন সমস্যাৰ সমাধান আৰু উন্নতিৰ হকে কাম কৰি যোৱাৰ বাবে এই অনুষ্ঠান প্ৰতিজ্ঞাবদ্ধ।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত বেণুধৰ ৰাজখোৱাই ইং ১৯২৬ চনতেই তেখেতৰ ভাষণত কৈছিল — It would not be an exaggeration to say that the whole of the ancient literatures of Assam is full of appreciative reference to the benevolest Koch rulers of the Past.আমাৰ এই স্মৃতি গ্ৰন্থখনিত কোচ ৰাজপৰিয়ালসমূহৰ ইতিহাসৰ কিছুমান সোণালী চিত্ৰ ধৰি ৰখাৰ উদ্দেশ্যে সম্ভাব্য দিশবোৰ সামৰি কেইটিমান প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। তদুপৰি কোচ ৰাজবংশীসকলৰ সংস্কৃতিৰ বিভিন্ন দিশৰ সৈতে জড়িত দুই চাৰিটামান প্ৰবন্ধকো স্থান দিয়া হৈছে আৰু লগতে আলোকচিত্ৰ সন্নিবিষ্ট কৰা হৈছে। বিষয় বস্তুৰ গুৰুত্ব বুজি কিছুমান পুৰণি লেখা আমি 'স্মৃতিগ্ৰন্থ'খনিত পুনৰাই প্ৰকাশ কৰিছো। এই লেখাসমূহৰ যথেষ্ট ঐতিহাসিক মূল্য আছে। সেইবাবে পঢ়ুৱৈসকলে লেখাসমুহ ভাল পাব বুলি

আশা কৰিলো।

'সংগ্ৰামসিংহ'খনি সম্পাদনা কৰোতে বিভিন্নজনৰ সু-পৰামৰ্শ লোৱা হৈছে। বিশেষকৈ 'চিলাৰায় দিৱস' উদ্‌যাপন সমিতিৰ বিষয় ববীয়া আৰু সদস্যসকলৰ নাম নল'লে ভুল হ'ব। তেওঁলোকৰ পৰা নানা দিহাপৰামৰ্শ লোৱা হৈছে। পোন প্ৰথমে মই নাম ল'ব লাগিব শ্ৰীমান অৰূপজ্যোতি দাসৰ কথা।তেওঁৰ অকুণ্ঠ সহযোগৰ বাবে এনেকুৱা এটা টান কাম সম্ভৱ হ'ল। দ্বিতীয়তে শ্ৰীবুদ্ধেশ্বৰ ৰায় আৰু ডেভিদ ৰায়ৰ সহায়ৰ কথা অন্তঃকৰণে স্বীকাৰ কৰিছো। এইখিনিতে আমাৰ এই স্মৃতি গ্ৰন্থখনিলৈ মূল্যবান লেখা আগবঢ়োৱা সন্মানীয় লিখকসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। আমাৰ পৰিয়ালৰ জ্যেষ্ঠা সদস্যা মোৰ পেহী শ্ৰীমাধুৰী চৌধুৰী আৰু মোৰ সুপুত্ৰ ডাঃ চিৰঞ্জিত নাৰায়ণ দেৱক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে বেটুপাতখনি সুন্দৰভাৱে সজাই পৰাই 'স্মৃতিগ্ৰন্থ'খনি আটক ধুনীয়া কৰি তোলা বাবে আলোক চিত্ৰ শিল্পী শ্ৰীমনজিৎ ৰাজখোৱালৈ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে শৰাইঘাট অফ্‌ছেট প্ৰেছৰ স্বত্বাধিকাৰী আৰু প্ৰেছৰ কৰ্মচাৰীসকললৈও কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত 'স্মৃতিগ্ৰন্থ'ৰ বিভিন্ন দিশত অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৱে ওচৰত ক্ষমা বিচাৰিলোঁ।



*( ত্ৰৈলোক্য বিজয় নাৰায়ণ দেৱ)*

# চিলাৰায়ঃ ইতিহাসৰ পাতত এৰি অহা নাযায়

✍ **অৰূপজ্যোতি দাস**

আজিৰ পৰা প্ৰায় দুবছৰমান আগতে যেতিয়া আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ কোচ ৰাজবংশীসকলৰ আত্ম নিয়ন্ত্ৰণৰ অধিকাৰৰ শক্তিশালী আন্দোলনটোৰ বিষয়ে অৱগত হৈছিলো, তেতিয়া স্বাভাৱিকতেই মনৰ ভিতৰত এক উৎসুকতাৰ সৃষ্টি হৈছিল। এনে নহয় যে নেপালৰ কোচ ৰাজবংশীসকলৰ বিষয়ে মই অৱগত নাছিলো, কিন্তু স্বজাতিৰ অধিকাৰ আৰু আত্মপৰিচয়ৰ ক্ষেত্ৰত যে তেওঁলোক ইমান আগবঢ়া সেই বিষয়হে অৱগত নাছিলো। মোৰ উৎসুকতা অধিক বাঢ়ি গ'ল যেতিয়া গম পালো তেওঁলোকে দাবী কৰা প্ৰস্তাৱিত প্ৰদেশখনৰ নাম ৰখা হৈছে 'কোচিলা' প্ৰদেশ। কোচিলা (Kochila) কিয়? 'ফেচবুক'ৰ জৰিয়তে দুই এজন নেপালৰ কোচ ৰাজবংশী মোৰ বন্ধু ইতিমধ্যে হৈছিল। তাৰে অষ্ট্ৰেলিয়াত অধ্যয়নৰত কৰ্ণ ৰাজবংশীক এই বিষয়ে সোধাত জনালে যে ৰাজবংশীসকলৰ মূল পৰিচয় 'কোচ' আৰু বিশ্ব মহাবীৰ চিলাৰায়লৰ নামৰ পৰা 'চিলা' অংশৰ সন্ধি কৰি প্ৰস্তাৱিত প্ৰদেশখনৰ নাম কোচিলা ৰখা হৈছে। ভাৱিলে আচৰিত লাগে যে দক্ষিণ এচিয়াৰ এটি গুৰুত্বপূৰ্ণ স্বাধিকাৰৰ আন্দোলনৰ নামাকৰণ অসমৰ ইতিহাসৰ এটি চৰিত্ৰৰে কৰা হৈছে, অথচ আমাৰ গমকে নাই। চিলাৰায় দিসৰৰ এই ক্ষণত অসমবাসীৰ বাবে ইয়াতকৈ আৰু গৌৰৱৰ বিষয় কি হ'ব পাৰে। চৰকাৰী পৃষ্ঠপোষকতা অবিহনেই, চিএওৰ-বাখৰ অবিহনেই চিলাৰায় বিশ্বদৰবাৰলৈ গুছি গ'ল। মোৰ যদি ভুল হোৱা নাই, তেনেহ'লে চিলাৰায়ে উত্তৰ-পূৰৰ একমাত্ৰ ঐতিহাসিক চৰিত্ৰ যাৰ প্ৰভাৱ উত্তৰ পূৱ অতিক্ৰমি দক্ষিণ এচিয়ালৈকে ব্যাপ্ত হৈছে।

চিলাৰায়ৰ জন্ম আজিৰ বংগত (তেতিয়াৰ কামতাপুৰত) আৰু মৃত্যু গংগাৰ পাৰত। ঐতিহাসিক অসমত (আজিৰ নামনি অসমকে ধৰি বৰ্তমান অসমৰ আন বহু অঞ্চল তেতিয়া কামতাপুৰৰ অংশ) তেওঁৰ আগমন এগৰাকী আক্ৰমণকাৰী হিচাপে। তৎসত্বেও মিংগিমাহা বন্দুলাৰ দৰে চিলাৰায়ৰ সৈতে আমাৰ

বেয়া স্মৃতি জড়িত নহয়। তাৰ কাৰণ হ'ল, তেওঁ ৰাজ্য জয় কৰাৰ লগতে, মানুহো জয় কৰিছিল। কোচ জনগোষ্ঠীক কোচ ৰাজবংশী জাতিত পৰিণত কৰিছিল। অধিক কি, কামতা ৰাজ্যৰ বিস্তাৰৰ সময়ত মূলত তেওঁৰ দূৰদৰ্শিতা আৰু ব্যক্তিত্বত আকৰ্ষিত হৈয়েই বোধহয় আন আন জনগোষ্ঠীয়ে বিপুল পৰিমাণে কোচ ৰাজবংশী নামৰ সামাজিক গোটটোত অৰ্ন্তভুক্ত হৈছিল। সেয়ে হয়তো, 'মনি কোৱঁৰ আখ্যান'ত লিখা আছে, 'কোচ কচাৰী মিকিৰ লালুং চাৰি জাতি, ইসৱ কোচেৰ শাখা জানিবা সম্প্ৰতি'। মনি কোৱঁৰ আখ্যানত আকৌ কোৱা হৈছে, 'মহাৰাজ বীৰ আৰিমত্ত কোচেৰ সন্তান, তান পুত্ৰ এক জোঙাল বলহু নামে গড়'। এই ইতিহাসেই কোচ ৰাজবংশীসকলক আজি প্ৰগতিশীল হ'বলৈ বাধ্য কৰাইছে। কচাৰী ৰাজ্য জয় কৰি চিলাৰায়ে নিজ ভাতৃ গোহাঁইকমলক তাৰে শাসন কৰ্তা পতাৰ পিছতো, তথা সেই বংশই প্ৰায় দুশ বছৰ বৰাক উপত্যকাত শাসন কৰাৰ পিছতো ডিমাচা কচাৰীসকলৰ সৈতে কোচ ৰাজবংশীসকলৰ সাংঘাতিক ভাল সম্পৰ্ক। আজিৰ নগাঁও অঞ্চলৰ কোচ ৰাজবংশী বুলি পৰিচিত লোকসকলৰ এক বুজন অংশ প্ৰকৃততে ডিমাচা মূলৰ। আজিৰ একচেতীয়া জনগোষ্ঠীয় জাতীয়তাবাদৰ উত্থানৰ সময়ত চিলাৰায়ৰ সময়চোৱালৈ উভটি চোৱাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে, আৰু সেয়াই চিলাৰায় দিৱসৰ প্ৰাসংগিক চিন্তা হ'ব। চিলাৰায়ে স্বগোষ্ঠীৰ উৰ্ধত গৈ উত্তৰ পূৰ ভাৰতত এখন ৰাষ্ট্ৰৰ পোখা মেলিছিল। কেইবাটিও সাংস্কৃতিক পৰিৱৰ্তনৰ মাজেৰে যাব লগীয়াত পৰিছিল বাবেই তেওঁৰ বংশটো হৈ পৰিছিল প্ৰগতিশীল। কোচসকলৰ মাতৃ বংশৰ পৰম্পৰা অনুসৰি তেওঁৰ পিতৃ বিশুসিংহই কোচ পৰিচয় গ্ৰহণ কৰি কামতাপুৰত কোচ ৰাজবংশৰ পাতনি মেলে। পিছে বিশ্বসিংহই হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ ফলত পৰৱৰ্তী পৰ্যায়ত পিতৃ বংশৰ পৰম্পৰা আৰম্ভ হয়। এনেকুৱা ধৰ্মীয় আৰু জনগোষ্ঠীয় পৰিবৰ্তনৰ মাজেৰে পাৰ হোৱা চিলাৰায়ে শিক্ষা গ্ৰহণ কৰিছিল বানাৰসীত। হয়তো এনেবোৰ কাৰণতে নিজে শাক্ত হৈয়ো শংকৰদেৱৰ মোল বুজিবলৈ তেওঁ সক্ষম হৈছিল, যিটোৱে উত্তৰ-পূৰৰ আধ্যাত্মিকতা আৰু সাহিত্যৰ ইতিহাসেই সলনি কৰি দিলে। চিলাৰায়ৰ কোনো ধৰ্মীয় গোড়ামি নাছিল। কোৱা হয় যে তেওঁৰ মুছলমান পত্নীও আছিল। অথচ বিশ্বসিংহই মৃত্যুৰ সময়ত কৈ গৈছিল তেওঁৰ বংশধৰ সকলে যাতে অকল কোচ কচাৰী নাৰীহে বিবাহ কৰায়। এই কথা চিলাৰায়ে বা নৰনাৰায়ণে কিন্তু অন্ধভাৱে পালন কৰা নাছিল। ইয়াৰ অৰ্থ এইটো নহয় চিলাৰায় পিতৃভক্ত নাছিল। মৃত্যুমুখী পিতৃৰ মনোবাঞ্ছা পূৰণৰ বাবেই তেওঁ অসম অভিযান চলাইছিল, যি অভিযান তেওঁৰ পিতৃয়ে ৰচদৰ অভাৱত আধাতে সামৰিব লগাত পৰিছিল। চিলাৰায়ৰ অসম অভিযানেই সৃষ্টি কৰিলে গোহাঁইকমল আলি, যি পথেদি কোচ কামতা সৈন্য আগবাঢ়ি আহিছিল। কোচ বিহাৰৰ পৰা নাৰায়ণপুৰলৈকে ব্যাপ্ত চিলাৰাইৰ ভাতৃ গোহাঁইকমলে বন্ধোৱা এই পথেই আধুনিক নামনি অসম আৰু উজনি অসমৰ যোগাযোগৰ আধাৰ। আজিৰ কোচ ৰাজবংশীসকলে যে নামনি অসম, উজনি অসম বা অসমীয়া বা বঙালী পৰিচয়ৰ উৰ্দ্ধত গৈ নিজকে আপোন বুলি চিনিব পাৰিছে, তাৰো আধাৰ এই গোহাঁইকমল আলি ।

ইতিহাস সৃষ্টিকাৰী চিলাৰায়ৰ অসম

অভিযানে যুদ্ধৰ বিষবাষ্প বিয়পোৱাতকৈ সম্প্ৰীতিৰ বতৰাহে বিয়পাইছিল। এই অভিযান যুদ্ধ অভিযানতকৈ সাংস্কৃতিক অভিযানত পৰিণত হৈছিল। কামাখ্যা মন্দিৰৰ পূণঃনিৰ্মাণ তেওঁৰ অভিযানৰ ফল। আজি বিশ্বৰ হেজাৰ হেজাৰ ভক্তই শিৰ নত কৰা বৰ্তমানৰ কামাখ্যা মন্দিৰ তেৱেঁই নিৰ্মাণ কৰা। শিলচৰলৈ যাবলৈ যিটো চমু পথৰ সন্ধান পোৱা গৈছে, সেইটো হেনো চিলাৰায়ে কছাৰী ৰাজ্যলৈ যোৱা পথটো। এই পথটোকেই আধুনিক ৰূপ দিয়াৰ কথা ভবা হৈছে। এনে অলেখ উদাহৰণ আছে, যিবোৰ সমসাময়িক বা পৰৱৰ্তী ইতিহাসত বিচাৰি পোৱা নাযায়।

চিলাৰায়ৰ বৰ্তমানৰ যিটো আমিন গাঁওৰ মূৰ্তিকেন্দ্ৰিক ইমেজ সেইটো কল্পনাৰ ওপৰত আধাৰিত, কিন্তু চিলাৰায়ৰ অসম, উত্তৰ বংগ আৰু নামনি নেপালৰ সমাজ জীৱনত যিটো ইমেজৰ সৃষ্টি হৈছে, সেইটো এক সত্যৰ ওপৰত আধাৰিত। চিলাৰায় মাথোঁ এটি দিৱস নহয় যে পালন কৰিলো আৰু পাহৰি গলো, মাথোঁ এটি কিংবদন্তী নহয় যে শৈশৱত আইতাৰ মুখত শুনিছিলো আৰু যৌৱনত পাহৰি গলো। চিলাৰায় মাথোঁ ইতিহাসৰ এটা অধ্যায় নহয় যে পৰীক্ষা শেষ হ'লেই তাৰ প্ৰাসংগিকতা নোহোৱা হ'ব। চিলাৰায়ক অতীতত এৰি থৈ অহা নাযায়। জাতি-ধৰ্ম আৰু আঞ্চলিকতাবাদৰ উৰ্ধত প্ৰতিষ্ঠিত চিলাৰায় আধুনিকতাৰ প্ৰতীক। সেয়ে হয়তো ভূপেন হাজৰিকাৰ গানতো 'চিলাৰায়' ধেমাজিৰ চাউলধোৱা গাঁৱতো চিলাৰায় পথ, উত্তৰ বংগত 'চিলাভোজ', ভঙাগড়ত চিলাৰায়ৰ নামত ফাৰ্মাচী, গণেশগুৰিত চিলাৰায় আৰ্ট বিচাৰি পোৱা যায়। চিলাৰায়ক বিচাৰি পোৱা যায় কহিনুৰৰ মঞ্চত অথবা নিৰ্মল বৰুৱাৰ ভিডিঅ' ছবিত। ■

# বেলতলাৰ ৰাজপৰিয়াল আৰু অতীতৰ কথা

মাধুৰী চৌধুৰী

বেলতলাৰ বুৰঞ্জী হিচাপে অতীতলৈ পাত লুটিয়ালে ইয়াৰ বুৰঞ্জীৰ লগত অসমৰ দৰং, বিজনী আৰু উত্তৰবংগৰ কোচবিহাৰ নহাকৈ থাকিব নোৱাৰে। কিয়নো দূৰ অতীতত এই আটাইকেইটা ফৈদৰ আদি পুৰুষ একেজনেইহে আছিল। এই সুদূৰ অতীতকো অতিক্ৰম কৰি যদি প্ৰাচীন যুগলৈ আগবাঢ়ি যাওঁ তেনেহ'লে আমাৰ ফৈদবোৰত প্ৰচলিত কিংবদন্তী মতে প্ৰাচীন কালৰ আদি পুৰুষ হৈ পৰেগৈ মহাভাৰতৰ উল্লেখিত উপাখ্যানত থকা চন্দ্ৰবংশীয় ক্ষত্ৰিয় ৰজা হৈহয়। প্ৰাচীন কালৰ এই হৈহয় ৰজা আৰু তেওঁৰ পুত্ৰ সহস্ৰাৰ্জুনৰ লগতে সহস্ৰাৰ্জুনৰ বাৰজন পুত্ৰৰ কথা আমাৰ ঘৰত পুৰুষে পুৰুষে চলি থকা হেতুকে মই হয়তো শৈশৱতে সেইবোৰ গল্প আকাৰে শুনা পাইছিলো যিবোৰ শুনি মই তন্ময় হৈ পৰিছিলো। সূৰ্য্যখৰি দৈৱজ্ঞ বিৰচিত 'দৰংঙ্গ ৰাজবংশাৱলী'ত আমাৰ ঘৰবোৰত প্ৰচলিত সেই কিংবদন্তীটো মই পাছলৈ বুৰঞ্জী পঢ়োতে পাওঁ। অকল সেয়ে নহয় 'যোগিনী তন্ত্ৰ' আৰু 'কালিকা পুৰাণ'তো হৈহয়ৰ পলাতক সতিসন্ততিৰ কথা উল্লেখ আছে।

প্ৰাচীন যুগত অৰ্থাৎ ৰামায়ণ আৰু মহাভাৰতৰো পূৰ্বে পৰশুৰামৰ পৰিকল্পিত ক্ষত্ৰিয় নিধন অভিযানৰ ভয়ত বহুতো ক্ষত্ৰিয়ই আমাৰ এই প্ৰাচ্যৰ ফালে আহে। তাৰে বাৰজন পুত্ৰ আছিল হৈহয় ৰজাৰ নাতি আৰু কালক্ৰমত তেওঁলোকৰে বহু বংশধৰৰ ভিতৰত ক্ষমতাশালী বংশধৰ হয়গৈ মহাবীৰ চিলাৰায়।

মহাবীৰ চিলাৰায় নিজে ৰজা নাছিল যদিও তেওঁৰ ভাতৃ মহাৰাজ নৰনাৰায়ণৰ ৰাজত্বকাল ইমান গুৰুত্ব পূৰ্ণ নহ'লহেঁতেন যদিহে মহাবীৰ চিলাৰায় সেই সময়ত কোচৰাজ্য কামৰূপৰ যুৱৰাজ হোৱাৰ লগতে মন্ত্ৰী আৰু সেনাপতি নহলহেঁতেন। তেওঁৰ তৰোৱালৰ তিৰবিৰণিত কামৰূপ ৰাজ্য শেষবাৰৰ বাবে অতি সুবিশাল হৈ পৰে। ইয়াৰ আগতে প্ৰাচীন কালত প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তৰ দিনত কামৰূপ তথা বৰ্তমান অসম প্ৰাগজ্যোতিষ নামেৰে

অতি সুবিস্তৃত হৈ পৰাৰ পাছত সপ্তম শতাব্দীৰ কুমাৰ ভাস্কৰ বৰ্মা ৰজাৰ দিনত দ্বিতীয় বাৰলৈ বৰ্তমানৰ অসম তথা সেই যুগৰ কামৰূপ মগধৰ সীমান্তলৈকে বিস্তাৰিত হৈ পৰে। শেষবাৰৰ বাবে কামৰূপ তথা এতিয়াৰ অসম চিলাৰায়ৰ দ্বিগবিজয়ৰ ফলস্বৰূপে পূবে শদিয়াৰ পৰা সুবিস্তাৰিত হৈ পশ্চিমবংগৰ অন্তৰ্গত গৌড়লৈকে থকাৰ লগতে কাছাৰ, মণিপুৰ, জয়ন্তীয়া ৰাজ্য, ত্ৰিপুৰা, চিলেট আদি আৰু অনেক ৰাজ্যও একেটা শাসনৰ তলত একত্ৰিত হৈছিল। এইজন মহাবীৰৰেই পুত্ৰ ৰঘুদেৱ নাৰায়ণে তেওঁৰ পিতৃৰ মৃত্যুৰ পাছত কোচবিহাৰৰ পৰা পলাই আহি সোনকোষ নদীৰ পূব ফাললৈ কামৰূপত কোচৰাজ্য স্থাপন কৰে যদিও তেওঁৰ পুত্ৰ পৰীক্ষিতৰ দিনত পৰীক্ষিত মোগলৰ হাতত যুদ্ধত বন্দী হৈ দিল্লীত ১৬১২ খৃষ্টাব্দত সম্ৰাট জাহাঙ্গীৰৰ আগত উপস্থিত হ'ব লগীয়া হয় আৰু বশ্যতা স্বীকাৰ কৰে। পিছে পৰীক্ষিতৰ ভ্ৰাতৃ বলিত ওৰফে নাৰায়ণ আৰু ধৰ্ম্ম নাৰায়ণে আৰু হৰ ওৰফে গজনাৰায়ণে মোগলৰ বিপক্ষে যুদ্ধ চলাই লৈ যায়। অৱশেষত পৰাস্ত হৈ আহোমৰ শৰণাপন্ন হৈ পৰাত তেওঁলোক কৰতলীয়া ৰজাস্বৰূপে ধৰ্ম্ম নাৰায়ণে দৰঙত আৰু গজ নাৰায়ণে বেলতলাত ৰজা হৈ পৰে। এইদৰে চিলাৰায়ৰ নাতিসকল অসমৰ বুৰঞ্জীৰ ঘাই সুঁতিৰ পৰা সময়ত হেৰাই যায়। মোগলৰ বিৰুদ্ধে তেওঁলোকে যুদ্ধ কৰি অহৰহ ব্যস্ত হৈ থাকিছিল যদিও পাছলৈ সেই যুদ্ধ আহোমৰ হৈহে কৰাত অতীতৰ বহুতো বীৰত্বৰ কাহিনী কেৱল পৰিয়ালতহে প্ৰচলিত হৈ থাকিল। সেইবোৰ অসম বুৰঞ্জীত পাবলৈ নাই। দৰং আৰু বেলতলা যদিওবা আহোমৰ কৰতলীয়া ৰাজ্য হৈ পৰে তথাপি তেওঁলোকৰ স্থান আহোমৰ চকুত বিশেষভাৱে 'সন্মানিত আছিল মহাবীৰ চিলাৰায়ৰ বংশধৰ' বুলিয়েই। আহোম স্বৰ্গদেউৰ তলত বহুতো কৰতলীয়া ৰাজ্য আছিল যদিও বেলতলা আৰু দৰঙৰ স্থান প্ৰায় পূৰ্ণাংগ স্বাধীন ৰজাৰ দৰেই আছিল বুলি বুৰঞ্জীবিদসকলৰ টোকাৰ পৰা জনা যায়। এই দুইখন ৰাজ্যই হেনো বিশেষ গুৰুত্বপূৰ্ণ কথাৰ বাহিৰে আহোম স্বৰ্গদেউৰ পৰা কেনো ৰকমৰ হকা বাধা নোহোৱাকৈয়ে চলিছিল।

বুৰঞ্জীবিদ স্বৰ্গীয় পদ্মনাথ গোহাঞিবৰুৱাৰ 'অসম বুৰঞ্জী' আৰু গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জীত বেলতলাৰ ৰজা গজ নাৰায়ণলৈকে নাম পোৱাৰ পিছত স্বৰ্গীয় পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত চাৰ এডৱাৰ্ড গেইটৰদ্বাৰা নতুনকৈ মুদ্ৰিত হোৱা পুৰণি সাঁচি পতিয়া পুথি 'দৰং ৰাজবংশাৱলী'ৰ নতুন আকৃতিৰ কিতাপখনৰ বংশ লতাৰ বহল পাতখিলাত মোৰ পিতৃ ৰাজেন্দ্ৰ নাৰায়ণ দেৱ আৰু খুৰা পবিন্দ্ৰ নাৰায়ণ দেৱলৈকে নাম পোৱা গৈছিল।

১৬১৭ খৃঃত মহাবীৰ চিলাৰায়ৰ নাতি গজ নাৰায়ণৰ দিনতে বৰ্তমানৰ এই ৰাজপৰিয়াল বেলতলাত স্থাপিত হৈ একেৰাহে দুশবছৰ মোগলৰ আক্ৰমণ, মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ উপদ্ৰৱ আদি ধুমুহাৰ মাজেৰে সৰকি আহে। ১৮২৬ খৃঃৰ ফেব্ৰুৱাৰী মাহত যেতিয়া মানৰ লগত বৃটিছৰ ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয় আৰু আহোম ৰাজত্বৰ ঘাই খুঁটা সুলকি পৰে — তেতিয়াই বেলতলাৰ ভাগ্যচক্ৰতো ৰাজনৈতিক আমোঘ পৰিৱৰ্তনৰ কলীয়া ছায়া আৱিৰ্ভূত হৈ পৰে। সেই সময়ত বেলতলাৰ ৰাজপাটত আধিষ্ঠিত আছিল ৰজা লম্বোদৰ নাৰায়ণ দেৱ। ৰজা লম্বোদৰ নাৰায়ণ দেৱৰ পিছত তেওঁৰ পুত্ৰ লোকপাল নাৰায়ণ ৰজা হয়। এওঁৰ সময়লৈকে বেলতলা ৰাজ্য ৰাজকীয়



*বৃটিছ প্ৰতিনিধি 'চাইমন্ চাহাব'ৰ লগত বেলতলাৰ শেষ ৰজা ৰাজেন্দ্ৰ নাৰায়ণ দেৱ (মূৰত পাগুৰীৰে) আৰু তেওঁৰ ভাতৃ ৰাজকুমাৰ প্ৰবীন্দ্ৰ নাৰায়ণ দেৱ। সময় কাল ১৯২৭ চন*

সম্বোধনত সকলো ক্ষেত্ৰতে 'দেশ' বুলিহে উল্লেখিত হৈ আহিছিল।

ৰজা লোকপাল নাৰায়ণৰ ১৮৬৩ চনত মৃত্যু হয়। পিছে এওঁ পিতৃদিনৰ ঋণৰ লগতে নিজৰ কৰ বৃটিছক ঠিকমতে শোধাব নোৱাৰাত বৃটিছে বেলতলাৰ সীমা সংকুচিত কৰি ছয়ত্ৰিছখন গাঁৱৰ সমষ্টি কৰে। ৰজা অমৃত নাৰায়ণ দেৱ ৰজা লোকপালৰ জ্যেষ্ঠপুত্ৰ আছিল। সেয়ে লোকপালৰ পিছত অমৃত নাৰায়ণ ৰজা হয়। পিছে তেওঁ অল্পায়ু আছিল আৰু লগতে নিঃসন্তানো আছিল। বেলতলাৰ সীমা সংকুচিত হোৱাৰ বাতৰি খাটাং হোৱাত সেই, বাতৰি পাই তেওঁ হেনো মৃত্যুৰ মুখত পৰে। তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ নিকটতম অনুজ ভাতৃ চন্দ্ৰ নাৰায়ণ দেৱে বৃটিছৰ দ্বাৰা ৰাজস্বীকৃতি পাই বেলতলাৰ ৰাজপদ গ্ৰহণ কৰে। এৱেঁই মোৰ আতা ৰজা চন্দ্ৰ নাৰায়ণ দেৱ।

১৯০০ চনত বৃটিছ সাম্ৰাজ্ঞী ভিক্টোৰিয়াৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ এডৱাৰ্ডে ''সপ্তম এডৱাৰ্ড'' নাম লৈ বৃটিছ সিংহাসনত আৰোহণ কৰাৰ পিছত ১৯০৩ চনত তেওঁৰ অভিষেক উদ্‌যাপিত হয়। সেই সময়ত ভাৰতত থকা বৃটিছ ৰাজপ্ৰতিনিধি (Viceroy) লৰ্ড কাৰ্জনে ইংলণ্ডত হোৱা অভিষেকৰ অনুকৰণত দিল্লীত সম্ৰাটৰ এখন 'নকল অভিষেক' ভাৰতীয় প্ৰজাৰ অন্তৰত সন্তোষ দিয়াৰ অৰ্থে পাতে। এই অভিষেক খন কাৰ্জনে জাক জমক পয়োভৰেৰে দিল্লীত উদ্‌যাপিত কৰা সময়ত তেওঁ তালৈ ভাৰতৰ সৰু-ডাঙৰ সকলো ধৰণৰ দেশীয় ৰাজ্যৰ ৰজাক নিমন্ত্ৰণ কৰে। মোৰ আতা চন্দ্ৰ নাৰায়ণে সেই অভিষেকত এজন নিমন্ত্ৰিত ৰজা হিচাপে যোগদান দিয়ে। এইখনক 'দিল্লী দৰবাৰ' ৰূপে লৰ্ড কাৰ্জনে আখ্যা দিছিল আৰু তাত উপস্থিত ৰজাসকলে স্বকীয় স্বীকৃতি ৰূপে পোৱা প্ৰমাণ স্বৰূপ 'মেডেল' আকাৰৰ একোটাকৈ মুদ্ৰা পাইছিল। তেনে এটা মুদ্ৰা আমাৰ ঘৰত মোৰ মাতৃ প্ৰাক্তন ৰাণী শ্ৰীযুক্তা লক্ষ্মীপ্ৰিয়া দেৱীৰ হাতত আছিল। অৱশ্যে বৃটিছৰ চতুৰ শাসনৰ গোপন ষড়যন্ত্ৰই আমাৰ এই ৰজাসকলক কৰ্মঠ হোৱাতকৈ বিলাসিতাত মত্ত হৈ থকাটোকেহে বিচাৰিছিল। তথাপিতো বংশ পৰম্পৰা হিচাপে চলি অহা নিয়মৰ প্ৰভাৱে অজানিতে হ'লেও এই ৰজাসকলক বিলাসিতাৰ মাজতো বহুত গুণৰ অধিকাৰীও কৰি ৰাখিছিল বুলিব লাগিব।

ৰজা চন্দ্ৰ নাৰায়ণৰ মৃত্যুৰ সময়ত মোৰ পিতৃ ৰাজকুমাৰ ৰাজেন্দ্ৰ নাৰায়ণ দেৱ আৰু তেওঁৰ



*বেলতলাৰ ৰজা চন্দ্ৰ নাৰায়ণ দেৱে ১৯০৩ চনত দিল্লীত অনুষ্ঠিত হোৱা দিল্লী-দৰবাৰত নিমন্ত্ৰিত এজন ৰজা হিচাপে সপ্তম এডৱাৰ্ডৰ প্ৰতীক অভিষেকত ভাৰতৰ আন আন ৰজা-মহাৰজাসকলৰ লগতে যোগদান দিলে। এই ৰূপৰ পদকটি ৰজা চন্দ্ৰ নাৰায়ণক ৰাজ স্বীকৃতি স্বৰূপে দিয়াৰ লগতে বৰভূমিকম্পত (১৮৯৭) চনত আগবঢ়োৱা। তেওঁৰ জনকল্যাণ সেৱাৰ কাৰণেও তেওঁ তাত সন্মানিত স্বীকৃতিৰ দ্বাৰা পুৰস্কৃত হৈছিল।*

বৈমাত্ৰ ভাতৃ ৰাজকুমাৰ পবিন্দ্ৰ নাৰায়ণ দেৱ নাবালক আছিল। সেয়ে বেলতলা ৰাজপৰিয়ালৰ গুৰুভাৰ আহি ৰজা চন্দ্ৰ নাৰায়ণৰ বিধৱা পত্নী ৰাণী অহল্যা দেৱীৰ কান্ধত পৰেহি। সেয়ে হয়তো বৃটিছ চৰকাৰে যথা সময়ত তেওঁৰ অনুমোদন ক্ৰমে তেওঁৰে স্বামীৰ বন্ধু ৰায়চাহাব চিদানন্দ চৌধুৰীক বেলতলা চলোৱাৰ কামত 'সৰবৰহকাৰ' হিচাপে নিযুক্তি দিয়ে। ১৯০১ চনত জন্মগ্ৰহণ কৰা মোৰ পিতৃয়ে ১৯২৩ চনত সাবালক হৈ বেলতলাৰ ৰাজ পদত বৃটিছৰ পৰা পোৱা ৰাজস্বীকৃতিৰে নিযুক্ত হয়। মোৰ পিতৃয়ে আইন শিক্ষাৰ সমাপ্তি নিজকে উকীল হিচাপে জৰ্জ কাছাৰীত নিৰ্লিপ্ত কৰাৰ লগতে কলিকতা হাইকোৰ্টৰ লগতো নিজকে সংযোজিত কৰিছিল যদিহে অসমৰ ফালৰ কেনো বিশেষ মামলা মোকৰ্দমাৰ সৃষ্টি হৈছিল। উচ্চমানৰ সুশিক্ষিত ব্যক্তি হোৱাত মোৰ পিতৃ বেলতলাৰ ৰজা হোৱাৰ উপৰিও বৃটিছৰ দ্বাৰাই 'অনাৰেৰী মেজিষ্ট্ৰেটি' পদত নিযুক্ত হৈছিল — ফলত তেওঁ বেলতলাৰ প্ৰজাৰ সকলো ধৰণৰ কেচ-মাম্‌লা মোকৰ্দমা আদি বিচাৰ কৰাৰ ক্ষমতা পাইছিল। পিতৃয়ে নিজৰ সুস্বভাৱ আৰু সুবিচাৰৰ মাধ্যমেৰে তৃতীয় দশকৰ তথাকথিত বেলতলীয়া প্ৰজাৰ মাজত অতি জনপ্ৰিয় হৈ পৰিছিল বুলি শুনা পাইছিলো।

বেলতলাৰ 'ৰজা' উপাধিৰে ভূষিত ৰজাৰ ধাৰাবাহিকতাৰ পৰিসমাপ্তি সিমানতে ঘটে। প্ৰাচীন যুগতে আৰম্ভ হোৱা চন্দ্ৰ বংশীয় ক্ষত্ৰিয় ৰজা হৈহয়-সহস্ৰাৰ্জুনৰেই বংশধৰ মহাবীৰ চিলাৰায় কামৰূপত প্ৰবল প্ৰতাপী হৈ উঠি সময়ৰ সোঁতত বংশধৰৰ দিনলৈ পুনৰ অস্তমিত হৈ অসমত বেলতলা ৰাজপৰিয়ালত মোৰ পিতৃৰ শিৰত 'ৰাজ পদবী'ৰে ভূষিত হৈ আছিলগৈ — অতি ক্ষুদ্ৰভাৱে হ'লেও বৃটিছৰ স্বীকৃতিত। তেওঁৰ মৃত্যুৰ পিছৰ পৰা ১৯৭৬ চনলৈকে মোৰ মাতৃয়ে 'ৰাণী' উপাধি পাই আহিছিল। ইন্দিৰা গান্ধীৰ দিনত ঘোষিত নতুন আইন প্ৰণয়নত ভাৰতত থকা দেশীয় ৰাজ্যৰ ৰাজপৰিয়ালবোৰে স্বাধীনোত্তৰ চলিত নিয়মত পোৱা 'প্ৰিভিপাৰ্চ' হেৰুৱাৰ লগতে যেতিয়া 'ৰাজ' উপাধিবোৰো হেৰুৱায়, তেতিয়াই মোৰ মাতৃয়েও স্বাভাৱিকতে 'বেলতলাৰ ৰাণী' উপাধি হেৰুৱাবলগীয়া হয়। ■

# বেলতলা ৰাজপৰিয়ালৰ বংশাৱলী

*

(পুত্ৰ) দলপতি (Chieftain) হাৰিয়া মণ্ডল
(চিক্‌নাঝাড় আৰু কোচ হাজো এলেকাৰ)

↓

(পুত্ৰ) মহাৰাজ ধিৰাজ বিশ্বসিংহ
(কামৰূপ-কামতেশ্বৰ) মৃত্যু ১৫৪০ খৃঃ

↓

- পুত্ৰসকল
- মহাৰাজ নৰনাৰায়ণ (কামৰূপ কামতেশ্বৰ)
- **যুৱৰাজ সংগ্ৰামসিংহ (সেনাপতি) ওৰফে মহাবীৰ চিলাৰায়
- গোঁহাই কমলা (কাছাৰৰ দেৱান পৰিয়ালৰ প্ৰথম)

↓

- নৰসিংহ ভূটানৰ প্ৰথম থিম্ফু ৰজা
- মেঘ মখ্‌দুম্ন
- আন আন আৰু ১৩ জন পুত্ৰ

↓

- (পুত্ৰ) মহাৰাজ লক্ষ্মীনাৰায়ণ কোচবিহাৰ কামতেশ্বৰ (এওঁ মোগলৰ কৰতলীয়া হয়)
- মহাৰাজ ৰঘুদেৱনাৰায়ণ কামৰূপাধিপতি মৃত্যু ১৬০৩ খৃঃ (আনুমানিক) এঁও হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰ নিৰ্মাণ কৰে।

↓

- (পুঃ) মহাৰাজ পৰীক্ষিৎ নাৰায়ণ দেৱ (কামৰূপাধিপতি মোগলৰ হাতত বন্দী হয়) ১৬১২ খৃঃ
  - ↓ (পুঃ) বিজিৎনাৰায়ণ দেৱ বিজ্‌নীত মোগলৰ দ্বাৰাই প্ৰতিষ্ঠিত প্ৰথম কোচ ৰজা
- (পুঃ) বলিত্‌ (ওৰফে) ধৰ্মনাৰায়ণ দেৱ দৰঙৰ প্ৰথম কোচৰজা ১৬১৭ চন আহোম স্বৰ্গদেউ প্ৰতাপসিংহৰ সময়
- (পুঃ) হৰনাৰায়ণ (ওৰফে গজনাৰায়ণ দেৱ) বেলতলাৰ প্ৰথম কোচ ৰজা ১৬১৭ চন; স্বৰ্গদেউ প্ৰতাপসিংহৰ সময়
- (পুঃ) চন্দ্ৰনাৰায়ণ দেৱ (মোগলৰ লগত যুদ্ধ ক্ষেত্ৰত মৃত্যু হয় শ্ৰীঘাট ৰণত)

* দলপতি হাৰিয়া মণ্ডলৰ পিতৃৰ নাম আছিল দলপতি ‘দানদ্ৰব্য (ওৰফে ( ডাম্‌ডাম্বু (Chieftain)

** ১৫৬৫ খৃঃত কামাখ্যা মন্দিৰ নৱনিৰ্মিত হয় মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ৰ দ্বাৰা।

(পুঃ) হৰনাৰায়ণ (ওৰফে গজনাৰায়ণ দেৱ)
( বেলতলাৰ প্ৰথম কোচ ৰজা ১৬১৭ চন
স্বৰ্গদেউ প্ৰতাপসিংহৰ সময়)

↓

(পুত্ৰ) ৰাজা শিৱেন্দ্ৰনাৰায়ণ দেৱ

↓

(পুত্ৰ) ৰাজা গন্ধৰ্ব্বনাৰায়ণ দেৱ
(আহোম সেনাপতি কলিয়া ভোমোৰাজ
মোগলৰ বিৰুদ্ধে সৈন্য-সামন্ত দি সহায় কৰে।

↓

(পুত্ৰ)ৰাজা উত্তমনাৰায়ণ দেৱ

↓

(পুত্ৰ)ৰাজা ধ্বজনাৰায়ণ দেৱ

↓

(পুত্ৰ)ৰাজা জয়নাৰায়ণ দেৱ

↓

(১) (পুত্ৰ) ৰাজা লম্বোদৰনাৰায়ণ দেৱ
(ইয়াণ্ডাবু সন্ধিৰ সময়। এওঁ বৃটিছৰ
লগত এক চুক্তি কৰে ১৮২৭ চনত)

↓

(২) (পুত্ৰ) ৰাজা লোকপালনাৰায়ণ দেৱ
(এওঁৰ দিনত বেলতলা প্ৰথমে ‘মহল’ তাৰ পিছত
‘মৌজা’লৈ ৰূপান্তিৰত হয়। এওঁৰ মৃত্যু ১৮৬৩ চনত হয়।)

↓

(৩) (পু) ৰাজা অমৃতনাৰায়ণ দেৱ
এওঁ নিঃসন্তানে মৃত্যু হয়)

(৪) (পু) ৰাজা চন্দ্ৰনাৰায়ণ দেৱ
(মৃত্যু ১৯১০ চনত)

↓

(৫) (পুঃ) ৰজা ৰাজেন্দ্ৰ নাৰায়ণ দেৱ

(পুঃ) ৰাজকুমাৰ প্ৰবীন্দ্ৰ নাৰায়ণ দেৱ

# কোচসকলৰ পুঞ্জীভূত ক্ষোভ

হোমেন বৰগোহাঞি

বেছিভাগ মানুহেই কিবা এটা ঘটনা ঘটি যোৱাৰ পাছতহে তাৰ কাৰণ আৰু পৰিণামবোৰ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰে। মই তাৰ বিপৰীতটো কৰিবলৈ চেষ্টা কৰোঁ। অৰ্থাৎ কিবা এটা ঘটনা ঘটিব পাৰে বুলি আশংকা বা পূৰ্বানুমান কৰি তাৰ কাৰণবোৰ বুজিবলৈ যথাসাধ্য চেষ্টা কৰোঁ। অসমীয়া মহাজাতি গঠন কৰাত কোচ-ৰাজবংশীসকলে এটা অতি গুৰুত্বপূৰ্ণ ঐতিহাসিক ভূমিকা পালন কৰিছিল। আহোমসকলে যদি আধুনিক বৃহত্তৰ অসমৰ ৰাজনৈতিক ভিত্তি নিৰ্মাণ কৰাত বেছি গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল, তেন্তে সেই একেখন অসমৰ সাংস্কৃতিক ভিত্তি নিৰ্মাণ কৰাত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল কোচসকলে। মহাবীৰ চিলাৰায়ৰ বল-বীৰ্য আৰু সামৰিক প্ৰতিভা যিমান স্মৰণীয়, তাতোকৈ কোনোগুণেই কম স্মৰণীয় নহয় অসমীয়া ভাষা-সংস্কৃতিলৈ — বিশেষকৈ মহাপুৰুষ শংকৰদেৱলৈ — মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ে আগবঢ়োৱা পৃষ্ঠপোষকতা। শংকৰদেৱ, নৰনাৰায়ণ আৰু চিলাৰায়ৰ অবিহনে কেৱল আহোম যুগৰ অসমীয়া সভ্যতা-সংস্কৃতিৰ গৰিমা আৰু মহত্ব বহুলাংশে লাঘৱ নহ'নে? ... কিন্তু দুৰ্ভাগ্যৰ কথা যে বৃহত্তৰ অসমৰ ইতিহাসত কোচসকলৰ গৌৰৱময় ভূমিকাই যিমানখিনি স্বীকৃতি পাব লাগিছিল, সিমানখিনি নাপালে। অসমৰ ঐতিহাসিক চিত্ৰশালাত কোচসকল — নৰনাৰায়ণ আৰু চিলাৰায় — প্ৰায় অপাংক্তেয় হৈ ৰ'ল। এই উপেক্ষাৰ কাৰণে কোচসকলৰ মনত যে ক্ৰোধ আৰু অভিমান পুঞ্জীভূত হৈছে, সেই কথা মই বহুত বছৰৰ আগতেই অনুমান কৰিব পাৰিছিলো। এদিন নহয় এদিন যে তাৰ উদ্‌গীৰণ হ'ব সেই আশংকাও মই কৰিছিলো। ১৯৭৮ চনত মই পৰীক্ষামূলকভাৱে এখন ছেকেণ্ড-হেণ্ড কিতাপৰ দোকান খুলিছিলো (ভিনটেজ বুকশ্বপ)। মোৰ নিকটতম প্ৰতিবেশী আছিল বেলতলাৰ

কোচ ৰাজবংশৰ প্ৰয়াত যতীন্দ্ৰ নাৰায়ণ দেৱ। তেওঁৰ ভনীয়েক মাধুৰী কটন কলেজত মোৰ সহপাঠিনী আছিল। যতীনদেৱৰ লগত দিনটোত কমেও এবাৰ মোৰ দেখাদেখি হৈছিল, আৰু তেওঁৰ ঘৰত বা মোৰ দোকানত বহি আমি দুয়ো নানা বিষয়ে কথা পাতিছিলো। আমাৰ আলোচনাত মাজে মাজে কোচসকলৰ মৰ্ম বেদনাৰ কথা ওলাইছিল। মই তেতিয়াই তেওঁক এইবুলি প্ৰস্তাৱ দিছিলো যে কোচসকলৰ এনে এখন পূৰ্ণাংগ ইতিহাস ৰচনা কৰিব লাগে — যিখন ইতিহাসে কোচসকলৰ গৌৰৱ-গাথা আৰু বিশেষকৈ অসমীয়া জাতিৰ সাংস্কৃতিক ভিত্তি নিৰ্মাণ কৰিব লাগে — যিখন ইতিহাসে কোচসকলৰ গৌৰৱ-গাথা আৰু বিশেষকৈ অসমীয়া জাতিৰ সাংস্কৃতিক ভিত্তি নিৰ্মাণ কৰাত কোচসকলৰ ভূমিকা উজ্জ্বল ৰূপত প্ৰতিষ্ঠা কৰি আহোমকেন্দ্ৰিক অসম বুৰঞ্জীৰ একপক্ষীয় বিকৃতিৰ শুধৰণি কৰিব। মই যেনেকৈ চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ন কৰাত এটা বিশেষ সক্ৰিয় ভূমিকা লৈছিলো, ঠিক তেনেকৈ ১৯৭৮ চনতে কোচ জাতিৰ বুৰঞ্জী প্ৰণয়ন কৰিবলৈকো এটা সক্ৰিয় ভূমিকা ল'বলৈ আগবাঢ়িলো। কিন্তু দুৰ্ভাগ্যবশতঃ তাৰ পাছতেই আৰম্ভ হোৱা ছবছৰীয়া অসম আন্দোলনে আৰু যতীন্দ্ৰ নাৰায়ণ দেৱৰ অকাল মৃত্যুৱে মোৰ সপোনক দিঠকত পৰিণত হ'বলৈ নিদিলে। মই এতিয়াও বিশ্বাস কৰোঁ যে উচিত সময়ত কোচ জাতিৰ এখন ইতিহাস প্ৰণয়ন কৰি উলিয়াব পৰা হ'লে কোচসকলৰ ক্ৰোধক বহু পৰিমাণে প্ৰশমিত কৰিব পৰা হ'লহেঁতেন।

মই এই কথাও বিশ্বাস কৰোঁ যে একাংশ সংকীৰ্ণ-মতি আৰু একদেশদৰ্শী অসমীয়াই পদে পদে কৰি অহা ভুলৰ কাৰণেই আজি অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিচ্ছিন্নতাবোধ আৰু অসমীয়া-বিদ্বেষ ক্ৰমাৎ বৃদ্ধি পাইছে। বহুত উদাহৰণৰ মাজৰ পৰা বাছি বাছি এটা মাত্ৰ উদাহৰণ দিওঁ। মই অসম সাহিত্য সভাৰ সভাপতি হৈ থাকোঁতে সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ এখন গুৰুত্বপূৰ্ণ অধিৱেশন ধুবুৰীত বহিছিল। ধুবুৰী জিলা সাহিত্য সভাক প্ৰতিনিধিত্ব কৰা পাচুগোপাল চক্ৰৱৰ্তীয়ে এইবুলি এটা প্ৰস্তাৱ উত্থাপন কৰিলে যে অসম সাহিত্য সভাই ২০০৩ চনত মহাৰাজ নৰনাৰায়ণৰ জন্মজয়ন্তী এটা জাতীয় উৎসৱ হিচাপে মহাসমাৰোহেৰে পালন কৰিব লাগে। প্ৰস্তাৱটো উত্থাপিত হোৱা মাত্ৰকতে উজনি অসমৰ দুজন সদস্যই তিৰিংকৈ থিয় হৈ আপত্তি কৰি ক'লে যে মহাৰাজ নৰনাৰায়ণৰ জন্ম-জয়ন্তী পালন কৰিবলৈ হ'লে অমুক আৰু তমুকৰো জন্ম-জয়ন্তী পালন কৰাৰ দাবী উঠিব; তেতিয়া সভাই কি কৰিব? সদস্য দুজনৰ মুঢ়তা দেখি ক্ষন্তেক সময়ৰ কাৰণে মই স্তম্ভিত হৈ গ'লোঁ। অসমৰ ইতিহাসত মহাৰাজ নৰনাৰায়ণৰ স্থান এনেকুৱাই নেকি যে তেওঁৰ লগত তুলনা কৰিবলৈ অমুক আৰু তমুকৰো নাম উঠিব? অৱশ্যে পাছমুহূৰ্ততে মই গৰ্জন কৰি সদস্য দুজনক ক'লো — 'কাইলৈৰ বাতৰি কাকতত যদি আপোনালোকৰ নৰনাৰায়ণ-বিৰোধিতাৰ খবৰটো প্ৰকাশ হয়, তেন্তে তাৰ পৰিণাম অসমীয়া জাতিৰ কাৰণে কি হ'ব সেই কথা আপোনালোকে মুহূৰ্তৰ কাৰণেও ভাবি চাইছেনে?'

এনেকুৱা মানুহবোৰেই অসমীয়া জাতিৰ গৰাখহনীয়াৰ সৃষ্টি কৰিছে। তেওঁলোকৰ সংখ্যা একেবাৰে কম নহয়। অসমৰ দুজনকৈ আহোম

মুখ্যমন্ত্ৰীয়ে আন সকলো জনগোষ্ঠীৰ সাংস্কৃতিক আশা-আকাংক্ষা আৰু জাতীয় গৌৰৱবোধক অৱহেলা কৰি কেনেকৈ কেৱল আহোম ৰজাসকল, আহোম ধৰ্মীয় অনুষ্ঠান আৰু টাই আহোম ভাষাৰ সংৰক্ষণত তুলনামূলকভাৱে বেছি গুৰুত্ব দি আনবোৰ জনগোষ্ঠীৰ মানসিক অস্থিৰতা আৰু অশান্তি বৃদ্ধি কৰিছে, সেই কথা সকলোৱে নিজৰ চকুৰ আগতে দেখি আছে। চুকাফা দিৱস আৰু মে-ডাম-মেফিক চৰকাৰী ছুটীৰ দিন ঘোষণা কৰি অন্যান্য জনগোষ্ঠীৰ বীৰ-বীৰাংগনাসকলক বা ধৰ্মীয় অনুষ্ঠানক উপেক্ষা কৰিলে বহুতৰ চকুত সি নিশ্চয় বৈষম্যমূলক আচৰণ বুলি পৰিগণিত হ'ব। আনহাতে, জাতীয় বীৰ-বীৰাংগনাসকলক শ্ৰদ্ধা জনাবলৈ কেৱল ছুটীৰ দিন ঘোষণা কৰাটোকে একমাত্ৰ প্ৰকৃষ্ট উপায় বুলি গ্ৰহণ কৰিলে বছৰটোৰ বেছিভাগ দিনকেই ছুটীৰ দিন বুলি ঘোষণা কৰিব লাগিব। কৰ্ম-বিমুখ অসমীয়াই নিশ্চয় সেই কথাটোকে খুব ভাল পায়; কিন্তু ছুটীৰ দিন ঘোষণা কৰাটোৱেই, অৰ্থাৎ কাম নকৰি বহি থকা বা সভা-সমিতি কৰাটোৱেই জাতীয় সন্ত-মহাপুৰুষ আৰু বীৰ-বীৰাংগনাসকলৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শনৰ প্ৰকৃষ্টতম উপায় বুলি বিবেচিত হোৱাটো উচিত নহয়। জাপানীসকলে প্ৰতিবাদৰ প্ৰতীক হিচাপে কেতিয়াবা বন্ধ পালন কৰিলেও কাম খতি নকৰে; অৰ্থাৎ অফিচ-কাছাৰী বা কল-কাৰখানালৈ নোযোৱাকৈ নাথাকে। 'বন্ধ' তথা প্ৰতিবাদৰ প্ৰতীক হিচাপে হাতত বা ডিঙিত এটুকুৰা ক'লা কাপোৰ মেৰিয়াই লৈ তেওঁলোকে কামেই কৰি থাকে। অসমীয়াসকলে এই কথা শুনি আচৰিত হ'ব যে জাপানীসকলক কাম কৰিবলৈ নহয়, কাম কৰাৰ পৰা বিৰত ৰাখিবলৈহে জাপানী চৰকাৰে নানা কৌশল আৰু প্ৰলোভনৰ সহায় ল'ব লগা হয়।

চিলাৰায় দিৱসত যোগ দিবলৈ চৰাইখোলালৈ যাওঁতে মই মনে মনে ভাবি গৈছিলো যে সভাৰ সকলো কাম-কাজ আৰু আলোচনা নিশ্চয় কোচ-ৰাজবংশী ভাষাত চলোৱা হ'ব। যোৱা কেইবছৰমানৰ আগৰ পৰা পশ্চিম অসম আৰু উত্তৰ বংগৰ কোচ-ৰাজবংশীসকলে তেওঁলোকৰ ভাষাক এটা স্বতন্ত্ৰ সুকীয়া ভাষাৰূপে প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰি আহিছে। তেওঁলোকৰ মতে, কোচ-ৰাজবংশীৰ ভাষা অসমীয়াৰ পৰা পৃথক এটা সুকীয়া ভাষা। মই ভাষাতত্ববিদ নহওঁ। অনধিকাৰ চৰ্চাৰ পৰাও মই বিৰত থাকিবলৈ চেষ্টা কৰোঁ। গতিকে কোচ-ৰাজবংশী ভাষাৰ সম্পৰ্কত মই একো মন্তব্য দিব নোখোজোঁ। কোনো কোনো ক্ষেত্ৰত বিখ্যাত ভাষাতত্ববিদসকলৰ ভৱিষ্যদ্বাণী আৰু মন্তব্যও মিছা বুলি প্ৰমাণিত হৈছে। ভাষাচাৰ্য সুনীতিকুমাৰ চট্টোপধ্যায়ে আশী বছৰমান আগতে এইবুলি ভৱিষ্যদ্বাণী কৰিছিল যে বড়ো ভাষা এদিন সমূলি বিলুপ্ত হ'ব। অসম আৰু বংগদেশৰ বড়োসকল এটা সময়ত যথাক্ৰমে অসমীয়াভাষী আৰু বাংলাভাষী বড়োত পৰিণত হ'ব। কিন্তু সেই ভৱিষ্যদ্বাণী মিছা বুলি প্ৰমণিত হোৱাটো আমি নিজৰ চকুৰ আগতে দেখিবলৈ পালোঁ। বিহাৰৰ মৈথিলী ভাষাও এটা সুকীয়া ভাষাৰূপে স্বীকৃত হৈছে। এনেস্থলত কোচ-ৰাজবংশী ভাষাৰ ভৱিষ্যৎ কি হ'ব সেই কথা আমি এতিয়াই থিৰাংকৈ ক'ব নোৱাৰোঁ। কিন্তু অসমৰ যোৱা ডেৰশ ঐতিহাসিক অভিজ্ঞতাই ভাষাৰ প্ৰশ্নত আনৰ সংবেদনশীলতাৰ প্ৰতি সহিযুও আৰু শ্ৰদ্ধাশীল হ'বলৈ মোক শিকাইছে।

কোচ-ৰাজবংশী ভাষাৰ লগত অসমৰ সকলো অঞ্চলৰ মানুহ পৰিচিত নহ'বও পাৰে। সেই কাৰণে কোচ-ৰাজবংশী ভাষাৰ এটা নমুনা তলত দিয়া হ'ল। নিখিল কমতাপুৰ ছাত্ৰ সংগঠনৰ মুখপত্ৰ 'কমতা বাণী'ৰ (৩১ জানুৱাৰী ২০০৫) সম্পাদকীয় প্ৰবন্ধৰ পৰা উদ্ধৃত তলৰ বাক্যকেইটাই অসমীয়া পাঠকসকলক কোচ-ৰাজবংশী ভাষাৰ এটা নমুনা দিয়াৰ উপৰি অসমীয়াসকলৰ বিৰুদ্ধে তেওঁলোকৰ মনত পুঞ্জীভূত হোৱা ক্ৰোধৰো কিছু আভাস দিব।

'কমতা কোচ ৰাজ্যয় আছিলেক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অন্তলীলাভূমি। মহাৰাজা নৰনাৰায়ণ আৰু সংগ্ৰাম সিংহ চিলাৰায়েৰ পৃষ্ঠপোষকতাত মহাপুৰুষজনায় ধৰ্ম, সমাজ, ভাষা, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰত সংস্কাৰধৰ্মী মনোভাৱ আৰু সৃজনীশক্তিৰ দ্বাৰা যেগিলা অপূৰ্ব যুগজয়ী সাহিত্য সৃষ্টি কৰি গেইছে অগুলাৰ জন্যই আইজকা বাচি আছে তথাকথিত অসমীয়া জাতি আৰু ভাষা-সাহিত্য-সংস্কৃতি। অসমীয়া জাত্যাভিমানী ব্যক্তিগুলায় শংকৰদেৱক পাঞ্জাৰেৰ শুয়া, বুকেৰ কইলজা বুলিয়া ভাবে। কিন্তু উমৰাগুলা জানিয়াও অজানাৰ ভণ্ডতা যুৰি থাকে — যেজন মহাপুৰুষক অসমীয়া জাতিৰ জনক বুলি কওয়া হয়, উমাক এক সময়ত 'বৰ অসমেৰ' ভেটি নিৰ্মাতাৰ বংশধৰ স্বৰ্গদেউয়ে ৰাজ্যত থাকি বিতাৰিত কৰিছিলেক। বিতাৰিত কৰায় নাহয়, গুণীৰ গুণ' নাবুজা স্বৰ্গদেউয়ে উমাৰ উপূৰা দায়িত্ব দিছিলেক হাতী ধৰাৰ আৰ হাতীয়ে গড় ভাঙি পালে যাওয়াৰ অপৰাধত উমাৰ জামাই হৰিক শিৰচ্ছেদ কৰছিলাক।' চৰাইখোলালৈ যাওঁতে মই মনে মনে ভাবি গৈছিলো যে চিলাৰায়ৰ দিৱসৰ সভাত ওপৰত উদ্ধৃত কৰা ধৰণৰ কোচ-ৰাজবংশী ভাষাই ব্যৱহাৰ কৰা হ'ব — যিটো ভাষা বুজিবলৈ মোৰ বিন্দুমাত্ৰ কষ্ট নহ'ব। যেনেকৈ কষ্ট নহয় বৰপেটা অঞ্চলৰ কথিত ভাষা বুজোঁতে। পৃথিৱীত এনে এটা ভাষা নাই — যিটো ভাষাত আঞ্চলিক বিভিন্নতা আৰু বৈশিষ্ট্য নাই। সুনীতিকুমাৰ চট্টোপাধ্যায়ে তেওঁৰ এটা প্ৰবন্ধত কথিত বাংলা ভাষাৰ চাব্বিশটা নমুনা উদ্ধৃত কৰি মন্তব্য কৰিছিল যে সেইবোৰৰ ভিতৰত কেইটামান নমুনাক বাংলা ভাষা বুলি চিনাক্ত কৰা প্ৰায় অসম্ভৱ; অথচ প্ৰতিটো নমুনাই পশ্চিমবংগ, অসম আৰু বাংলাদেশত বাস কৰা বাঙালীসকলৰ কথিত ভাষাৰ নমুনা। অৰ্থাৎ সকলো বাঙালীয়ে একেটা সৰ্বজনবোধ্য মান্য ভাষাকে লিখিত ভাষাৰূপে ব্যৱহাৰ কৰে যদিও বিভিন্ন অঞ্চলৰ কেইটামান কথিত বাংলা ভাষাৰ ৰূপ আনবোৰ বাঙালীৰ কাৰণে প্ৰায় দুৰ্বোধ্য। পৃথিৱীৰ সকলো ভাষাৰ ক্ষেত্ৰতে এই কথা প্ৰযোজ্য। নাগালেণ্ডৰ আংগামী নগাসকল এটা ক্ষুদ্ৰ জনগোষ্ঠী। কিন্তু মোৰ নগা বন্ধু চাৰ্লছ চেছিয়ে মোক কোৱা মতে, এখন আংগামী গাঁৱৰ মানুহে আন এখন আংগামী গাঁৱৰ ভাষা বুজি নাপায়। কিন্তু সেই বুলি তেওঁলোকে কোনেও নকয় যে তেওঁলোক আংগামী নহয়।

সি যি কি নহওক, মোক আচৰিত কৰি দি কোচ-ৰাজবংশী ছাত্ৰ সন্মিলনৰ দ্বাৰা উদ্‌যাপিত চিলাৰায় দিৱস পৰিচালনা কৰা হ'ল মান্য অসমীয়া ভাষাত। সভাপতি বিশ্বজিৎ ৰায়ক মই ক'লো — 'মই কিন্তু ইয়াত কোচ-ৰাজবংশী ভাষাত বক্তৃতা শুনিবলৈ আশা কৰি আহিছিলো।' তেওঁ হাঁহি এটা মাৰি মুখৰ ভিতৰতে কিবা এটা ক'লে; মই ভালকৈ ধৰিব নোৱাৰিলো। দুজনমান

বক্তাই অৱশ্যে কোচ-ৰাজবংশী ভাষাতেই বক্তৃতা দিলে; কিন্তু সভাৰ অন্যতম প্ৰধান বক্তা আৰু আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি অম্বিকাচৰণ চৌধুৰীয়ে তেওঁৰ সুদীৰ্ঘ পাণ্ডিত্যপূৰ্ণ বক্তৃতা দিলে বিশুদ্ধ মান্য অসমীয়া ভাষাত। অসম সাহিত্য সভাৰ সভাপতি পদৰ কাৰণে এজন অতি যোগ্য ব্যক্তি আছিল অম্বিকাচৰণ চৌধুৰী। তেওঁক সভাপতি নিৰ্বাচিত কৰা হ'লে কোচ-ৰাজবংশী আৰু 'তথাকথিত' অসমীয়াৰ মনান্তৰ বহুখিনি দূৰ হ'লহেঁতেন। কিন্তু অসম সাহিত্য সভাৰ নিয়মাৱলীখন এনেকুৱা যে পশ্চিম অসমৰ মানুহ সভাপতি পদৰ কাৰণে নিৰ্বাচিত হোৱাটো সহজ কথা নহয়। অম্বিকাচৰণ চৌধুৰীয়ে নিজেই অতি আক্ষেপেৰে সৈতে মোক এই কথা কৈছিল। চৰাইখোলাৰ অভিজ্ঞতাৰ পৰা মই এই কথাই বুজিলোঁ যে কোচ-ৰাজবংশীসকলৰ মনত নানা কাৰণত বহুতো ক্ৰোধ আৰু অভিমান পুঞ্জীভূত হ'লেও তেওঁলোকে এতিয়াই নিজৰ অসমীয়া পৰিচয় সম্পূৰ্ণৰূপে বিসৰ্জন দিব খোজা নাই, বা অসমীয়াসকলৰ লগত ব্যৱধানৰ দুৰ্লংঘ্য প্ৰাচীৰো গঢ়ি তুলিব খোজা নাই। ভাষাৰ প্ৰশ্নতকৈ আন যিটো প্ৰশ্নই আজি কোচ-ৰাজবংশীসকলৰ মন বেছিকৈ উদ্বেলিত কৰি তুলিছে, সেইটো হৈছে তেওঁলোকে জনজাতি হিচাপে স্বীকৃতি পোৱাৰ প্ৰশ্ন। বড়ো স্বায়ত্তশাসিত অঞ্চলত কোচ-ৰাজবংশীসকলে নিজকে দ্বিতীয় শ্ৰেণীৰ নাগৰিক বুলি অনুভৱ কৰিছে। আনহাতে, কোচ-ৰাজবংশীসকলে জনজাতিৰ স্বীকৃতি পালে বড়ো স্বায়ত্তশাসিত অঞ্চলত শক্তিৰ ভাৰসাম্যৰ আমূল পৰিৱৰ্তন ঘটিব; আনকি অঞ্চলটোৰ নামকৰণৰ ক্ষেত্ৰত 'বড়ো' শব্দটোৱেই সমস্যাৰ সন্মুখীন হ'ব। স্বাধিকাৰ-প্ৰতিষ্ঠা আৰু আত্ম-মৰ্যাদাৰ প্ৰশ্নত কোচ-ৰাজবংশীসকল বড়োসকলতকৈ পিছপৰি থাকিবলৈ ৰাজী হ'ব বুলি বিশ্বাস কৰিব নোৱাৰি। আটাইতকৈ বিপজ্জনক কথাটো হৈছে এই যে বড়োসকলৰ 'সশস্ত্ৰ সংগ্ৰামৰ সাফল্য'ই কোচ-ৰাজবংশীসকলকো নতুন চিন্তাৰ খোৰাক দিছে। একে আষাৰে ক'বলৈ গ'লে পশ্চিম অসমত এটা সমস্যাৰ তথাকথিত সমাধানে আন এটা জটিল সমস্যাৰ জন্ম দিছে। এই সমস্যা-শৃখলৰ ক'ত কেনেকৈ অন্ত পৰিব সেই কথা কোনেও ক'ব নোৱাৰে। ভৱিষ্যৎ অনিশ্চিত আৰু আতংকময়। ■

## এটি আলোকপাত

# মহানায়ক চিলাৰায়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু সেই সময়ৰ বৈষ্ণৱ সংকট

ড° কেশৱানন্দ দেৱ গোস্বামী

হাতী মাৰি (ৰাতিটোৰ ভিতৰতে) ভুৰুকাত ভৰাবলৈ আমি মহাপুৰুষতো নহৱেই, প্ৰতিভাধৰো নহয়। সেয়ে বলিৰ পঠা 'আমি ভৈলোঁ কৈকেয়ীৰ...' আপোনাসৱে যি কৰিছে, তাৰ এশভাগৰ এভাগো আমি কৰিব পৰা নাই — গুৰুজনাৰ নামত, তেৰাৰ বাবে। ভুলতো যেন ভবা নহয়, যে আমাৰ কথাত কিবা নতুন তথ্য, সম্ভেদ ওলাব। যথোচিতভাৱে যে দায়িত্ব পালন কৰিব নোৱাৰিম, সেই কথা ভালকৈ অৱগত হৈয়ো আহিছোঁ — আনুষ্ঠানিকতা ৰক্ষা কৰি।

বিষয়টিৰ সমল প্ৰকাশিত চৰিত-পুথিতে আছে —যিখিনি সৰ্বজনবিদিত। তাৰ ওপৰত নো আমাৰ আৰু অধিক কি থাকিব পাৰে? অৱশ্যে প্ৰতিটো কথাই আপুনি কেনেধৰণেৰে বুজে, কেনেভাৱে লয় বা গ্ৰহণ কৰে আৰু কি দৃষ্টিৰে তাৰ ব্যাখ্যা আগবঢ়ায়, সেয়াও গুৰুত্বপূৰ্ণ। ভবাৰ সাহস হোৱা নাই যে কিবা নতুন বা বেলেগ দৃষ্টিৰে কথাবোৰ বিশ্লেষণ কৰিবলৈ সমৰ্থ হ'ম। সেয়ে মোৰ শত দোষ ক্ষমা কৰে যেন। বিষয়ৰ সুবিচাৰত ব্যৰ্থ হ'লে ততাতৈয়াকৈ মাতি অনাসকলো দায়ী হ'ব। এতিয়া বিষয়টো চাওঁ।

মহানায়ক চিলাৰায়। ঘৰত মতা নাম নুনুৱা আৰু উজনিৰ আহোম ৰাজ্যৰ পৰা পৰাক্ৰমেৰে শুকুলা হাতী অনাৰ কাৰণে নাম হ'ল 'শুক্লধ্বজ'। যুদ্ধত চিলাৰ দৰে থপিয়াই শত্ৰু নিধন কৰা বাবে চিলাৰায়। ৰায় — ৰজা। তেওঁ ৰজা নহ'লেও মহাৰাজ নৰনাৰায়ণৰ ভায়েক — যুৱৰাজ। শংকৰদেৱৰ ভাষাত 'শ্ৰীশুক্লধ্বজ নৃপতি প্ৰধান'। নৰনাৰায়ণৰ 'শক্তি' আৰু 'বল-পৰাক্ৰম'ৰ ভৰসাৰ থলী ভায়েক এইজনাহে। সৰুতে দুয়ো ককাই-ভায়ে সংস্কৃতকে আদি কৰি বিভিন্ন বিষয়ৰ বিদ্যাত পাৰ্গত হয় আৰু গুণীৰ গুণ বুজি নিজৰ কোচ ৰাজ্যত জ্ঞাত বিদ্যাৰ প্ৰসাৰৰ বাবে প্ৰশংসনীয় প্ৰচেষ্টা হাতত লয়। দুয়ো ককাই-ভাই সুদক্ষ শাসকেই নহয় — বিদ্যোৎসাহী আৰু পৰম পণ্ডিতো। আজি অসমৰ টোলবোৰ আৰু বিশেষকৈ

সত্ৰসমূহত সংস্কৃত শিকাৰ বাবে ব্যৱহাৰ হোৱা ব্যাকৰণৰ যি সহস্ৰাধিক পাণ্ডুলিপি পোৱা যায়, সেই প্ৰয়োগ ৰত্নমালা ব্যাকৰণৰ প্ৰণেতা পুৰুষোত্তম বিদ্যাবাগীশ ভট্টাচাৰ্যই গ্ৰন্থখনিৰ আৰম্ভণিতে লিখিছে — শ্ৰীমল্লদেৱস্য গুণৈক সিন্ধুৰ্মহীমহেন্দ্ৰস্য যথা নিৰ্দেশম্। যত্ৰাৎ প্ৰয়োগোত্তম ৰত্নমালা বিতন্যতে শ্ৰীপুৰুষোত্তমেন।' গুণৰ সাগৰ, পৃথিৱীৰ মহেন্দ্ৰ স্বৰূপ এইজনা মল্লদেৱ নৃপতিৰ এনে সৎ কৰ্মত সহযোগ আৰু অনুপ্ৰেৰণা যোগাইছিল — শুক্লধ্বজেহে। ৰজাৰ বিষয়-বিপাকতে অধিক সময় যায়। ৰজাৰ  সোঁহাত, গাৰ লগৰ ছাঁৰ দৰে আছিল এই যুৱৰাজগৰাকী। নৰনাৰায়ণৰ ৰাজসভাতে এচাম বিদ্বান পণ্ডিতে ঠাই পাইছিল, তদুপৰি কবি-সাহিত্যকসকলক কেনেদৰে পৃষ্ঠপোষকতা কৰিছিল তাৰ উদাহৰণ ৰাম সৰস্বতীক মহাভাৰতৰ পদ কৰিবলৈ দিয়াৰ উল্লেখ —

'আমাক কৰিলা আজ্ঞা পৰম সাদৰে।
ভাৰতৰ পদ তুমি কৰিয়োক সাৰে।।
এবি বুলি ৰাজা পাছে কলাধি জোৱাই।
পঠাইলা পুস্তক সব আসামাৰ ঠাই।।
ধন ৰত্ন অলংকাৰ দিয়া বহুতৰ।
দাস-দাসী দিয়া মান বঢ়াইলা বিস্তৰ।।"

ৰাজতন্ত্ৰই কবি-সাহিত্যিক-শিল্পীৰ প্ৰতি দেখুওৱা আৰু এনে কাৰ্য গণতন্ত্ৰত কেনে চলিছে বিচাৰ কৰি চাবলগীয়া।

ৰজাই আজ্ঞা বা আদেশহে দিছিল, কাম সম্পাদন কৰোৱা হৈছিল — ডেকাৰজা বা যুৱৰাজ চিলাৰায়ৰ দ্বাৰা। সেয়ে তেওঁ মহানায়ক। আৰু শ্ৰীমন্ত শংকৰদেউ ? এইগৰাকী যুৱৰাজৰ সান্নিধ্যলৈ নহা হ'লে তেওঁৰ লগত বৈবাহিক সম্বন্ধত আৱদ্ধ নোহোৱা হ'লে আজি গুৰুজনাৰ ধৰ্ম-সংস্কৃতি ধূলিসাৎ হৈ পৰিলহেঁতেন। ইয়াৰ সমৰ্থনত আমি চৰিতৰ কথাকে চয়ন কৰিব লাগিব। নৰনাৰায়ণ ৰজাৰ ৰাশিত শনিগ্ৰহৰ প্ৰৱেশ ঘটা কাহিনীৰ পৰা আৰম্ভ হৈছে বুলিব পাৰি সেই যোগসূত্ৰৰ।

কছাৰীৰ উপদ্ৰৱত শংকৰদেৱকে ধৰি ভূঞাসকলে তিষ্ঠিব নোৱাৰি লুইতৰ উত্তৰপাৰলৈ পলাই যাবলৈ বাধ্য হ'ল। বৰদোৱাতেই অসমৰ প্ৰথমটি কীৰ্তনঘৰ স্থাপন কৰি তাত কীৰ্তন, যাত্ৰা-ভাওনা আৰু ধৰ্ম-চৰ্চাৰ পাতনি মেলিছিল কিন্তু ৰাজনৈতিক অস্থিৰতাত গুৰুজনাৰ জীৱনৰ উদ্দেশ্য আৰু লক্ষ্য পূৰণত প্ৰচণ্ড বাধা পৰিল। বিভিন্ন ঠাইত অস্থায়ীভাৱে থাকি গাংমৌ আৰু তাৰ পৰাও গৈ উজনিৰ ধুৱাহাট -বেলগুৰিত আপেক্ষিকভাৱে অলপ সুস্থিৰভাৱে থাকি প্ৰচাৰ-কাৰ্য চলাইছিল যদিও এচাম লোকৰ দুৰভিসন্ধিত ৰাজৰোষত পৰি তাৰ পৰাও ভটিয়াই আহি চুণপোৰা, কমাৰকুছি, বৰলচোং আদিত থিতাপি লৈ শেষত সেই বৰলচোঙতে অৰ্থাৎ পাটবাসীতে থিত লয় আৰু জীৱনৰ অধিকাংশ কাল তাতে কটায়। এচাম বিৰোধী লোকৰ উপদ্ৰৱ তেতিয়াও অব্যাহত আছিল যদিও পণ্ডিত-ব্ৰাহ্মণসকলৰ একাংশই গুৰুজনাৰ উদাৰ, মানৱীয় আৰু ব্যয়-বাহুল্যহীন সৰল ভাগৱত ধৰ্ম প্ৰচাৰত সহযোগিতা আগবঢ়াই ইয়াক বিয়পাবৰ যত্ন কৰিছিল।

ইপিনে উল্লেখ কৰি অহা শনিৰ দশাৰ হাত সাৰিবলৈ মহাৰাজ নৰনাৰায়ণ বৰনগৰত ৰ'লহি। শংকৰদেৱে শুনি ৰজাক তাতে দেখা কৰিলে। তেতিয়াই চিলাৰায়ে প্ৰথমবাৰ গুৰুজনাক দেখা পাই তেৰাৰ ব্যক্তিত্বত আকৰ্ষিত হৈ গুৰু মানিব খুজিছিল, কিন্তু ককায়েকৰ ভয়ত সেইবাৰলৈ ৰ'ল। ৰজা তাত আঢ়ৈ বছৰ থকাৰ পিছত দৈৱজ্ঞ পণ্ডিতে জনালে যে ইয়াত বেছিদিন থাকিলে ঘৰৰ দৰে হৈ পৰিব। গতিকে ৰজা তেতিয়া তাৰ পৰা ডিঙা নগৰলৈ

গ'ল। তাত থকা কালতে এক নাটকীয় ঘটনা ঘটে। ছোট দেৱান অৰ্থাৎ চিলাৰায়ৰ শ্ৰীদাম নামৰ লিগিৰা এজনে এদিন কুসুম্বৰৰ ভাতৃৰ পুত্ৰ ৰামৰায় ওৰফে জগতানন্দৰ কন্যা কমলপ্ৰিয়া আপীক দেখা পাই তেওঁৰ ৰূপ-গুণৰ কথা চিলাৰায়ক জনালে। যুৱৰাজ আকৃষ্ট হৈ সেই কন্যাক বিয়া কৰাই মুখ্য পটেশ্বৰী পাতিবলৈ মন কৰিলে। কায়স্থ কুলজ ৰামৰায়ে কোচ যুৱৰাজলৈ এনে অসবৰ্ণ বিবাহৰ প্ৰস্তাৱ প্ৰথমে মানি ল'ব খোজা নাছিল; কিন্তু শংকৰদেৱে সেই কালতে অসবৰ্ণ বিবাহত সন্মতি প্ৰদান কৰি ভতিজা জীয়েক ভুৱনেশ্বৰী ওৰফে কমলপ্ৰিয়াক চিলাৰায়লৈ দি আনুষ্ঠানিকভাৱে বিবাহ-কাৰ্য সম্পন্ন কৰোৱাত ভায়েকক সন্মত কৰালে। তাৰেই চিনস্বৰূপে ৰামৰায় কুঠী-ছত্ৰশালে আজিও সগৌৰৱে ঘোষণা কৰিছে — শংকৰদেৱৰ উদাৰতা, জাত-পাতৰ সামাজিক বান্ধোনৰ প্ৰতি শিথিলতা। ইতিমধ্যে শান্তিজান বান্ধি সেই কথা সাব্যস্ত কৰি থৈছিলেই। গতিকে ইও যেন এক অগ্নি পৰীক্ষা আছিল — শংকৰদেৱৰ কাৰণে। সেইবুলি এই কথা ভাবিলে ভুল হ'ব যে বৈবাহিক সম্পৰ্ক ঘটাৰ কাৰণেহে চিলাৰায় শংকৰদেৱৰ প্ৰতি আকৃষ্ট হৈ পৃষ্ঠপোষকতা আগবঢ়াইছিল। কাৰণ তাৰো আঢ়ৈ বছৰৰ আগতে প্ৰথমবাৰ গুৰুজনক বৰনগৰত দেখা পাই সেই ধৰ্ম ধৰিবৰ মন হৈছিল; চৰিতৰ ভাষাৰে — চিলাৰায়ে "তেজ শক্তি ঈশ্বৰ লক্ষণ দেখি গুৰু মানিবৰ চিত্ত ঃ দদায়েকৰ ভএ নহ'ল।" (ছেদ ২১২)। ইয়াৰ পিছত শংকৰদেৱে নিজৰ মতে ধৰ্ম প্ৰচাৰ আৰু সমাজ সংস্কাৰৰ কাম কৰি আছিল যদিও এচাম বিৰোধী লোকে নানা ধৰণে হিংসা, অসূয়া কৰি সেই কামত ব্যাঘাত জন্মাইছিল। ইপিনে শনিৰ প্ৰভাৱৰ পৰা মুক্তি পাবলৈ দৈৱজ্ঞৰ বিধান অনুসৰি নৰনাৰায়ণে ভেশছন কৰি সন্ন্যাসীৰ ৰূপ লৈ উজান ৰাজ্যলৈ গ'ল আৰু ৰাজ্যৰ গুৰুভাৰ পৰিল ছোট যুৱৰাজ চিলাৰায়ৰ ওপৰত।

এদিন ৰজা চিলাৰায় মৃগয়ালৈ যাওঁতে তেওঁৰ পত্নীসকলে মুখ্য পটেশ্বৰী কমলপ্ৰিয়াক এটি গীত গাবলৈ ক'লে; তেৰোঁ চাৰেংদাৰত শংকৰদেৱৰ ৰচিত বৰগীত 'পামৰু মন ৰামচৰণে চিত্ত দেহু' ধনশ্ৰী ৰাগত গাই থকা অৱস্থাতে চিলাৰায়ে আহি শুনি আপ্লুত হৈ পুনৰ ৰাতি শয্যাত গোৱালে। কাৰ ৰচনা বুলি সোধাত, আয়ে গুৰুজনাৰ নাম ক'লত চিলাৰায় আৰু আকৃষ্ট হ'ল — গুৰুজনাৰ প্ৰতি। চৰিতৰ মতে, গীতৰ সুৰ-সপ্ত আৰু গভীৰ অৰ্থত শুক্লধ্বজ মজি গ'ল আৰু ডিঙা নগৰলৈ আহি শংকৰদেৱক তুনি-নতি কৰি মাতি নি দহ টকাসহ কাপোৰ এসাজ দি হবিষ্যে থাকি শৰণ ল'লে।

শংকৰদেৱৰ ধৰ্মীয় আদৰ্শৰ জনপ্ৰিয়তা বৃদ্ধি হোৱাৰ লগে লগে ঈৰ্ষাপৰাণ এচাম ব্ৰাহ্মণে নৰনাৰায়ণ ৰজা ঘূৰি আহি ৰাজ্য শাসন কৰা কালত শংকৰগুৰুৰ বিপক্ষে নানা গোচৰ দি 'ধৰ্ম নষ্ট, দেশ ভ্ৰষ্ট' কৰি প্ৰজাৰো অহিত চিন্তা বুলি লগালে। বাগীশ ভট্টাচাৰ্যৰ পুত্ৰ বাগ চক্ৰৱৰ্তী, যাদৱেন্দ্ৰ, হিৰাই, মেৰাই, কেসেৰা কন্দলি — 'এই পাঁচোজনেই মুখ্য আৰু অনেক বামুণ, তান্ত্ৰিক, শাক্ত, হৰি বিমুখীয়া, হৰিভক্তি নসই' অৰ্থাৎ সহ্য নকৰে। নৰনাৰায়ণ ৰাজাত খল দিলে বোলে 'শংকৰে কাকো নামানে — দেউ-দেৱী, শ্ৰাদ্ধ-বিধি, মূৰ্তি পানীত পেলাই, ভাগৱত ভাঙি পদ কৰে। ব্ৰাহ্মণ, গংগা গীতা তুলসী, শালগ্ৰাম নামানে, নুপূজে। ব্ৰাহ্মণ, কৈৱৰ্ত, দৈৱজ্ঞ, কোচ, শূদ্ৰসৱে ভজাই, একত্তে খাই, কুলশীল, ধৰ্ম-কৰ্ম, বেদ-নীতি এৰি, এৰুৱাই দেশ গোটে তোমাৰ অনাচাৰী কৈলে, বেদ ভাগৱত ধৰ্ম ভ্ৰষ্ট অনাচাৰ যি দেশত, ৰাজা নাশ, ছত্ৰভংগী, মন্ত্ৰী হানি। প্ৰজা

দুৰ্ভিক্ষ- আকালত মাৰি-মৰক, গো-শস্য হানি, অবুদ্ধি। ৰাজা শুনি ৰাগি বোলে মোৰ দেশত মই থকাত এনে কৰে ! সজ। গৰমলি গৈ ধৰি আন। (স্মৰ্তব্য যে এই চৰিতৰ বক্তা চক্ৰপাণি ব্ৰাহ্মণ এগৰাকী বিচক্ষণ পুৰুষ, জ্ঞানী, তত্বজ্ঞ। এওঁ নৰোৱা সত্ৰৰ ৰমাকান্ত আতাৰ শিষ্য। এই ৰমাকান্ত অব্ৰাহ্মণ, কায়স্থ দামোদৰ আতাৰ পুত্ৰ — যি দামোদৰক চতুৰ্ভুজ ঠাকুৰে সম্বন্ধত ভাগিনীয়েক যদিও, অপুত্ৰক হৈয়ো পুত্ৰবোধে তুলি লৈছিল আৰু দামোদৰেই চতুৰ্ভুজৰ ক্ৰিয়া-কৰ্ম কৰি, পিছত পৰিত্যক্ত বৰদোৱা উদ্ধাৰ কৰি লুইতৰ দক্ষিণে বালিত সত্ৰ পাতিছিল। সেয়ে নৰোৱা বালিসত্ৰ, বৰাদোৱাৰ সমীপতে উত্তৰে; যি সত্ৰৰ 'চিত্ৰ ভাগৱত' আজি সৰ্বজন সমাদৃত।) আৰু সাক্ষী ধ্বজাৰ ঘৰ।

যি হওক, ৰাজ আজ্ঞাত পাঁচজন গৰমলি গৈ গুৰুজনাক নাপালে — হাথিয়া দলৈয়ে চকুৰ ঠাঁৰ দিয়াত মাজনিশা গোকুলচান্দ আতৈক ধৰি লগৰ কোন কোন আছে দেখুৱাই দিবলৈ ক'লে। তাত কাকো নাপাই মনথৈত ঠাকুৰ আতাক ধৰি নিলে; তেৰাৰ পত্নী বাৰবাহী আয়ো লগতে গ'ল। চৌখুটিতে কেওজনকে বন্দী কৰি থলে। ৰজাই হৰি গৰমলিক সুধিবলৈ দিয়াত নাজানো বুলিলে। হৰিয়ে ৰজাক জনোৱাত, ৰজাই বোলে অনাচাৰ নকৰে যদি শংকৰ কিয় পলাই যায়? — এয়ে প্ৰমাণ নহয়নে? সেইদৰে কোৱাত হৰি পুনৰ গৈ সুধিলে কিন্তু একো কথা উলিয়াব নোৱাৰি নানা শাস্তি কৰিও ভাগৰিল। হৰিষা নামৰ এটা গৰমলিয়ে বোলে মহাৰাজ, মই সৈ কঢ়াম এইবুলি গৈ সিও বিফল হ'ল। বাটৰুৱা লোকে তেওঁলোকক দিয়া খাদ্যসম্ভাৰ উভৈনদী হ'ল, তাৰ ভাগ হৰিষায়ো খাই অন্ত কৰিব নোৱাৰিলে। হৰিষাই ঠাকুৰ আতাতে শৰণহে ল'লে। উপায় নাপায় ৰজাই বন্দী দুজন আৰু আইক ভোটক বেচিবলৈ দিলে, ভোটেও নানা দুৰ্গতি কৰি বিফল হৈ ঘূৰাই পঠালে। গৰমলি আহি গুৰুজনাক লগ কৰিলে। গুৰুজনে আঢ়ৈমাহ কাল ওলাই-সোমাই ফুৰাত আকৌ থলুৱা-বিপক্ষী দুষ্ট সূচক ব্ৰাহ্মণে পুনৰ ৰজাত লগালে বোলে ভাগৱত পঢ়ে পঢ়াই, পদ কৰে গঙ্গা গীতা, তুলসী, শালগ্ৰাম, বেদ দেউ-দেৱী, সদাশিৱ-শংকৰে এইবোৰ কাকো নামানে, বৌধমতে প্ৰৱৰ্তি গোটেই দেশ নষ্ট কৰিলে। ৰজাৰ খং উঠি বোলে সিবাৰ পলাল, এইবাৰ পালে শংকৰৰ ছালেৰে দামা চাম, হাড়েৰে বাম। শ্ৰীকণ্ঠ বিদ্যাভূষণে থলুৱাৰ কথাত প্ৰতিবাদ কৰি জনালে যে তেওঁৰ শহুৰেক ৰামৰাম গুৰু শংকৰৰ বংশৰ পুৰোহিত, ক্ৰিয়া-কৰ্ম কৰে। আমাকে নি গীতা পাঠ কৰায়। (ৰামৰাম গুৰুৰ বংশই নৰোৱাৰ পুৰোহিত।)

তথাপি নামানি ৰজাই নয়নানন্দ ঢোপধৰা আৰু নজন গৰমলিক পঠালে শংকৰক ধৰি আনিবলৈ। নাপালে মাধৱদেৱ, নাৰায়ণ দাস আদিকে ধৰি আনিবলৈ আদেশ দিলে।

এই আদেশৰ কথা জানি শ্ৰীকণ্ঠ বিদ্যাভূষণে গুৰুপুত্ৰ ৰমানন্দ ঠাকুৰক গোপনে আগতীয়াকৈ জনালে। ঠাকুৰে কমলপ্ৰিয়া আইক জনোৱাত আৰু আয়ে প্ৰাৰ্থনা কৰাত দেৱানে টেকাই মাজি নামৰ মাজিক মাতি নি এশ টকাৰ টোপোলা বান্ধি তাক দি ক'লে — 'শীঘ্ৰে গৈ ৰজাৰ গৰমলি গৈ পোৱাৰ আগতে, ৰাতি-দিনকৈ হ'লেও শংকৰক আনি দে।'

চিলাৰায়ৰ এই সিদ্ধান্ত আৰু পৰৱৰ্তী কালত গ্ৰহণ কৰা ভূমিকাই শংকৰদেৱৰ বৈষ্ণৱ সম্প্ৰদায়ক যে নিৰ্যাতন-নিপীড়ন তথা অপমৃত্যুৰ পৰা ৰক্ষা কৰি গোটেই দৃশ্যপটকে সলাই পেলালে, সেই কথা সহজেই অনুমান কৰিব পাৰি। বিপক্ষী

ব্ৰাহ্মণৰ চামটোৱে উঠি-পৰি লাগিছিল — গুৰুজনাৰ উদাৰ সৰল ধৰ্মীয় সম্প্ৰদায়টো গুৰিতে উঘালি, ৰাজ-সাহায্যত তাক উচ্ছেদ, নিশ্চিহ্ন কৰি পেলাবলৈ। ৰজাও প্ৰত্যয় গৈ আনটো কথা বাদেই, শংকৰৰ গাৰ ছালেৰে দামা চোৱাই হাড়েৰে তাক বজাম বুলি সংকল্পবদ্ধ হৈছিল। এনে কঠোৰ স্থিতিক প্ৰতিহত কৰাৰ কোনো উপায় আৰু অৱকাশ নিচেই নাছিল; কিন্তু দৈৱক্ৰমে এগৰাকী গুণী-জ্ঞানী তথা আনৰ গুণ বুজা ব্ৰাহ্মণ পণ্ডিতৰ তৎপৰতাত কমলপ্ৰিয়াৰ যোগে চিলাৰায়েও গ্ৰহণ কৰা কৰ্মই সেইকালৰ বৈষ্ণৱ ধৰ্মৰ প্ৰেক্ষাপটেই সলনি কৰি পেলালে। টেকাই মাজিয়ে টকা পাই বুধি কৰি ৰজাৰ মানুহৰ চকুত ধূলি দি গুৰুজনক লৈ আহিল আৰু ঘাটত মানুহক দেখুৱাই ক'লে — বোলে শংকৰে দেৱানক ধন দিবলগীয়া আছে বাবে বন্দী কৰি অনা হৈছে। সেইক্ৰমে নি ৰায় আতাক সাখী কৰি চিলাৰায়ত খবৰ দিয়া হ'ল আৰু পতি-পত্নী দুয়ো নি শংকৰক তেওঁৰ আশ্ৰয়ত গোপনে ৰাখিলেগৈ। ৰজাৰ গৰমলিয়ে জনালেগৈ বোলে চিলাৰায়ৰ লোকে শংকৰক নি ৰাখিছে। ৰজাই ভায়েকক দূতৰ যোগে জনালে — গুৰুজনক পঠাবলৈ। কিন্তু চিলাৰায়ে নপঠায় — ভয় কৰে, কিবা অনিষ্ট কৰে বুলি। কেইবাবাৰো দূত পঠোৱাতো তেওঁ নোৱাৰোঁ পঠাব বোলাত দুই ককাই-ভাইৰ মাজত মনোমালিন্য হৈ দুয়োৰে যুদ্ধ লাগে যেন হ'ল। গুৰুৱে চিলাৰায়ক ক'লে — মোক এৰি দিয়া যাওঁ তালৈ। বামুণলৈ মোৰ ভয় নাই; ৰজাই কিবা অন্যায় কৰে বুলিহে ভয়। চিলাৰায়ে জনালে — বোলে ৰজালৈ ভয় কৰিব নালাগে। মই আছোঁ। সি ৰাজ্য শাসন কৰিছে— পিতলৰ মূৰ্তিৰ দৰেহে। যুদ্ধ-বিগ্ৰহত মইহে আগ। কিন্তু মই বামুণসকলকহে একো কৰিব নোৱাৰোঁ। সেই মতে যুৱৰাজে ৰজাক জনালে — ডোঙ্কাসহ তামুলীক পঠাবলৈ। সেই অনুসৰি পঠাই গুৰুৰ ডাঁৰৰ বাৰ্তা ডাঁৰে লৈ থাকিল।

গুৰুজন গৈ দোপদৰত উঠি তোটক ছন্দত 'মধু দানৱ দাৰণ' তোটয়টি গাই আগবাঢ়িল। ৰাজ আজ্ঞাত বহি 'নাৰায়ণ কাহে ভকতি' গীতটি যুৰিলে আৰু 'জয় জয় মল্ল নৃপতি ৰসাজান' ভটিমাটি গালে।

ৰজা পৰম সন্তোষ হৈ তেওঁ কৰা আঠোটি শ্লোকৰ ব্যাখ্যা-চৰ্চা কৰিবলৈ কোৱাত ৰজা আচৰিত হ'ল। শেষত ৰজাই সসন্মানে জনালে — যাওকগৈ, 'আগবেলা নুনুৰ ঠাইত থাকিব, পিছবেলা আমাৰ ঠাই অহা যাব।'

ইয়াৰ পিছতো অনেকবাৰ বিৰোধী ব্ৰাহ্মণ পণ্ডিতৰ লগত ৰাজসভাত তৰ্ক-বাদ, ব্যাখ্যা আদিৰ যোগে গুৰুজন জয়ী হয় আৰু শেষত নৰনাৰায়ণে শংকৰত শৰণ ল'বলৈকে মন কৰে। হেন সময়তে গুৰুজন বৈকুণ্ঠী হয়।

এইদৰে দেখা যায় যে চিলাৰায়ৰ মধ্যস্থতা আৰু তৎপৰতাতে শংকৰদেৱৰ বৈষ্ণৱ ধৰ্ম সুৰক্ষিত হৈ ৰ'ল; যুৱৰাজ নোহোৱা হ'লে আজি হয়তো এই ধৰ্ম বিলুপ্তিৰ গৰ্ভত লীন হ'লহেঁতেন। কোচ ৰাজবংশী ৰজাসকলৰ দৰেই এতিয়াও সেই সম্প্ৰদায়ৰ লোকৰ ভূমিকা, আগ্ৰহ দেখি বিস্মিত, অভিভূত হ'ব লাগে। সীমিত সময় আৰু জ্ঞান-অভিজ্ঞতাৰো সীমাৱদ্ধতা হেতু বিষয়টোৰ সুবিচাৰ কৰিব পৰাত ব্যৰ্থ হোৱা বাবে নিজই দায়ী বুলি অকপটে স্বীকাৰ কৰোঁ। কিন্তু যেতিয়া জ্বলন্ত সাক্ষী স্বৰূপে পৰম্পৰা অৱলোকন কৰা যায়, তেতিয়া কথাবোৰে মনত দকৈ সাঁচ বহুৱায়। চিলাৰায়ক লগ পোৱাৰ আগতেই গুৰুজনাক কোলাই-বোকাই তুলি-তালি ডাঙৰ-দীঘল কৰা ধ্বজা বনবৰাৰ বংশধৰ হৰিচৰণ বৰা আতৈয়ে আমাৰ সত্ৰত নাম

লগোৰা হৈ প্ৰসংগ কৰাৰ কথা যেতিয়া দেখিছিলোঁ, অলপ ডাঙৰ হৈ চন্দৰী আয়ে ৰখা গুৰুজনাৰ পদধূলা আমাৰ সত্ৰতে থকা বুলি শুনি, বৰদোৱা গুৰুচৰিতত পঢ়িবলৈ পাইছিলোঁ আৰু তেওঁলোক কোচ সম্প্ৰদায়ৰ বুলি জানিছিলোঁ, তেতিয়াই মনলৈ কেইবাটাও কথা আহিছিল। তেনেদৰে একে সম্প্ৰদায়ৰে ৰঘুপতিৰ পুত্ৰই চিহ্নযাত্ৰাত ভাও লোৱা আৰু সেই বংশৰে লোক কেন্দাই পাঠক আতৈয়েও মণিকূটৰ বাহিৰতে নাম-প্ৰসংগ কৰা দেখিছিলোঁ; তেতিয়াও নানা প্ৰশ্ন মনত উদয় হৈছিল। অন্য ক'ৰবাত সেই দুগৰাকীৰ বংশধৰ আছে নে নাই নাজানো, কিন্তু এয়া চৰিতত বৰ্ণিত কথাৰ লগত পৰম্পৰাৰ প্ৰত্যক্ষ সাক্ষী যে কোচ সম্প্ৰদায়ৰ লোকসকলৰ ভূমিকা অৱদান গুৰুজনাৰ ব্যক্তিগত জীৱনতো আছিল অসীম। শৈশৱৰ পৰা এই কথাৰ তেনেবোৰ প্ৰমাণৰ উপৰি বৈকুণ্ঠৰ পট আঁকোতে ঘৰুৱা আলধৰানী চন্দৰী আয়ে খুঁত দেখুওৱা কথায়ো সাধাৰণ নাৰীৰ জ্ঞান-অভিজ্ঞতাৰ বিষয়ে অৱগত কৰোৱায়। বাউসীৰ কাষৰ নদীত কাপোৰ ধুই থাকোঁতে নামঘোষাৰ এফাকি গাই থকা চন্দৰীৰ মুখত শুনিয়েই শংকৰদেৱৰ লগত তৰ্ক কৰিবলৈ অহা ব্ৰাহ্মণ পণ্ডিত বিভংগে উভতি যোৱাৰ কাহিনীও স্মৰ্তব্য। মুঠতে কায়স্থ শংকৰৰ লগত কোচ সম্প্ৰদায়ৰ আশৈশৱ সহৃদয়তা-সহযোগৰ উপৰি কমলপ্ৰিয়া আপীৰ যোগে বৈবাহিক সূত্ৰে আৱদ্ধ হোৱাৰ পিছত কোচ যুৱৰাজৰ সমৰ্থন-সহযোগ যে সুদৃঢ় হৈ পৰে, সেই বিষয়ত সন্দেহৰ কোনো অৱকাশ নাই। ■

*টোকা ঃ শংকৰ দাস, অনুপম কুমাৰ সম্পাদিত "চিলাৰায় শংকৰদেৱ আৰু সেই সময়ৰ বৈষ্ণৱ সংকট" নামৰ গ্ৰন্থৰ পৰা।*



*প্ৰথম কোচ ৰাজ পৰিয়ালৰ সাংসদ (১৯৫৯, মঙ্গলদৈ লোকসভা সমষ্টি) ৰাণী মঞ্জুলা দেৱীৰ লগত প্ৰয়াত কুমাৰ জিতেন্দ্ৰ দেৱ (বাওফালে) আৰু প্ৰয়াত খগেন্দ্ৰ নাৰায়ণ দেৱৰ (সোঁফালে) লগত ৰাজপৰিয়ালৰ মহিলা সদস্য*

# কেন্দুকলাই, নৰনাৰায়ণ, চিলাৰায় আৰু কিছু অপবাদ

ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ

নৰনাৰায়ণ আৰু চিলাৰায়ৰ নাম যিসকলে জানে সেইসকলে কেন্দুকলাইৰ নামো জানে। কামাখ্যা দেৱী মন্দিৰৰ মুখ্য পূজাৰী কেন্দুকলাই এগৰাকী জ্ঞানী আৰু প্ৰসিদ্ধ লোক আছিল বাবেই মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ৰ পৃষ্ঠপোষকতাত সেই সময়তো ভাৰত বিখ্যাত পৱিত্ৰ কামাখ্যা দেৱীৰ মন্দিৰৰ গুৰু দায়িত্ব লাভ কৰিবলৈ সক্ষম হৈছিল। কলাইগাঁৱৰ দৰে অঞ্চলৰ পৰা গৈ কামাখ্যা দেৱী মন্দিৰৰ মুখ্য পূজাৰীৰূপে দায়িত্ব পাইছিল একমাত্ৰ বংশগত সুনাম আৰু নিজৰ ব্যক্তিত্বৰ বাবেই এয়া আজিও কলাইগাঁও অঞ্চলৰ বাবে ইতিহাস গৰিমা আৰু কম সন্মানৰ কথা নহয়।

কি পৰিস্থিতিত আৰু কেনেদৰে কেন্দুকলাই মুখ্য পূজাৰীৰূপে দায়িত্ব পাইছিল সেই বিষয়ে নাজানিলেও এইটো ঠিক যে মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ৰ নিচেই ওচৰ চাপিব পৰা লোক আছিল তেওঁ। ৰাজ ভাতৃদ্বয়ে সঘনাই যে কামাখ্যা মন্দিৰ দৰ্শন কৰিছিল সেই কথা তেখেতসকলে কামাখ্যা দেৱী মন্দিৰ দৰ্শন, পূজা-অৰ্চনা কৰাৰ উপৰিও তাৰ ৰক্ষণা-বেক্ষণ আৰু তদাৰকীৰ দৰে কামসমূহৰ বিষয়ে নিশ্চয় মুখ্য পূজাৰীজনৰ লগত আলোচনা কৰিছিল। কামাখ্যা দেৱী মন্দিৰ পুনৰ নিৰ্মাণৰ স'তে মেঘমুকদম জড়িত আছিল যদিও সেয়া একমাত্ৰ নিৰ্মাণ কাৰ্যতহে। মন্দিৰ ৰক্ষণা-বেক্ষণৰ বাবে নিশ্চয় নহয়। কামাখ্যা দেৱী মন্দিৰৰ উপৰিও ৰাজ্যৰ আন বহুকেইটা মন্দিৰৰ পুনৰ নিৰ্মাণ ৰাজভাতৃদ্বয়ৰ পৃষ্ঠপোষকতাত মেঘমুকদমে সম্পন্ন কৰিছিল।

সেইবোৰ বেলেগ কথা, আমি এই নিৱন্ধত কেন্দুকলাই, মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ৰ সৈতে জড়িত এটি প্ৰবাদ (অপবাদ)ৰ প্ৰসঙ্গ দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ। ইতিহাসৰ এশ শতাংশ কথাই যে সত্য নহয় সেই বিষয়ে ইতিহাস অধ্যয়ন কৰা যিকোনো লোকৰে জ্ঞাত। কেন্দুকলায়ে মুখ্য পূজাৰী হৈ কামাখ্যা দেৱীৰ

মন্দিৰত পূজা-অৰ্চনা কৰা আৰু নৰনাৰায়ণ, চিলাৰায়ে দেশ শাসন কৰা আজি প্ৰায় পাঁচশ বছৰৰো অধিক হ'ল। নৰনাৰায়ণ আৰু চিলাৰায়ৰ যেনেদৰে স্বাভাৱিক মৃত্যু হৈছিল (চিলাৰায়ৰ মৃত্যু গৌড় ৰাজ্য জয় কৰি ওভতাৰ পথত গঙ্গাৰ পাৰত ১৫৭১ চনত আৰু মহাৰাজ নৰনাৰায়ণ বাৰ্ধক্যজনিত কাৰণত নিজ ৰাজ্যৰ ৰাজধানীত স্বাভাৱিক মৃত্যু) তেনেদৰে নিশ্চয় কামাখ্যা দেৱী মন্দিৰৰ মুখ্য পূজাৰী কেন্দুকলাইৰো স্বাভাৱিকভাৱে বাৰ্ধক্যজনিত কাৰণত মৃত্যু হৈছিল। কাৰণ তেখেতৰ জীৱন-বৃত্তান্ত বেলেগে আৰু পোৱা নাযায়। ৰজা-মহাৰজাসকলৰ দৰে ইতিহাসে পূজাৰী এজনৰ বিষয়ে তাতকৈ আৰু বেছি একো লিখিত তথ্য ৰাখি নাযায়।

নীলাচল পাহাৰত কামাখ্যা মন্দিৰ নিৰ্মাণ কৰি নৰনাৰায়ণ আৰু চিলাৰায়ে ইতিহাসৰ এক নজিৰ ৰাখি থৈ যুগমীয়া কৰিবৰ বাবে দুয়োৰে প্ৰস্তৰ মূৰ্তি গঢ়াই সেই চৌহদত স্থাপন কৰিছিল। কামাখ্যা দেৱীৰ মন্দিৰ পুনৰ নিৰ্মাণ কৰি মহাৰাজ নৰনাৰায়ণ আৰু যুৱৰাজ চিলাৰায়ে প্ৰত্যক্ষভাৱে মন্দিৰ পৰিচালনা কৰাটো সত্য। এইটোও নিশ্চয় সত্য যে মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ৰ পিছত তেখেতসকলৰ বংশধৰ সকলেই সেই মন্দিৰ পৰিচালনা কৰিছিল বা কৰিলেহেঁতেন। কাৰণ নৰনাৰায়ণ আৰু চিলাৰায়ে জয় কৰা ৰাজ্য ভাগ-বাটোৰৰা কৰিয়েই হওক বা যেনেদৰেই হওক পৰৱৰ্তী কালত তেখেতসকলৰ বংশধৰ সকলে ক্ষয়ীযুক্ত শাসন ক্ষমতাৰেই কামাখ্যা দেৱীৰ মন্দিৰো পৰিচালনা কৰিছিল — ৰাজ্যৰ আন আন মন্দিৰ পৰিচালনা বা পৃষ্ঠপোষকতা কৰা ধৰণে। এইটো ঠিক যে পৰৱৰ্তী কালত নৰনাৰায়ণ আৰু চিলাৰায়ৰ বংশধৰসকলৰ কোনো এজন ৰজাই সেই শৌৰ্য-বীৰ্য পৰাক্ৰমেৰে ৰাজ্য বিস্তাৰ আৰু শাসন কৰিব নোৱাৰিলে। আনকি এটা সময়ত চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ আৰু নৰনাৰায়ণ আৰু তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণৰ মাজৰ গৃহ কন্দলে কোচ ৰাজবংশক বহু দুৰ্বল কৰি পেলাইছিল। পিছলৈ আনকি মান-মৰ্যাদা আৰু ক্ষমতা দ্ৰুতগতিত ক্ষয় হৈছিল।

ঠাৰৰ কৰিব পাৰি যে ঠিক তেনে এটা সময়তেই সুযোগ সন্ধানী এচাম লোকে কামাখ্যা দেৱীৰ মন্দিৰ আৰু তাৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ লগতে দেৱীৰ প্ৰতি থকা বিশাল ভাৰতবৰ্ষৰ লোকৰ বিশ্বাস আৰু আনুগত্যক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিবলৈ পৰিকল্পিতভাৱে এক অপবাদ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি দিলে। আজি বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত সকলো কথা বিনা বাক্যই মানি ল'বলৈ টান হৈছে। হয়, স্বীকাৰ কৰোঁ যে এশ, দুশ অথবা তিনিশ বছৰে চলি অহা জনপ্ৰবাদ (অপবাদ) আজি যুক্তিৰে বিচাৰ কৰি চাবলৈ লৈছোঁ।

প্ৰবাদ আছে (?) কামাখ্যা মন্দিৰৰ মুখ্য পূজাৰী কেন্দুকলায়ে যেতিয়া আৰাধনাৰ অন্তত কামাখ্যা দেৱীক একমনে চকু মুদি পূজা কৰি থাকে তেতিয়া হেনো কামাখ্যা দেৱী কোনো এটা বিশেষ দিনৰ বিশেষ ক্ষণত সম্পূৰ্ণ উলঙ্গ হৈ নাচিব ধৰে। এই কথা কেনেবাকৈ ৰাজ ভাতৃদ্বয়ৰ জ্ঞাত হয় আৰু মুখ্য পূজাৰীক আঁকোৰগোজ হৈ ধৰে মা কামাখ্যাৰ সেই উলঙ্গ ৰূপৰ নৃত্য প্ৰদৰ্শন দৰ্শনৰ সুবিধা কৰি দিবলৈ। ৰাজদণ্ডৰ ভয়তে হওক অথবা ৰাজ আনুগত্যতেই হওক পূজাৰী কেন্দুকলায়ে ৰাজভাতৃদ্বয়ক দিন, বাৰ আৰু সময়ৰ কথা কোৱাৰ উপৰিও মন্দিৰৰ বেৰত ছিদ্ৰ ৰাখি ৰাজভাতৃদ্বয়ক কামাখ্যা দেৱীৰ উলঙ্গ দেহৰ নৃত্য চোৱাৰ সুবিধা কৰি দিছিল। সেই মতে যথা সময়ত পূজাৰী

কেন্দুকলাইৰ ইঙ্গিতত ৰাজভাতৃদ্বয়ে কামাখ্যা দেৱীৰ উলঙ্গ দেহৰ নৃত্য প্ৰত্যক্ষ কৰে আৰু তেনে সময়তে এপাকত দেৱীৰ চকুত ৰাজভাতৃদ্বয়ে সেই নৃত্য উপভোগ কৰি থকা দেখি খঙত অগ্নিশৰ্মা হৈ লগে লগে অন্তৰ্ধান হোৱাৰ উপৰিও দেৱবাণীৰে শুনাই দি কাৰ্যতো অভিশাপেৰে প্ৰতিফলন ঘটাই ৰাজভাতৃদ্বয়ক প্ৰস্তৰ মূৰ্তিলৈ পৰিৱৰ্তন কৰে (অৰ্থাৎ মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ৰ তেতিয়াই দেহাৱসান হয়)। অকল তাতেই দেৱী ক্ষান্ত নাথাকি মুখ্য পূজাৰী কেন্দুকলাইৰ গালত এটা প্ৰচণ্ড চৰেৰে এনেদৰে আঘাত কৰে যে কেন্দুকলাইৰ ডিঙিৰ পৰা শিৰচ্ছেদ হৈ মূৰটো খহি কলাইগাঁৱত পৰে। (অৰ্থাৎ জনপ্ৰবাদ ৰচোঁতাসকলে ইয়াকো বোধহয় ক'ব খোজে যে কেন্দুকলাইৰ জন্ম হোৱা বাবে নহয় শিৰচ্ছেদ হৈ পৰা স্থানৰ বাবেহে 'কলাইগাঁও' নাম হয়)।

আমোদজনক কথা এইটো যে প্ৰবাদ (? অপবাদ) ৰচাৰ, কিছুবছৰ পিছত নিশ্চত ইয়াকো সংযোজন কৰা হ'ল যে দেৱীৰ শাপ অকল মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ে ভুগিলেই নহ'ব, পৰৱৰ্তী কালত তেখেতসকলৰ বংশৰ কোনো লোকেই এই মন্দিৰ দৰ্শন কৰিব নোৱাৰিব। কৰিলেও তেখেতসকলৰ অমঙ্গলেই অমঙ্গল হ'ব।

এনেদৰেই এক অবৈজ্ঞানিক অযুক্তিৰ কথাৰে ৰাজ ভাতৃদ্বয়ৰ পৰিয়ালৰ সকলোকে কামাখ্যা দৰ্শনৰ পৰা বঞ্চিত কৰা হ'ল। যেনেদৰে বুৰঞ্জীত জ্ঞানী-গুণী বুলি খ্যাত নৰনাৰায়ণ-চিলাৰায় ভাতৃদ্বয়ৰ ওপৰত এক ক্ষমাহীন অপবাদ জাপি দিয়া হ'ল। বুৰঞ্জীৰ অৱধাৰিত নিয়মেৰে আন আন ৰাজবংশৰ শৌৰ্য-বীৰ্য কমি যোৱাৰ দৰে নৰনাৰায়ণ চিলাৰায়ৰ বংশধৰ সকলৰো কমি যোৱাত আৰু তাৰ সুযোগতে গোটেই বংশৰ ওপৰত প্ৰচণ্ড আঘাত হানি এই প্ৰবাদ (অপবাদ) ৰচনাৰে ভীতিগ্ৰস্ত কৰি তেখেতসকলক কামাখ্যা দেৱী মন্দিৰৰ সকলো কথাৰ পৰাই আঁতৰাই ৰখা হ'ল। উত্তৰাধিকাৰী সূত্ৰে পাব পৰা যিকোনো অধিকাৰৰ পৰা দেখদেখকৈ আঁতৰাই দিয়া হ'ল সকলোকে ভীতিগ্ৰস্ত কৰি। আনহাতে এই বংশধৰসকলেও পৰৱৰ্তী কালত এই প্ৰবাদ (অপবাদ) বিনা দ্বিধাই মানি লৈ পৰম্পৰাগতভাৱে ৰক্ষা কৰি যোৱাটোহে বৰ আচৰিত বিষয়। হয়তো অৰ্থ, ক্ষমতা, শাসন সকলো হেৰুৱাই এই বংশৰ লোকসকলে যুক্তি-যুক্ততা আৰু বিশ্লেষণ কৰি চোৱাৰ পৰা আঁতৰি থাকি একমাত্ৰ জীয়াই থকাৰ তাড়নাত জীৱন সংগ্ৰামত ব্যস্ত হ'ল। চতুৰ প্ৰবাদ (অপবাদ) ৰচোঁতাসকলে দূৰৈৰ পৰাই সকলো মাথোন নিৰীক্ষণ কৰি নিজ স্বাৰ্থ সিদ্ধি কৰিলে।

এতিয়া সকলো কথাই যুক্তি আৰু বিজ্ঞানৰ দৃষ্টিৰে চোৱাৰ সময়। যিসকল লোক যুক্তি আৰু বিজ্ঞানত বিশ্বাসী তেখেতসকলে এই প্ৰবাদ (অপবাদ)ৰ ওপৰত কেইটামান প্ৰশ্ন বিদ্বৎ সমাজৰ আগত দাঙি ধৰাৰ লগতে মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ৰ বংশধৰ সকলক প্ৰশ্নবোৰ জুকিয়াই চাই সময়ৰ স'তে মূৰ দাঙি খোজ কাঢ়িবলৈ আহ্বান জনাইছে। প্ৰশ্নকেইটা হ'ল —

১) মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায় কামাখ্যা দেৱীৰ শাপত যদি প্ৰস্তৰ মূৰ্তি আকাৰেৰে মৃত্যু হৈছিল তেনেহ'লে তেখেতসকলৰ (চিলাৰায়ৰ মৃত্যু গঙ্গাৰ পাৰত আৰু নৰনাৰায়ণৰ মৃত্যু নিজ ৰাজ্যৰ ৰাজধানীত ভিন্ন সময়ত স্বাভাৱিক মৃত্যু কেইটা কি?

২) ইতিহাসে কয় কামাখ্যা দেৱীৰ মন্দিৰ প্ৰাঙ্গনত থকা প্ৰস্তৰ মূৰ্তি দুটা মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ৰ নিৰ্দেশতহে নিৰ্মিত হৈছিল।

তেন্তে এই প্ৰবাদ বা অপবাদৰ আঁৰৰ ৰহস্য কি?

৩) ক্ষমা হেনো স্বৰ্গীয় বস্তু। দেৱীৰ ওচৰত ক্ষমা নাছিল নে? নেথাকিলেও নৰনাৰায়ণ আৰু চিলাৰায়ে কৰা দোষ বা ভুলৰ বাবে বংশানুক্ৰমে শ শ বছৰলৈ শাও-পাত চলিয়ে থাকিবনে?

৪) কেন্দুকলাই, নৰনাৰায়ণ আৰু চিলাৰায়ক কেন্দ্ৰ কৰি যি প্ৰবাদ (অপবাদ) চলি আছে, কেতিয়াবা বিষয়টো বিজ্ঞানৰ দৃষ্টিৰে অথবা যুক্তিৰে বিচাৰ কৰি চোৱা হৈছিলনে? নে দেখাক দেখি অথবা ভয় বিহ্বল হৈ বংশানুক্ৰমে আটায়ে নিৰ্বিবাদে সকলো অপবাদ-অপযশ বহন কৰি আছে?

মোৰ এই নিৱন্ধৰ বিষয়টোৰ ওপৰত মতামত ৰাখিবলৈ গৈ কাৰোবাক তাচ্ছিল্য বা উপহাস কৰাৰ উদ্দেশ্য নাই। উদ্দেশ্য হ'ল লিখিত বা বুৰঞ্জীত সন্নিবিষ্ট নহ'লেও জনপ্ৰবাদেৰে অসম আৰু অসমীয়াৰ প্ৰাণ পুৰুষ শ্ৰীশ্ৰীশংকৰদেৱক পৃষ্ঠপোষকতা কৰি অসমীয়া সমাজক শ্ৰেষ্ঠত্ব দান কৰা, ইতিহাসত নজিৰ ৰাখিব পৰা শাসনকাল অতিবাহিত কৰা সংস্কৃতবান আৰু নৈতিকতাৰ প্ৰতীক অসম বুৰঞ্জীত এই দুগৰাকী মহান ব্যক্তি নৰনাৰায়ণ আৰু চিলাৰায়ক মিছা অপবাদেৰে হেয় কৰাৰ বিষয়টো যুক্তিৰে বিচাৰ-বিশ্লেষণ কৰি প্ৰকৃত সত্য জনমানসত প্ৰতিষ্ঠা কৰা। আনহাতে তেখেতসকলৰেই বংশধৰ সকলে পৰৱৰ্তী কালত অযুক্তিকৰভাৱে কামাখ্যাদেৱী আৰু মন্দিৰ দৰ্শন নকৰি থকাটো সমীচীন হ'বই নোৱাৰে। এয়াই হ'ল আমাৰ নিৱন্ধৰ মূল উদ্দেশ্য। বিজ্ঞানৰ দৃষ্টিৰে আৰু যুক্তিৰে কথাবোৰ উপস্থাপন কৰিবলৈ যাঁওতে কাৰোবাৰ বিশ্বাসত যদি আঘাত লাগিছে তাৰ বাবে নিৱন্ধৰ অন্তত মই সেই সকলৰ ওচৰত ক্ষমা মাগিছোঁ। ■

*(শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ সাহিত্য সভাৰ ২০০৫ চনৰ কলাইগাঁও অধিৱেশনৰ স্মৃতিগ্ৰন্থ 'খাম্পাহোলা'ত প্ৰকাশিত)*

# ৰসিক গুৰু চিলাৰায়ৰ মামৰে খোৱা তৰোৱাল

অম্বিকাচৰণ চৌধুৰী

**ৰসৰ উৎস**

এই ৰস জিভাৰে আস্বাদন কৰিব পৰা ৰস নহয়; তেনে ৰস বাহ্যিক আৰু ক্ষণস্থায়ী। এই ৰস হৈছে উচ্চ সাহিত্য-কৰ্মৰ পৰা নিসৃত হোৱা নৱৰস। উচ্চমানৰ নন্দনতাত্বিক অলঙ্কাৰযুক্ত সাহিত্যৰ পৰাহে কালজয়ী সাহিত্যিক ৰসৰ সৃষ্টি। এই সাহিত্য-কৰ্ম লোকৰ হিতাৰ্থে হ'লে প্ৰকৃত সাহিত্য নাম পায়। কাৰণ সাহিত্য শব্দত হিত অন্তৰ্নিহিত থাকে; স+হিত অৰ্থাৎ সৈতে যি যুক্ত; সহ+ইত যোগতো সাহিত্য শব্দ গঠিত হ'ব পাৰে; যাৰ অৰ্থ গতি বা সঙ্গতি, য'ত সাধিত হয় সেয়েই সাহিত্য, যাৰ ৰচনাত পঞ্চপ্ৰাণ প্ৰস্ফুটিত থাকে। এই পঞ্চপ্ৰাণ হৈছে ভাব, ভাষা,যুক্তি, ছন্দ আৰু অনুৰণন। দ্বাদশ শতিকাৰ শেষ ভাগত আৰু ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগত উৰিষ্যাৰ পুৰীত থকা জগন্নাথ মন্দিৰৰ দেৱদাসী পদ্মাৱতীক স্ত্ৰীৰূপে লাভ কৰাত কবি জয়দেৱৰ হৃদয়ত যি প্ৰেমৰ জোৱাৰ উঠিছিল, তাৰেই উত্তাল লহৰত তিতিবুৰি কবিয়ে 'গীত গোবিন্দ' ৰচনা কৰিছিল সংস্কৃত ভাষাত। এই 'গীত গোবিন্দ' খনি দেখাত ৰাধা-কৃষ্ণৰ দৈহিক, আত্মিক আৰু অতীন্দ্ৰিয় প্ৰেমৰ অপূৰ্ব্ব চিত্ৰণ। তাকেই দেৱদাসী পদ্মাৱতীয়ে সুৰ, তাল, লয়, মান, ৰাগ-ৰাগিনী সংযোজন কৰি গীত ৰূপে গাইছিল আৰু গীতৰ ভাৱৰ ছেৰেঁ ছেৰেঁ নৃত্যৰ পৰিৱেশন কৰিছিল বাবেই 'গীত-গোবিন্দ'খনি গীতি কাব্য ৰূপে পৰিগণিত। ৰাশক্তিৰ অনুগ্ৰহপ্ৰাপ্ত হোৱা ৰাজসভাৰ কবিসকলে উক্ত গীতি-নাট্যখনিৰ বহুত চৰ্চা আৰু ব্যাখ্যাৰ ফলত পৰৱৰ্তী কালত নন্দন তাত্বিক আৰু ৰাধা-কৃষ্ণৰ অমৰ প্ৰেমৰ বৰ্ণনাযুক্ত এই কাব্যখনিক বিষ্ণুৰ দশাৱতাৰ স্তোত্ৰৰূপেও বৈষ্ণৱপন্থীসকলে সমাদৰ কৰিছিল। সেয়ে হিন্দু ৰাজন্য-বৃন্দই জয়দেৱৰ গীতি-কাব্য 'গীত-গোবিন্দ'ৰ পৃষ্ঠপোষকতা কৰিছিল। ফলত হিন্দুৰ তীৰ্থস্থানত থকা দেৱ-দেৱীৰ মন্দিৰ আৰু সংস্কৃত অধ্যয়নৰত ছাত্ৰসকলৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হৈছিল। এই ক্ষেত্ৰত পুৰীৰ জগন্নাথ মন্দিৰ আৰু বাৰানসী বিশেষ অগ্ৰগামী আছিল। ৰাধা-কৃষ্ণৰ প্ৰেম সম্বলিত এই 'গীত-গোবিন্দ'ৰ ভাষ্যই বিশ্ববীৰ চিলাৰায়ক 'ৰসিক গুৰু' ৰূপে সন্মানিত কৰাইছিল।

**অধ্যয়ন আৰু সাহিত্য সেৱাৰ পটভূমি**

এছিয়া মহাদেশৰ প্ৰাগৈতিহাসিক কালৰে পৰা বিভিন্ন অঞ্চলত প্ৰভাৱ বিস্তাৰ কৰি থকা সু-প্ৰাচীন কুবাচ ওৰফে কোচ ওৰফে কোচ-ৰাজবংশী জনগোষ্ঠীৰ মধ্যযুগৰ পূব প্ৰান্তত কোচ ৰাজ্যৰ প্ৰতিষ্ঠাতা বিশু ওৰফে বিশ্বসিংহ মহাৰাজৰ উনৈশজনী ৰাণী আছিল। এই ৰাণীসকলৰ গৰ্ভত আৰু মহাৰাজ বিশ্বসিংহৰ ঔৰসত ওঠৰ গৰাকী পুত্ৰ আৰু কেবাগৰাকী কন্যা জন্ম পাইছিল। এই ওঠৰ গৰাকী পুত্ৰ সন্তানসকলৰ ভিতৰত ক্ৰমান্বয়ে (১) নৰসিংহ, (২) মল্লদেৱ ওৰফে নৰনাৰায়ণ, (৩) শুক্লধ্বজ ওৰফে চিলাৰায়, (৪) কমলনাৰায়ণ ওৰফে গোঁহাই কমল, (৫) মদন নাৰায়ণ, (৬) ৰাম নাৰায়ণ, (৭) সুৰনাৰায়ণ, (৮) মানসিংহ, (৯) মেছ্শ, (১০) বৃষকেতু, (১১) ৰামচন্দ্ৰ, (১২) অনন্ত, (১৩) দ্বীপসিংহ, (১৪) হেমধৰ, (১৫) মেঘনাৰায়ণ, (১৬) জগৎনাৰায়ণ, (১৭) ৰূপচাঁদ আৰু (১৮) সূৰ্য্যনাৰায়ণৰ নাম পোৱা যায়। অতি বিচক্ষণ আৰু দূৰদৰ্শী পিতৃ মহাৰাজ বিশ্বসিংহই তেওঁৰ নৱগঠিত ৰাজ্যৰ ভাবি নৃপতি আৰু ভাবি যুৱৰাজ ক্ৰমে দ্বিতীয় পুত্ৰ নৰনাৰায়ণ আৰু তৃতীয় পুত্ৰ শুক্লধ্বজক উচ্চ শিক্ষাৰ বাবে সেই সময়ৰ জ্ঞান-বিজ্ঞান আৰু কৃষ্টিসভ্যতাৰ প্ৰাণকেন্দ্ৰ বাৰানসী নগৰলৈকে প্ৰেৰণ কৰিছিল। এই ৰাজকুমাৰদ্বয়ে বাৰানসীৰ বিখ্যাত ব্ৰহ্মানন্দ আচাৰ্য্যৰ আশ্ৰমত শিক্ষা লাভ কৰি শাস্ত্ৰ-অস্ত্ৰ ব্যায়াকৰণ আৰু ভাৰতীয় ষড়দৰ্শনত ব্যুৎপত্তি লাভ কৰাৰ উপৰি তৎকালীন ভাৰতৰ ৰাজনৈতিক আৰু ভৌগোলিক বিজ্ঞানৰ অধ্যয়ন কৰি সুযোগ্য শাসক হোৱাৰ যোগ্যতা লাভ কৰিছিল। বাৰানসীত অধ্যয়নকালীন অৱস্থাতেই শুক্লধ্বজে জয়দেৱৰ বিখ্যাত 'গীত-গোবিন্দ' গীত কাব্যখনি চৰ্চা কৰাৰ সুযোগ পাইছিল। দেখা যায় জ্ঞানপিপাসু শুক্লধ্বজক এই ভাব আৰু ভাষা বহুল গ্ৰন্থখনিয়ে বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল বাবেই পৰৱৰ্তী কালত যুদ্ধকালীন ব্যস্ততাৰ মাজতো 'গীত-গোবিন্দ'ৰ ভাষ্য ৰচনাৰ সাঁচতীয়া ইচ্ছাটোক বাস্তৱত ৰূপায়িত কৰি 'ৰসিক গুৰু' উপাধি লাভৰ যোগ্যতা দেখুৱাইছিল। পৰৱৰ্তী কালত মহাৰাজ বিশ্বসিংহৰ ১৫৩৩ চনত মৃত্যু হোৱাৰ পূৰ্বৰ আঁচনি অনুসৰি দ্বিতীয় পুত্ৰ নৰনাৰায়ণ ৰাজপাটত বহে আৰু তৃতীয় পুত্ৰ শুক্লধ্বজ যুৱৰাজৰ পদত অধিষ্ঠিত হয়। (প্ৰৱন্ধকাৰৰ কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি)

**যুদ্ধ আৰু সাহিত্য চৰ্চা**

যুৱৰাজ শুক্লধ্বজ ৰাজশক্তিৰ প্ৰধান কৰ্ম-কৰ্তা হোৱাৰ ফলত আমৃত্যু হাতত খোলা তৰোৱাল ধাৰণ কৰি, 'পক্ষীৰাজ' নামৰ অতি কাজুৱা বেগী ঘোঁৰাৰ পিঠিত আৰোহণ কৰি চুবুৰীয়া স্বাধীন ৰাজ্যবোৰক ইখনৰ পিছত সিখন ৰাজ্য নিজ বাহুবল আৰু ৰণ-কৌশলেৰে চিলনীৰ গতিত বিজয় কৰিব পাৰিছিল বাবেই শত্ৰু মিত্ৰ সকলোৰে পৰাই 'চিলাৰায়' উপাধি প্ৰাপ্ত হৈছিল। ভয়াৱহ আৰু ৰক্তক্ষয়ী যুদ্ধৰ ব্যস্ততাৰ মাজতেই অৱসৰৰ সময়ত ধৰ্মচৰ্চা, সাহিত্য চৰ্চা আৰু সংগীতৰ উপৰি শত্ৰুপক্ষৰ গুণী-জ্ঞানী ব্যক্তিসকলৰ পৰাই চিকিৎসাবিদ্যা আৰু তন্ত্ৰ-মন্ত্ৰৰো জ্ঞান আহৰণ কৰিছিল। প্ৰগাঢ় ৰাজনৈতিক প্ৰজ্ঞাৰে বিজিত ৰাজ্যবোৰৰ মাজত জাতি-বৰ্ণ আৰু মতবাদ নিৰ্বিশেষে এক প্ৰেৰণাৰ চালিকা শক্তিৰূপে যি প্ৰতিভাৰ দৃষ্টান্ত দাঙি ধৰিছিল সি ইতিহাসত বিৰল আৰু অতুলনীয় আছিল। সাহিত্য চৰ্চাকে ধৰি বিভিন্ন দিশত চিলাৰায়ৰ প্ৰতিভাত অভিভূত হৈ তেতিয়াৰ যুগাৱতাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে প্ৰমুখ্যে যুৱৰাজ শুক্লধ্বজক 'ৰসিক গুৰু' উপাধি প্ৰদান কৰিছিল। তাৰোপৰি ৰণনীতিত বিচক্ষণতা দেখুওৱা আৰু অন্যান্য মানবীয় গুণাৱলীৰ বাবে বিখ্যাত ইতিহাস বিদ আনৰ্ল্ড টয়েনবিয়ে তেওঁৰ বিখ্যাত গ্ৰন্থ 'ইতিহাসৰ অধ্যয়ন (Studies on History) নামক গ্ৰন্থত পৃথিৱীৰ শ্ৰেষ্ঠ তিনিজনা বীৰৰ ভিতৰৰে এজন বুলি

মূল্যাঙ্কন কৰাৰ সমল পাইছে। ইং ১৫১০ চনৰ পবিত্ৰ মাঘী পূৰ্ণিমা তিথিত জন্ম লাভ কৰা এই মহান বীৰজনাই আধুনিক তুফানগঞ্জৰ কাষতে থকা মহাৰাজ বিশ্বসিংহৰ ৰাজ অট্টালিকাত সোণৰ চামুচ মুখত লৈ জন্ম লাভ কৰা, গৌড় ৰাজ্যৰ মালদহৰ সুকন্যা পদ্মাৱতীৰ এই সুপুত্ৰই তিনিকুৰি বছৰজোৰা জীৱৰ্দ্দশা অতিক্ৰম কৰি ইং ১৫৭১ চনৰ পৱিত্ৰ ফাগুৱা উৎসৱ 'ফাগুনী পূৰ্ণিমা' তিথিত গৌড় ৰাজ্যৰ বিজয়ৰ উৎসৱ পালনৰ সময়তে নদী শ্ৰেষ্ঠা গঙ্গাৰ তীৰভূমিত সৈন্য বাহিনীৰ শিবিৰতেই হঠাতে আক্ৰান্ত হোৱা বসন্ত ৰোগত (বৰ আই) প্ৰাণ ত্যাগ কৰে। এই খন্তেকীয়া জীৱনতেই চিলাৰায়ে যি অমৰ কীৰ্তি ৰাখি গ'ল সি সঁচাকৈ জগতত বিৰল।

### অদ্বিতীয় বীৰৰ প্ৰতি ভক্তিযুক্ত ভয়

মধ্যযুগৰ কোচ ৰজা মহাৰাজ নৰনাৰায়ণৰ ৰাজত্ব কালছোৱা যুদ্ধ-বিগ্ৰহৰেই পৰিপূৰ্ণ। ৰজাৰ অদম্য সাহসী প্ৰধান সেনাপতি ৰূপে চিলাৰায়ে সমসাময়িক স্বাধীন চুবুৰীয়া ৰাজ্য আহোম, কছাৰী, খাছিয়া, জয়ন্তীয়া, মণিপুৰ, ত্ৰিপুৰা, চিলেট, ডিমৰুৱা আদি ৰাজ্যৰ সৈতে হোৱা বহু ৰক্তক্ষয়ী ৰণৰ অসমীয়া সাহসিকতা অপূৰ্ব বিচক্ষণতা আৰু উদাৰ মানৱতাৰ পৰিচয় প্ৰদান কৰিছিল বাবেই পৰাজিত শত্ৰুপক্ষইয়ো এইজনা মহাবীৰক ভয়তকৈ বেছিকৈ ভক্তিহে কৰিছিল। ফলত শত্ৰুপক্ষৰ সৈতে হোৱা ভয়াৱহ ৰণৰ দুৰ্বাৰ গতিৰে কেৱল বিজয়ৰেই ধ্বজা উৰুৱাইছিল। পৰাভূত হোৱা ৰাজন্য বৰ্গই কামৰূপ ওৰফে কামতা ওৰফে কোচ সাম্ৰাজ্যৰ কৰতলীয়া ৰজা হিচাপে থকাত অপমান বোধ কৰা নাছিল, বৰং গৌৰৱান্বিত হৈছিল। কাৰণ বিদগ্ধ পণ্ডিত চিলাৰায়ৰ ৰাজনৈতিক নিৰ্দেশত মহাৰাজ নৰনাৰায়ণৰ সাৰ্বভৌম ৰাজত্বক প্ৰত্যেক ৰাজ্যতেই আভ্যন্তৰীণ স্বাধীনতা সহ যুক্তৰাষ্ট্ৰীয় আৰ্হিৰ গাঁথনিৰে (Federal type) প্ৰশাসন চলাইছিল। এই যুদ্ধ বিগ্ৰহ সমূহৰ মাজেদি মহাবীৰ চিলাৰায়ে কাষৰীয়া চুবুৰীয়া ৰাজ্যসমূহক জয় কৰি নিজকে 'অদ্বিতীয় বীৰ' বুলি পৰিচয় দিয়াৰ বিপৰীতে পশ্চিমে মালদা-দিনাজপুৰ-ৰংপুৰ-ময়নসিং- কৰতোৱা নদীৰ পৰা পূৱে শদিয়ালৈকে পৰৱৰ্তী কালৰ বৃহৎত্তৰ অসম ভূমিত এক শক্তিশালী আৰু সমৃদ্ধিশালী অসমীয়া মহাজাতিৰ জন্মৰ কথা বাৰে বাৰে তেওঁৰ সৃজনীমূলক কল্পনাৰে গঢ় দিছিল। সেই বাবেই ৰাজ্য জয় কৰি ৰাজ্যবোৰত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ বৈশিষ্ট্যপূৰ্ণ প্ৰজাসমূহৰ লগত সমন্বয় আৰু সংহতি স্থাপন কৰিবলৈ চিলাৰায়ে প্ৰাণপণে চেষ্টা কৰাৰ কথা আৰু কাহিনী বুৰঞ্জীয়ে সযতনে ৰাখি থৈছে।

### কৰ্মযোগীৰ জীৱনাদৰ্শ

বিদেশী শত্ৰুৰ দ্বাৰা আক্ৰান্ত হোৱা আৰু নৈসৰ্গিক কাৰণত নিশ্চিন্ন হোৱা সনাতন হিন্দু সভ্যতাৰ তান্ত্ৰিক পন্থাৰ পবিত্ৰ কামাখ্যা মন্দিৰটো মহাৰাজ নৰনাৰায়ণ আৰু যুৱৰাজ শুক্লধ্বজে ইং ১৫৬৫ চনত সম্পূৰ্ণভাৱে নতুনকৈ নিৰ্মাণ কৰে। এই মন্দিৰ নিৰ্মাণ কাৰ্যত চিলাৰায়ৰ নিৰ্দেশত চুবুৰীয়া স্বাধীন ৰাজ্যবোৰ যুদ্ধৰে দিগ্বিজয় কৰাৰ ফলত বিজিত ৰাজ্যবোৰৰ পৰা লাভ কৰা উপ-ঢৌকনৰ অংশ বিশেষ পনেৰো হাজাৰ সোণৰ মুদ্ৰা, চাৰি লাখ পনেৰো হাজাৰ ৰূপৰ মুদ্ৰা আৰু অন্যান্য যুদ্ধলব্ধ সামগ্ৰীক কামাখ্যা মন্দিৰ নিৰ্মাণত-অৰ্থাৎ দেৱকাৰ্য্যত খৰচ কৰিছিল। কোচ ৰাজন্য আৰু পৰিয়ালৰ উপভোগৰ বাবে সেই ধন ব্যৱহাৰ নকৰিছিল। মন্দিৰ নিৰ্মাণৰ বিস্তৃত বিৱৰণী ইতিহাসৰ পৃষ্ঠাত জিলিকি আছে, যদিও চৰ্চাৰ অভাৱত জনসাধাৰণৰ জ্ঞানত মামৰে ধৰিছে। যুদ্ধত জয়ৰ বতৰা লৈয়ে বীৰ চিলাৰায়ে ক্ষান্ত থকা নাছিল; বিজিত ৰাজ্যৰ আৰু প্ৰজাৰ মঙ্গলৰবাবে, আন্তৰাজ্যিক অৰ্থাৎ পৰৱৰ্তী কালৰ বৃহত্তৰ অসমবাসীৰ মাজত মিলা-প্ৰীতিৰ, বুজা-পৰাৰ আদান-প্ৰদানৰ বাবে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি

পশ্চিমে আধুনিক কোচবিহাৰ নগৰৰ পৰা আৰম্ভ কৰি পূবে আধুনিক লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰলৈকে ৩৮০ কিলোমিটাৰ জোৰা দীঘলীয়া এটা আহল-বহল আলি বন্ধাইছিল যাক গোঁহাই কমলৰ আলি নামেৰে নামকৰণ কৰা হৈছে। ইতিহাস খ্যাত এই আলিটোক শ শ বছৰ পিছতো কাল ধুমুহাই নিশ্চিহ্ন কৰিব পৰা নাই; কিন্তু বৰ্তমান যুগৰ নিম্নগামী ৰাজনৈতিক হেঁচা-ঠেলাত আৰু উচ্চ জাতি-নীচ-জাতি জনিত স্বাৰ্থান্ধ আৰু অজ্ঞতা প্ৰসূত ঈৰ্ষা আৰু দ্বেষৰ দ্বাৰা পৰিচালিত হোৱা অল্পবুদ্ধিৰ মানুহবোৰে এই প্ৰখ্যাত আলিটোক চৰম অৱজ্ঞা কৰি ঠায়ে ঠায়ে ঠিকাদাৰে মাটি কটাৰ বাবে খুন্দি-গাৰি থকা কাৰ্য্যৰ ফলত সমন্বয়ৰ এই ৰাজ আলিটো বাস্তৱত টিকি নাথাকিব বুলি সন্দেহ কৰাৰ যথেষ্ট অৱকাশ আছে। পৰৱৰ্তী প্ৰজন্মৰ ইতিহাসে ইয়াৰ উত্তৰ দিব। কাৰণ আত্মবিস্মৃত হোৱা আৰু মানুহ ভগৱানৰ পৰিৱৰ্তে আকাশৰ ভগবানত অধিক বিশ্বাসী অসমীয়া মহাজাতি বৰ্ত্তমান আত্ম সংঘৰ্ষত অতি ব্যস্ত। তাৰোপৰি সোণৰ অসমৰ সপোণ দেখা অসম গণ পৰিষদৰ দ্বাৰা প্ৰথম ৰাজকীয় ক্ষমতা প্ৰয়োগৰ কালছোৱাতেই অসমৰ স্কুলীয়া বিদ্যালয় সমূহত ইতিপূৰ্বৰে পৰাই প্ৰচলিত হৈ থকা 'ইতিহাস' আৰু 'ভূগোল' এই অত্যাৱশ্যকীয় বিষয় দুটাক পাঠ্যক্ৰমৰ পৰা পৰিত্যাগ কৰাত অসমৰ ভৱিষ্যৎ ছাত্ৰ-ছাত্ৰীয়ে 'গোঁহাই কমল আলি'ৰ সম্ভেদেই নাপাব-ৰক্ষণা-বেক্ষণ দূৰৰে কথা। সেয়ে বোধহয় সমগ্ৰ ভাৰতৰেই ধৰ্মপ্ৰাণ ভক্তসকলৰ ৰাজহুৱা সম্পত্তি কামাখ্যা মন্দিৰটো বৰ্তমান এমুঠি বুদ্ধিজীৱিৰ অৰ্থ উপাৰ্জনৰ মাধ্যমত পৰিণত হৈ ধৰ্মাচৰণক ব্যৱসায়ৰ পৰ্যায়লৈকে অৱনমিত কৰাৰ তুল্য হৈছে। সমগ্ৰ ভাৰতৰে ভক্তিৰ প্ৰতীক, উত্তৰ-পূৰ্বাঞ্চলৰ সাতভনীৰ একালৰ ৰজা আৰু প্ৰজাৰ ত্যাগৰ ফলত নিৰ্মিত হোৱা কামৰূপৰ বিক্ৰমাদিত্য মহাৰাজ নৰনাৰায়ণ আৰু শ্ৰীশঙ্কৰ দেৱৰ জোঁৱায়েক তথা বিশ্বমহাবীৰ চিলাৰায়ৰ আত্মিক আৰু দৈহিক স্পৰ্শ থকা বিখ্যাত এই মন্দিৰটিৰ গৰাকী স্বৰূপ প্ৰাক্তন ৰাজন্য বৰ্গ আৰু জনগোষ্ঠীয় লোকসকল এতিয়া ঘৰতে বিদেশী হোৱাৰ নিজ ৰাজ্যতে গৃহহাৰা হৈ কৱ ধৰিছে। 'হায় !' যাৰ যহত শাখা সিন্দুৰ, তাকেই কৰা হৈছে ভোখৰা ইন্দুৰ'। গোঁহাই কমলৰ আলিও হয়তো ৰাজনীতিৰ কূট-কৌশলত এদিন খেতি পথাৰত পৰিণত হ'ব। প্ৰতিৰক্ষাৰ ক্ষেত্ৰত বৰ্তমান সাতভনীৰ দেশ এই উত্তৰ-পূৰ্বাঞ্চল অতি স্পৰ্শকাতৰ হৈ পৰিছে বাবেই সময় থাকোতেই সমন্বয় সাধনৰ বাবে বুজা পৰাৰ মাধ্যম এই যাউতি-যুগীয়া আলিটোক পুনৰুদ্ধাৰৰ প্ৰয়োজন বুলি ইতিহাসে ৰিঙিয়াই আছে। প্ৰকৃততে স্বাধীনোত্তৰ কালৰ অসমৰ দেউলীয়া নেতৃত্বই এই অৱনতিৰ মূল।

**জোঁৱায়েক-শহুৰৰ মিলন**

বৃহত্তৰ অসমীয়া জাতিৰ ধৰ্ম-সমাজ-সংস্কৃতি ভাষা-সাহিত্যৰ প্ৰাণ স্পন্দন স্বৰূপ মহাপুৰুষ শ্ৰীশংকৰদেৱৰ ভতিজা জোঁৱায়েক আছিল এই গৰাকী জাতীয় বীৰ চিলাৰায়। গুৰুজনাৰ ভাতৃ ৰামৰায় ওৰফে জগতানন্দ ভূএগাৰ দুহিতা 'ভোম্বেশ্বৰী' ওৰফে ভূবনেশ্বৰী দেৱীক চিলাৰায়ে পত্নী ৰূপে লাভ কৰাৰ পিছত গুৰুজনাক অতি নিবিড়ভাৱে বুজি উঠিবৰ সুযোগ হয়। চিলাৰায়ৰ বাসস্থান ফুলবাৰীৰ এখনি ফুলনি বাগিচাত এদিনাখন পত্নী ভূৱনেশ্বৰীয়ে মহাপুৰুষ শ্ৰীশংকৰদেৱৰ ৰচিত গীতক ৰাগ-ৰাগিনী সহিতে সুললিত কণ্ঠে আপোন মনে গাই থকাৰ সময়ত কলাকৃষ্টিৰ সেৱক আৰু উচ্চাঙ্গ সংগীতৰ ৰসজ্ঞ পণ্ডিত যুৱৰাজ শুক্লধ্বজে আঁতৰৰ পৰা গায়িকাৰ অলক্ষে অতি তন্ময়ভাৱে শুনি আছিল। আপোনমনে গাই থকা ভূৱনেশ্বৰীয়ে গীত শেষ কৰাৰ পিছত স্বামী শুক্লধ্বজে আত্মপ্ৰকাশ কৰি সুধিছিল ইমান ভাবগধুৰ ভক্তিৰস প্ৰধান ৰাগ-ৰাগিনী সম্বলিত গীতটি কাৰ দ্বাৰা ৰচিত? উত্তৰত যেতিয়া

জেঠা শহুৰ শ্ৰীশংকৰদেৰ বিৰচিত গীত বুলি জানিলে সংগ্ৰাম সিংহ চিলাৰায় তথা কামৰূপ কামতা সাম্ৰাজ্যৰ যুৱৰাজ ও প্ৰধান সেনাপতি চিলাৰায়ে গুৰুজনাৰ ওচৰত দীক্ষা গ্ৰহণ কৰি মন্ত্ৰপুত শিষ্যত্ব গ্ৰহণ কৰিছিল। বিশাল কামতা সাম্ৰাজ্যৰ মহাৰাজ নৰনাৰায়ণ যদিও আইনগত নৃপতি আছিল; বাস্তৱ ক্ষেত্ৰত কিন্তু তেওঁৰ কনিষ্ঠ ভাতৃ চিলাৰায়েহে ৰাজশক্তি নিয়ন্ত্ৰণকাৰী এই শ্ৰেষ্ঠ ব্যক্তিজনৰ পক্ষে শৈৱ-শাক্ত মতবাদৰ উপাসক হৈয়ো ভিন্ন মতবাদী গুৰুজনাৰ ওচৰত শিৰ নত কৰি বৈষ্ণৱ মতবাদ দীক্ষিত হোৱাটো আচলতে সাধাৰণ কথা নাছিল। কেতবোৰ কৰ্মকাণ্ডি পুৰোহিতৰ প্ৰৰোচনাৰে প্ৰৰোচিত হৈ জনদিয়েক বিপ্ৰবৰ্ণৰ প্ৰজাই মহাৰাজ নৰনাৰায়ণৰ ওচৰত অৰ্থাৎ ৰজাৰ আদালতত মহাপুৰুষ শ্ৰীশংকৰদেৰৰ বিৰুদ্ধে দেৱীপূজাৰ বিৰুদ্ধাচৰণ কৰা বুলি আনুষ্ঠানিক অভিযোগ দিছিল। বাধ্য হৈ ৰজা নৰনাৰায়ণে বিচাৰৰ বাবে গুৰুজনাক পাটবাউসীৰ পৰা ধৰি আনিবলৈ কটোৱাল প্ৰেৰণ কৰাৰ হুকুমা জাৰী কৰে। এই সংবাদ পোৱা মাত্ৰেই জেঠা শহুৰ ওৰফে গুৰুজনাৰ ৰক্ষণা বেক্ষণ দিবলৈ ৰাজভাতৃ চিলাৰায়ে ৰজাৰ নৌকাতকৈয়ো অধিক বেগী নাওৰে ধেকাই মাঝীৰ সহায়ত গুৰুজনাক ফুলবাৰীলৈ আনি নিজৰ বাসস্থানতেই গোপনে ৰাখি আশ্ৰয় দিয়ে। ৰজাৰ নাও পাটবাউসী পোৱাৰ আগতেই গুৰুজনাক নিৰাপত্তা প্ৰদানৰ ক্ষেত্ৰত চিলাৰায়ৰ বিচক্ষণতা, নিৰ্ভীকিতা আৰু চাৰিত্ৰিক মহানুভবতাৰ উজ্জ্বল দিশটোক বিশেষ লক্ষ্য কৰিবলগীয়া। জ্যেষ্ঠ ভাতৃ আৰু ৰাজশক্তিতকৈ গুৰু যে শ্ৰেষ্ঠ তাকেই এই বিশ্ববীৰ জনাই কাৰ্যতঃ দৃষ্টান্ত দিছে। ৰাজাজ্ঞা পালনৰ প্ৰক্ৰিয়াক নিয়ন্ত্ৰণ কৰি চিলাৰায়ে সুযোগ বুজি মহাৰাজ নৰনাৰায়ণৰ মনৰ ক্ৰোধ মাৰ নিয়াই পৰিস্থিতিৰ অনুকুলে গুৰুজনাৰ বিৰুদ্ধে থকা কৰ্মকাণ্ডি পুৰোহিতৰ অভিযোগৰ ৰাজ বিচাৰৰ ব্যৱস্থা যিভাৱে পৰিচালিত কৰাইছিল তাতো চিলাৰায়ৰ বুদ্ধিমত্তাৰ পৰিচয় পোৱা গৈছে। প্ৰকাশ্য বিচাৰত গুৰুজনাৰ বে-কচুৰ খালাস হোৱাৰ উপৰিও মহাৰাজ নৰনাৰায়ণৰ বিশেষ ব্যক্তি হিচাবে খ্যাত হ'ল। মতবাদ প্ৰচাৰত শঙ্কৰ-মাধৱৰ মিলন যিদৰে মহত্বপূৰ্ণ, 'চিলাৰায়-গুৰুজনা-নৰনাৰায়ণ' অৰ্থাৎ 'বীৰত্ব-জ্ঞান আৰু ৰাজশক্তি'ৰ মিলনো সিদৰে উত্তৰ পূৰ্বভাৰতত বৈষ্ণৱ মতবাদ ভাষা-সাহিত্য আৰু বৃহত্তৰ অসমীয়া মহাজাতিৰ পটভূমিত ৰচনা তাতকৈ অধিক গুৰুত্বপূৰ্ণ। চিলাৰায়ে এই কাৰ্য্য সু-কৌশলে সম্পাদন নকৰাহেঁতেন গুৰুজনাক আজি আমি যি ৰূপত পাইছো তাৰ পৰা বঞ্চিত হ'ব লগা হ'লহেঁতেন দুষ্ট চক্ৰৰ ষড়যন্ত্ৰৰ ফলত। এইহেন এজন সু-কৌশলী, ভক্ত, যোদ্ধা তথা শক্তিশালী ৰাজ বিষয়া চিলাৰায়ক সাম্প্ৰতিকে দেখা গৈছে কেৱল কোচ জনগোষ্ঠীৰ এজন বীৰ বুলিহে। চিলাৰায়ৰ অবিহনে পৰৱৰ্তী অসমীয়া ভাষা-কৃষ্টি-সভ্যতাৰ হয়তো পটভূমিয়েই ৰচিত নহলহেঁতেন। বৰ্তমানৰ ক্ষুদ্ৰ অসমও ছশৰো অধিক শঙ্কৰী সত্ৰ আৰু সত্ৰাধিকাৰ আছে। এই সত্ৰবোৰত প্ৰতি বছৰে মহাপুৰুষ শঙ্কৰদেৰৰ জাক-জমকতাৰে চৰ্চা হয় আৰু অসমীয়া জাতি গঠনৰ আহ্বান জনোৱা হয়। কিন্তু ভাবিলে আচৰিত লাগে সম্ভৱতঃ কোনো এখন সত্ৰতেই কোচ জনগোষ্ঠীৰ সত্ৰাধিকাৰ নাই আৰু কোনো এখন সৰু-বৰ সত্ৰতেই শঙ্কৰদেৰৰ জোঁৱায়েক তথা সুযোগ্য শিষ্য যুৱৰাজ শুক্লধ্বজ ওৰফে চিলাৰায়ৰ জন্ম উৎসৱ পালিত নহয়; অৰ্থাৎ পিতৃক পৰিত্যাগ কৰি পুত্ৰক সাবটি লোৱা ব্যৱস্থা। আজিৰ অসম ৰক্তাক্ত আৰু খণ্ড-বিখণ্ড হোৱাৰ পথত। সেয়ে সুন্দৰীদিয়াৰ শ্ৰীবিজয় কৃষ্ণ গোস্বামী আৰু বৰপেটাৰ শ্ৰীপ্ৰভাত চন্দ্ৰ ওজাই কৈছে — 'এনে স্থলত ঘোৰ সংকট বেলাত ৰক্ষণা বেক্ষণ দি থকা শ্ৰীশঙ্কৰ গুৰুৰ একনিষ্ঠ সেৱক মহাবীৰ শুক্লধ্বজক শ্ৰদ্ধাৰে সুৱৰি মহাপুৰুষীয়া সত্ৰ আৰু

সমাজে বছৰে বছৰে ৰীতি-নীতিৰে তেওঁৰ (শুক্ল ধ্বজৰ) তিথি পালন কৰি থকা একান্ত বাঞ্চনীয়।' ('চিলাৰায়ৰ ফুলবাড়ীত শঙ্কৰদেৱ' প্ৰকাশক অযোধ্যা পাঠক, বৰপেটা) এওঁলোকৰ আশা ফলৱতী হ'লে অসমীয়া মহাজাতিৰ বাবে নিশ্চয় শুভ সঞ্চাৰক হ'ব।

এইহেন ক্ষণজন্মা ঐতিহাসিক বৰেণ্য ব্যক্তিজনাৰ প্ৰকৃত মূল্যাঙ্কণ ইমান দিনে নহ'ল আৰু আজিও হোৱা নাই যদিও বহুতে অভিমত দিছে আৰু আক্ষেপ কৰিছে ঃ

(ক) 'ফলত শুক্লধ্বজ ওৰফে চিলাৰায় যে বিশ্বৰ এজন শ্ৰেষ্ঠ সমৰবিদ (আৰ্নল্ড টয়েনবীৰ মতে তিনিজন শ্ৰেষ্ঠৰ এজন) হোৱাৰ উপৰিও এজন নানা শাস্ত্ৰত (সঙ্গীত শাস্ত্ৰকে ধৰি) পণ্ডিত এই কথা জনসাধাৰণৰ অজ্ঞাত হৈ আছে। পণ্ডিত সমাজেও এই দৃষ্টিকোণৰ পৰা শুক্লধ্বজৰ চাৰিত্ৰিক মূল্যাঙ্কন কৰিব পৰাৰ পৰা পঞ্চিত হৈ আছে, বিৰত হৈ আছে।' — পৰেশচন্দ্ৰ বৰ্মণ (অধ্যাপক কটন কলেজ)।

(খ) 'শুক্লধ্বজ ৰণক্ষেত্ৰত যেনেকৈ প্ৰচণ্ড যোদ্ধা কলাক্ষেত্ৰত তেনেকৈ ৰসিক পণ্ডিত।' ডঃ মহেশ্বৰ নেওগ।

(গ) 'আজিৰ অসমীয়াৰ গৌৰৱৰ দুটা প্ৰধান বস্তু হৈছে কামাখ্যা মন্দিৰ যাৰ কাৰণে অসম-কামৰূপৰ নাম ভাৰতৰ দিক্-দিগন্ত প্ৰচাৰিত হৈছে - যাৰ কাৰণে ধৰ্মপ্ৰাণ তীৰ্থযাত্ৰীসকলে অসমৰ পুণ্যভূমি দৰ্শন কৰি ইয়াৰ শান্ত, স্নিগ্ধ সৌন্দৰ্যত মুগ্ধ হৈছে; আৰু দ্বিতীয় মহাপুৰুষ শঙ্কৰদেৱৰ যুগত ৰচিত গ্ৰন্থাৱলী -যাৰ কাৰণে অসমীয়া অশিক্ষিত মানুহৰ মাজতো ধৰ্ম মোক্ষ আৰু কাব্যামৃতৰ ত্ৰিবেণী সংগম হৈছে। এই দুই গৌৰৱেই হৈছে ক'বলৈ গ'লে মহাৰাজ নৰনাৰায়ণ আৰু সেনাপতি শুক্লধ্বজৰ অৱদান।' ডঃ সূৰ্য্যকুমাৰ ভূঞা।

(ঘ) It is not possible to say anything about one leaving aside the other and like Laksman Chilarai did everything for his brother as the minister and also the General Commanding State force. Selfless Service to the king and kingdom was his single way of life, -'Dr. Kameswar Das Retd. Prof.

(ঙ) 'In all question of politics Chilarai possessed an overwhelming influence and he was the moving spirit in every adventure" - Gait

(চ) ' As a military prodigy Chilarai had demostrated his superior strategic genious and the unfailing striking power of the koch army. The vast country bounded on the west by the country of Mithila, on the east by the extreme frontier of Assam, on the north by the lordly Himalayas and on the south (near Chittagong) by the shores of the Bay of Bengal, was conguered by his powess - Dr. Nagendra nath Acharyya, Retd. Reader. G.U.

(ছ) চক্ৰধ্বজ সিংহ, ৰুদ্ৰ সিংহ, ৰাজেশ্বৰ সিংহ, লাচিত বৰফুকন, আতন বুঢ়াগোঁহাই, বদন বৰফুকন প্ৰভৃতি আহোম ৰাজপুৰুষসকলৰ বিষয়ে আমি যিমান বেছি জানো, মহাৰাজ নৰনাৰায়ণ, বীৰ চিলাৰায়, লক্ষীনাৰায়ণ, পৰীক্ষিত নাৰায়ণ প্ৰভৃতি কোচ ৰাজপুৰুষসকলৰ বিষয়ে আমি সিমান কম জানো।' স্বৰ্গীয় অতুল চন্দ্ৰ হাজৰিকা, সাহিত্যাচাৰ্য আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি। ■

# বডো-বড়ো, কোচ-ৰাজবংশী, ম্লেছ-মেচ ইত্যাদি

ডঃ দ্বিজেন্দ্ৰ নাথ ভকত

অসমত কিছুবছৰ ধৰি জাতি বিষয়ক তথ্য লৈ টনা আজোৰা, ইজনে সিজনক তুচ্ছ তাচ্ছিল্য, হেয় প্ৰতিপন্নৰ মাজেৰে অসমৰ সামাজিক বাতাবৰণ বাৰুকৈ কলুষিত কৰিছে। ফলত ইজনে সিজনৰ মাজত ভুল বুজাবুজি সংঘাত সৃষ্টি কৰা পৰিলক্ষিত হৈছে। বিশেষকৈ বড়ো, কোচ ৰাজবংশীসকলৰ মাজত এই ঘটনা সমানে ঘটিছে। প্ৰতিদিনে বাতৰি কাকতত ইজনে সিজনক আক্ৰমণ প্ৰত্যাক্ৰমণ কৰা দেখা যায়। তেখেতসকললৈ আমাৰ এটি ক্ষুদ্ৰ প্ৰতিবেদন। সিকিম পশ্চিমবঙ্গৰ উত্তৰাঞ্চলকে ধৰি অসম তথা সমগ্ৰ উত্তৰ-পূৰ্ব ভাৰত লোকসংস্কৃতি বা নৃতত্বৰ যাদুঘৰ। ইয়াত বসবাস কৰা বেছিভাগ মানুহেই তিব্বত বৰ্মী-ভাষাগোষ্ঠীৰ। এওঁলোক সৰুবৰ বিভিন্ন গোটত বিভক্ত। এওঁলোকৰ কিছুমানে বসবাস কৰে ভৈয়ামত আৰু কিছুমানে বাস কৰে পাৰ্বত্য অঞ্চলবোৰত। তেওঁলোকৰ সঠিক সংখ্যা জনা নাযায়। কাৰণ এওঁলোকৰ অধিক সংখ্যকে নিজৰ ভাষা সংস্কৃতি, ধৰ্ম আৰু নাম সলাই আৰ্য ভাষা সংস্কৃতিত জাহ গৈছে। তেওঁলোকৰ কোনো নিজস্ব লিপি লিখিত সাহিত্য আদি পাবলৈ নাই। কাৰোবাৰ ভাষা আছে যদিও সেয়া কাৰোৰে পোৱা যায়। বংশাৱলী সঠিক ইতিহাস আদি নাই। সেয়ে তেওঁলোকে ক'ত আছিল, কি কৰিছিল, ক'ৰ পৰা আহিছিল, কোন দিশেৰে আহিছিল সেইবোৰ কথা বা কাহিনী তেওঁলোকৰ উত্তৰ পুৰুষৰ বাবে লিপিবদ্ধ কৰি যোৱা নাই। গতিকে তিব্বতবৰ্মীক মংগোলীয় গোষ্ঠীৰ অতীতৰ কথা অন্ধকাৰচ্ছন্ন কাৰোবাৰ বিষয়ে কোনো ঠিক কিংবদন্তী, অতীত বা আধুনিক ছাপৰ কাহিনী থাকিলেও সংৰক্ষণৰ অভাৱত বংশানুক্ৰমে চৰ্চাৰ অভাৱত আজি পাবলৈ নোহোৱা হৈছে। ফলত ইজনে সিজনৰ ইতিহাস আদি টনা আজোৰাৰে নিজৰ ইতিহাস ৰচনাৰ যি প্ৰচেষ্টা অব্যাহত ৰখা হৈছে সেয়া সঠিক পথ নহয় বুলি ক'ব পাৰি।

ভাৰতীয় সাহিত্যত আৰ্যসকলৰ সাহিত্য সংস্কৃতি অতি চহকী তেওঁলোকৰ ভাষাও চহকী। তেওঁলোকৰ সুবিশাল সাহিত্যৰ ভাণ্ডাৰত কেতিয়াবা

কাচিৎহে মঙ্গোলীয় তিব্বতবৰ্মীলোকসকলৰ উল্লেখ পোৱা যায়। এই উল্লেখনবোৰো আকৌ নিন্দা বা অবজ্ঞাসূচক বিশেষনেৰে বিভূষিত হোৱাত সেইবোৰৰ অৰ্থ উলিওৱাটো কেতিয়াবা কষ্টসাধ্য হৈ পৰে। যাৰ ফলত পণ্ডিতসকলৰ মাজত মতভেদ নোহোৱা নহয়। আজি আমি যিখিনি কথা মঙ্গোলীয় বা তিব্বতধৰ্মী মানৱ গোষ্ঠীৰ বিষয়ে জানিবলৈ সক্ষম হৈছো সেয়া আচলতে বৃটিছ সকলৰে অৱদান। বৃটিছ প্ৰশাসনিক বিষয়া, সাহিত্যিক বুৰঞ্জীবিদ পুৰাতাত্বিক, নৃবিজ্ঞানী আদিৰ লিখনিৰ পৰাই আমি জানিব পাৰিছো। তেওঁলোকৰ আগমন বহুত পৰমকৈ হোৱাত ইতিমধ্যে বহুত তথ্য হেৰাই যোৱাটোৱে স্বাভাৱিক।

সমাজ পৰিৱৰ্তনশীল। সমাজ পাতি বসবাস কৰাৰ আগতে জীৱিকাৰ তাড়নাত কোন জনগোষ্ঠী কেতিয়া কোনফালে ক'ৰ পৰা আহি কোন গোটত মিলি গৈছে বা মিলাই লৈ নিজৰ কৰি লৈছে কোনে কেতিয়া কাক নিজৰ ভাষা সংস্কৃতি দি বা বৰ্জন কৰি আনৰ ভাষা গ্ৰহণ কৰি সামাজিকভাৱে নিজকে উত্তৰণ কৰিব বিচাৰিছে তাৰ সঠিক হিচাপ কোনেও দিব নোৱাৰে। পণ্ডিতসকলে কিছুমান ধাৰণাহে আমাক দিছে। এই ক্ষেত্ৰত আমি বড়ো, বড়ো, কোচ-ৰাজবংশী, ম্লেছ-মেচ সকলৰ বিষয়ে কি তথ্য পাওঁ তাৰ এটি পৰ্যালোচনা দাঙি ধৰিবলৈ যত্ন কৰিলোঁ। প্ৰথমতে বড়ো আৰু বড়ো বা বৰো। বদো বা বড়ো এই অবিধাটো পণ্ডিতসকলে বিভিন্ন ধৰণে ব্যৱহাৰ কৰা দেখিছো। ৰাজমোহ নাথ দেৱৰ মতে " The inhabitants of various parts of the Bod (Yibel) country were known as Boddo - Ficha or Bodo-cho (Ficha-che children) or the children of the Bod country and were later known simply as the boodo or the Bodo. Some of them however, retain the name of the particular portion of the country from which they arrived at a later date. (1948 :15)

ডঃ কামেশ্বৰ ব্ৰহ্ম দেৱৰ মতে, The Bodos are the race of the Mongolian people Who are described as the in habitants of a country north of the Himalayas and west of china. This is Known as Bod. The Word Bod is supposed to mean a hom land. It is also said that there were many parts of the country known as Hae Bod, Kur Bod etc (2004:01)

আন এজন পণ্ডিত উপেন্দ্ৰ নাথ গুহ দেৱৰ মতে, derives the word 'Bodocha' from Buddha-cha. By Bodocha, he means the childern of Buddha or Buddhism.

এই তিনিজন পণ্ডিতৰ অভিমতত এটা কথা পৰিষ্কাৰ যে বড় বা বড়ো নামৰ এখন দেশ আছিল তাৰ বাসিন্দা বা সন্তানসকলক বড়ো বুলি কোৱা হৈছিল। পৰৱৰ্তী সময়ত সেইদেশৰ কিছুমানলোকে বড়ো নামেৰে নিজকে পৰিচয় দিবলৈ লয় যিসকলে সৰ্বশযত সেইখন দেশৰ পৰা আহিছিল। অথবা বডোছা শব্দটোই বুদ্ধধৰ্মী কিছুলোকক বুজোৱা হৈছিল।

ইয়াৰে আঁত ধৰি কিছুমান পণ্ডিতে তিব্বত ধৰ্মীলোকক বৃহৎ বড়োগোষ্ঠীৰ লোক হিচাপে ব্ৰহ্মপুত্ৰ উপত্যকাৰ গাৰো, কছাৰী, চুটীয়া, ৰাভা, কোচ, লালুং, মেচ, হাজং, হোজাই, ডিমাছা আদি লোকসকলক বুজাব খুজিছে। এই তালিকাত পৰৱৰ্তী সময়ত বড়ো ভাষা বা জনগোষ্ঠী হিচাপে বিকাশ লাভ কৰা লোকসকলৰ নাম নাই। পৰৱৰ্তী বহুত পিছতহে

আধুনিক স্বতন্ত্ৰ এটি বড়ো জনগোষ্ঠী আৰু ভাষা হিচাপে আৱিষ্কাৰ কৰে বি এইচ হডচন চাহাবে। 'The Maches are popularly known as Bodo or Boro. It was B. H. Hodgson who first dicoverd the word Bodosou the meches of Darjeeling district in 1846 where writting about them. Since them the word Bodo has been used as a generic tern to denote the different branches of the Mech language. (1903:111:11)

এই ক্ষেত্ৰত স্বতন্ত্ৰ গোষ্ঠী হিচাপে বিকাশ লাভ কৰা গাৰো, চুটীয়া, ৰাভা, কোচ, লালুং (তিৱা), হাজং আদি জনজাতিবোৰক বড়ো বুলি কোৱাৰ যুক্তি ক'ত? তেওঁলোক বৃহৎ বড়ো বা বদো পৰিয়ালৰ হলেও তেওঁলোক বড়ো নহয়। আজি কিছুমান তথাকথিত পাবত গজা পণ্ডিত নামধাৰীলোকে বড়ো মা বদোৰ ভুল ব্যাখ্যা কৰি অন্যান্য লোকসকলক বড়ো সজাব খুজিছে। বিশেষকৈ কোচসকলৰ স্বতন্ত্ৰ জাতিসত্বা আৰু ইতিহাসক উপলুঙা কৰি নস্যাৎ কৰি কোচ ৰজা নৰনাৰায়ণ চিলাৰায়কো বড়ো সজাই সত্যৰ অপলাপ কৰিছে।

হডচনৰ নামকে অনুসৰণ কৰি পৰৱৰ্তী ভাষাবিদ গ্ৰিয়াৰছন, সুনীতি কুমাৰ চট্টোপধ্যায়ে তিব্বতবৰ্মী ভাষাৰ অসম ধৰ্মী শাখাটোৰ নামকৰণ কৰিছে — বড়ো। ইয়াৰ অন্তৰ্গত কছাৰী বড়ো, লালুং, ডিমাছা, গাৰো, কোচ, ৰাভা, ত্ৰিপুৰা, চুটীয়া আৰু মৰাণ আদি ভাষাবোৰ ধৰিছে। এই সুযোগতে আমাৰ তথাকথিত পণ্ডিতসকলে বড়ো, কোচ, ৰাভা, ত্ৰিপুৰাক একাকাৰ কৰি বড়োৰ পাল্লা ভাৰী কৰিলে, কিন্তু তেওঁলোকে গমি নাপালে অসম ধৰ্মী শাখাটোৰ আন এটি নাম আছে সেয়া লোহিত অৰ্থাৎ লুইত পৰীয়া ভাষা। এই নামটো ব্যৱহাৰ কৰিলে নিশ্চয় এনে বিতৰ্কৰ সৃষ্টি নহ'লহেতেন। গতিকে আজিৰ প্ৰেক্ষাপটত ইয়াকে ক'ব পাৰো যে পণ্ডিতসকলৰো নিৰপেক্ষ আৰু চালিজাৰি চোৱাৰ দৃষ্টিভংগী থকা প্ৰয়োজন। আনহাতে কিছুমান বড়ো পণ্ডিতে যিদৰে সম্প্ৰসাৰণবাদ নীতিৰে বড়ো ভাষা আৰু জাতিৰ তথ্য ভুল নীতিৰে আনৰ তথ্য বিশেষকৈ কোচ ৰাজবংশীসকলৰ তথ্য বিকৃত কৰি নিজৰ ভঁৰাল চহকী কৰিব খুজিছে সেয়া সঠিক হৈছে বুলি ক'ব নোৱাৰি।

বড়ো নাম ওপৰত কোৱাৰ দৰে এটাক কওঁতে আনটোৰ বুজায় তাৰ কিছুমান উদাহৰণ দিলে কথাটো পৰিষ্কাৰ হ'ব ডঃ বাণীকান্ত কাকতিৰ লিখিনিত পাওঁ —"Among the tibeto Burman People the Bodos were most powerful. They built strong Kingdoms under different names, the chutiyas, the kacharies, the koches etc. The Bodo Folks who live to the west of kamrup District are called Mech. Those who lived in and to the east of Kamrup District are called Kacha or Kacharies. (1940: 42)

আন এগৰাকী পণ্ডিত ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা দেৱৰ মতে, The important group of the tribes of the Tibeto, Barman were known as Bodos forms the numerous and important section of the non aryan people of Assam. The Bodo group of the tribes includes the koch, the kochari, the lalung, the Garo, the Rabha, the Tippara, the chutiya and the Maran. The Bodo group of people who live to the west of the present kamrup District are called Mech. Those of them who live in and to the east of District Kamrup are called Kachari (1969:7)

ওপৰৰ দুয়োগৰাকী পণ্ডিতৰ উক্তিত কেইটামান কথা স্পষ্টকৈ প্ৰকাশ হৈছে প্ৰথমতে কাকতিয়ে কলে যে — বড়োসকল চুটীয়া, কছাৰী, কোচ আদি বিভিন্ন নামত শক্তিশালী ৰাজ্যস্থাপন কৰিছে আৰু তিব্বতধৰ্মী লোকসকলৰ ভিতৰত তেওঁলোক অধিক শক্তিশালী। দ্বিতীয়তে তেওঁ কৈছে বড়োসকল কামৰূপৰ পশ্চিমত মেচ আৰু পূৰ্বত কছাৰী হিচাপে পৰিচিত।

একেখিনি কথাকে বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ উক্তিত পাইছো অলপ ভিন্ন ভাবে। যেনে তেওঁ কৈছে — তিব্বত ধৰ্মী লোকসকলৰ ভিতৰত বড়োসকল হ'ল এটি গুৰুত্বপূৰ্ণ শাখা আৰু অসমৰ অনাৰ্য জনগোষ্ঠীৰ ভিতৰত সংখ্যাধিক্য জনজাতি। বড়ো জনজাতিৰ ভিতৰত কোচ, কছাৰী, লালুং, গাৰো, ৰাভা, ত্ৰিপুৰী, চুটীয়া আৰু মৰাণ বুলি কৈ কামৰূপৰ পশ্চিমত মেচ আৰু পূবত তেওঁলোক কছাৰী হিচাপে পৰিচিত বুলি কৈছে।

এতিয়া প্ৰশ্ন হ'ল উপৰৰ দুগৰাকী বৰণ্য পণ্ডিতৰ লেখা পৰ্যালোচনা কৰিলে অথবা বাস্তৱ প্ৰেক্ষাপটত বিচাৰ কৰিলে সেয়া সঁচা জানো? অৰ্থাৎ অসমত বসবাস কৰা গাৰো, কোচ, ৰাভা, ত্ৰিপুৰী, লালুং, চুটীয়া আৰু মৰাণসকল কামৰূপৰ পশ্চিমত মেচ আৰু পূবত কছাৰী বুলি পৰিচিত জানো? অথবা তেওঁলোক বড়ো নে? অথবা এই দুগৰাকী পণ্ডিতে ভুল কৰিছে নেকি? আজি কিছুমান পণ্ডিত নামধাৰী অপণ্ডিত ব্যক্তিয়ে এই দুগৰাকী পণ্ডিতৰ উক্তিৰে নহয় আন কেইজনমান পণ্ডিত যথা হডচন, গ্ৰীয়াৰছন, সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ উক্তি উত্থাপন কৰি তাৰ অপব্যাখ্যা আৰু অপপ্ৰয়োগ কৰি সকলো জনগোষ্ঠীকে বড়ো, মেচ, কছাৰী আদিৰ অন্তৰ্ভুক্ত কৰিছে। অকল সেয়াই নহয় কোঁচ ৰজা নৰনাৰায়ণ, চিলাৰায় আৰু তেওঁৰ পিতৃক হাৰিয়া মণ্ডল ওৰফে ৰহিদাস মণ্ডলক মেচ সজাই ইতিহাসৰ অপব্যাখ্যা কৰিছে আৰু কৰি আছে। আচলতে প্ৰকৃত কাৰণটো কি? এসময়ত তিব্বত-বৰ্মীসকলৰ শ্ৰেণীগত নাম হিচাপে বড়ো আৰু মেচ কছাৰীসকলকো কোৱা হৈছিল। অৰ্থাৎ বড়ো হিচাপে তিব্বতধৰ্মী সকলকো বড়ো বুলি কোৱা হৈছিল ফলত সকলোকে একাকাৰ কৰি পেলোৱাত আজি এনে সংকটৰ সৃষ্টি হৈছে আৰু ঢাল হিচাপে পণ্ডিতসকলৰ উক্তিবোৰ ব্যৱহাৰ কৰি ভুল বাখ্যা দিছে।

গ্ৰিয়াৰচনৰ আন এটি উক্তি চাওক — 'Bodo or Bara is the name by which Mech or mes and the kachari calles themselves. The Bodo Folk who live to the west of kamrup district are called Mech. Those of Boro who live in and to the east of the District Kamrup are called Kacharis. অৰ্থাৎ বড়ো বা বৰো হৈছে তেওঁলোকৰ নাম যি নামেৰে মেচ আৰু কছাৰীসকলে নিজকে কয়। যিসকল বড়ো কামৰূপ জিলাৰ পশ্চিমত থাকে তেওঁলোকক কোৱা হয় মেচ যিসকল বড়ো কামৰূপ জিলা আৰু তাৰ পূৱত থাকে তেওঁলোকক কয় কছাৰী। গ্ৰীয়াৰ্চন বক্তব্য হডচনৰ অনুৰূপ। পিছে এটা কথা দিনৰ পোহৰৰ দৰে সত্য হ'ল যে, ৰাভা, গাৰো, কোচ, লালুং, চুতীয়া, মৰাণ আৰু ত্ৰিপুৰীসকল কোনোদিনে পশ্চিমত মেছ আৰু পূবত কছাৰী বুলি পৰিচিত নাছিল।

হডচনে ডিমাছা কছাৰীসকলকো বড়োৰ নামত অন্তভুৰ্ক্ত কৰাৰ কাৰণে তেওঁৰ লেখাত পূব আৰু দক্ষিণত কছাৰী বুলি পৰিচিত আছিল বুলি পোৱা যায়। আনহাতে গ্ৰীয়াৰছনে ডিমাছাসকলক নিজকে কছাৰী বা বড়ো বুলি কোৱা কথা পোৱা নাযায়।

এইখিনিতে অনুমান কৰিব পাৰি যে ডঃ কাকতি বা গ্ৰিয়াৰছন আদি পণ্ডিতসকলে আচলতে

কি ক'ব বিচাৰিছে সেইটো ভালদৰে বিচাৰ নকৰি মেচ-কছাৰী বড়োসকল কামৰূপৰ পশ্চিমত মেচ আৰু তাৰ পূবত কছাৰী বুলি অভিহিত কৰিছে। গ্ৰীয়াৰছনে দুবিধ বড়োৰ কোনবিধ বড়োৰ কথা কৈছে সেইটো চিন্তা নকৰি অনা কছাৰী বড়োক পশ্চিমত মেচ আৰু পূবত কছাৰী বুলি কৈছে। আচলতে মেচ-কছাৰীক বুজাবৰ কাৰণে ব্যৱহৃত অবিধা বড়ো আৰু তিব্বত বৰ্মীক বুজাবৰ কাৰণে প্ৰয়োগ কৰা বড়োৰ ৰূপ আৰু ইংৰাজী বানান যিহেতু একে তাৰ কাৰণে এনে মতিভ্ৰম ঘটিছে।

আজি অসমৰ তিব্বত বৰ্মীসকল কৃত্ৰিমভাৱে বড়ো কাৰণ তেওঁলোকৰ ভাষাৰ শ্ৰেণীগত নাম বড়ো, কিন্তু ভাষাৰ নাম বড়ো হোৱাৰ অৰ্থ এইটো নহয় যে মানুহ বিলাকো বড়ো কোচ। অসম বমী ভাষা গোষ্ঠী লোকসকলৰ শ্ৰেণীগত নাম বড়ো দিয়াৰ মূলতে আছিল ইয়াৰ মাজত থকা সাদৃশ্য বা মিল। সেয়ে হয়তো এঞ্জেলচ আৰু এণ্ডাৰৰ্ছন আদি পণ্ডিতসকলে গাৰো চুতীয়া কোচ, ত্ৰিপুৰী আদি ভাষাক বড়ো ভাষাৰ অন্তৰ্গত কৰিছে। সম্প্ৰতি বড়ো, গাৰো, কোচ, ত্ৰিপুৰী আদি বড়োমূলীয় হলেও একোটাকৈ স্বতন্ত্ৰ ভাষা আৰু জনগোষ্ঠী। যিদৰে বাংলা আৰু অসমীয়া ভাষা বহুতক্ষেত্ৰত সাদৃশ্য থাকিলেও একে মাগধী প্ৰাকৃত মূলীয় একোটাকৈ স্বতন্ত্ৰ ভাষা হিচাপে বিকাশ লাভ কৰিছে।

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট যে বড়ো হ'ল মেচ-কছাৰীসকলৰ এটা নাম। আনহাতে, তিব্বতবৰ্মী অসম শাখা বা অসমবৰ্মী ভাষিক গোষ্ঠীৰো শ্ৰেণীগত নাম বড়ো। এই দুয়োটা নাম ব্যৱহাৰ কৰা হৈছে উনবিংশ শতিকাত। কিন্তু সেই সময়ত অসম মংগোলীয়সকলৰ নাম আছিল লোহিতিক। গ্ৰিয়াৰছান এই লোহিতক শব্দটোৰ অৰ্থ কৰিছিল অসমবাসী বুলি। ভাৰতীয় ভাষা পিয়ল গ্ৰন্থত গ্ৰিয়াৰচনে হডসনৰ বড়ো নামটো গ্ৰহণ কৰাৰ ফলত এই খেলিমেলি হ'ল। ফলত বহুত সুবিধাবাদী পণ্ডিতে ইয়াৰে সুযোগ গ্ৰহণ কৰি কোচ, ৰাভা, গাৰো, ত্ৰিপুৰী আদি জনগোষ্ঠীবোৰক মেচ বা বড়ো জনগোষ্ঠীভুক্ত কৰি কাজিয়াৰ সূত্ৰপাত কৰিছে।

এতিয়া আহিছো কোচ-ৰাজবংশীসকলৰ কথালৈ। বৃটিছ চৰকাৰৰ আমোলত হোৱা লোক পিয়লবোৰৰ প্ৰতিবেদনত আমি কোচসকলৰ বিভিন্ন নাম পাওঁ। ৰাজবংশী, কোচৰাজবংশী, কোচৰাজবংশী-ক্ষত্ৰিয়, পালিয়া, টিমাৰা, দেশীয়া আদি নামেৰে পৰিচয় দিয়া লোকবোৰক পণ্ডিতসকলে আচলতে কোচ বুলি ঠাৱৰ কৰিছে। আনহাতে কোচসকলৰ বিষয়ে গৱেষণা কৰা এজন পণ্ডিত শিৱেন্দ্ৰ নাৰায়ণ কোচ দেৱে ঋগৱেদ, ব্ৰাহ্মণ, পুৰাণ মহাকাব্যকে ধৰি অন্যান্য সংস্কৃত গ্ৰন্থ আৰু উনবিংশ-বিংশ শতিকাৰ প্ৰাচ্য পাশ্চাত্য পণ্ডিতসকলৰ বিশ্লেষণ ধৰ্মী টীকা টিপ্পনিৰ পৰা সোতৰটা নামেৰে কোচসকল পৰিচিত আছিল বুলি জনাইছে। তাৰ ভিতৰত কোচসকলক বুজাবলৈ কুবাচ, কয়বো, কবস (কবচ) কম্বোজ, পানি, পানিকোচ, পালিকা গালিয়া, কোচন, কুজলাকোচ, ন্যাস্য, টিয়াৰা, দেশী বা দাৰী, গোৰামী, ধেয়ান, খেন খ্যান আদি উল্লেখযোগ্য। কোচসকলেই পৰৱৰ্তীসময়ত পশ্চিম অসম, উত্তৰ বঙ্গ, ৰংপুৰ (বাংলাদেশ), নেপালৰ ঝাপা, মৰং, বিহাৰৰ প্ৰাচীণ পূৰ্ণিমা আদি জিলাত ৰাজবংশী নামেৰে পৰিচয় লাভ কৰিছে। তেওঁলোক আৰ্য্যভাষা আৰু হিন্দু ধৰ্মীলোক বুলি প্ৰতিষ্ঠা কৰিছে।

কোচসকল বৈদিক যুগৰ পৰাই প্ৰসিদ্ধ সুপ্ৰাচীন জনজাতি। তেওঁলোকে প্ৰাচীন কালৰ পৰা ভাৰতত থকাৰ প্ৰমাণ বেদ ব্ৰাহ্মণ, পুৰাণ, তন্ত্ৰ, মহাকাব্য, জৈন আৰু বৌদ্ধ গ্ৰন্থবোৰে দিয়ে বড়ো

কছাৰীৰ উল্লেখ ১৩শ শতিকাত মিনহাজাৰ বুৰঞ্জীত মেচ (Raverty Tabaquat 1 Nasiri) আৰু আহোম বুৰঞ্জীত তিমাছা বা ডিমাছা কছাৰী হিচাপে পোৱা যায়। Gait History of Assam। সেইখিনি সময়তে একাংশই কোচ মেচ বা কছাৰী হিচাপে পৰিচয় লাভ কৰিছিল। এই কথা ডঃ লাথামৰ বক্তব্যই সমৰ্থন কৰে। লাথামৰ মতে বড়ো, গাৰো, কোচ, বিশাল আদি একে মূলৰ পৰা আহিছে আৰু অতীতত সকলোৰে কোচনামেৰে পৰিচিত আছিল।

আনহাতে কিছুমান তথা কথিত লেখকে কোচ সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা মহাৰাজ বিশ্বসিংহৰ পিতৃ হাৰিয়া মণ্ডলক মেচ বুলি কৈ হুলস্থুল কৰিছে। এই ক্ষেত্ৰত অসম বুৰঞ্জীৰ লেখক গেইট চাহাবে কি কয় চাওক —The progenitor of the koch king was a Moch or koch – it is not certain which named Harya Mandal a resident of chiknagram, a village in the khuntaghat paragana of the Goalpara District. He was recognized head of twelve leading families of Moches (or koches) living in the Paragana. ঐতিহাসিক চেনেহী বেগমে ইয়াৰ অনুবাদ কৰিছে এইদৰে — কোসকলৰ পূৰ্বপুৰুষ কোচ নে মেচ আছিল জনা নাযায়। তেওঁৰ নাম আছিল হাৰিয়া মণ্ডল। তেওঁৰ বাসস্থান আছিল বৰ্তমান গোৱালপাৰা জিলাৰ খুণ্টাঘাট পৰগাণাৰ চিকণগ্ৰাম। এই পৰগনাত বাস কৰা বাৰটা মেচ (বা কোচ) পৰিয়ালৰ তেওঁ মুখীয়াল আছিল। বাক্যটো শেষ হোৱাৰ পিছত এটি তৰা চিহ্ন দি গেইট চাহাবে বাৰজন মুখীয়াল ব্যক্তিৰ নাম দিছে পাণবৰ, ফেদেলা, ফেদফেদা, বাড়ীহানা, কঠিয়া, গেৰাব, মেখা, বৈশাগু, জগাই, গুৰিকটা আৰু ডখাৰু বন্ধনীত এই আটাইবোৰ বড়ো নাম বুলি উল্লেখ কৰিছে।

এতিয়া প্ৰশ্ন হ'ল — হাৰিয়া মণ্ডল মেচ বুলি বা কোচ বুলি গেইটে কৈছে জানো? আনহাতে বাৰজন মেচৰ লগত হাৰিয়াৰ নাম ক'ত? হাৰিয়াৰ নাম সংযোগ কৰিলে তেৰজন মেচ নহ'ব জানো। ওপৰৰ কথাখিনিত হাৰিয়াক বাৰজন মেচৰ মুখীয়াল বুলিহে কোৱা হৈছে মেচ বুলি কোৱা হোৱা নাই এই কথা দিনৰ পোহৰৰ দৰে স্পষ্ট। হাৰিয়াৰ পুত্ৰ বিশ্বসিংহ তেওঁৰ পুত্ৰ নৰনাৰায়ণ চিলাৰায় আদিকে ধৰি পৰৱৰ্তী প্ৰায়বোৰ ঐতিহাসিকে কোচৰজা বুলি প্ৰতিষ্ঠা কৰিছে। তেনেক্ষেত্ৰত নতুনকৈ নৰনাৰায়ণ চিলাৰায়ক হাৰিয়া মেচৰ নাতি বুলি যিসকল লেখকে প্ৰতিষ্ঠা কৰিব খুজিছে সেয়া যে বাতুলতা এই কথা নিশ্চয় সকলোৱে বুজি পাব।

সেইদৰে আৰ্য্য পণ্ডিতসকলে তিব্বতবৰ্মী ভাষীলোকসকলৰ সমান ম্লেচ্ছ বুলি উল্লেখ কৰা দেখা যায়। কেতিয়াবা আৰ্যসকলে অনাৰ্য লোকসকলক দানব, অসুৰ, দস্যু অভিধাৰে অতিবাহিত কৰিছে। পৰৱৰ্তী সংস্কৃত ম্লেচ্ছ শব্দটোৰ প্ৰাকৃত ৰূপ হ'ল মোছা বা মেচ। যাৰ আধুনিক ৰূপ মেচ বা জাতি হিচাপে ত্ৰয়োদশ শতিকাৰ লিখনিতহে পাইছো। তাৰ পূৰ্বত মেচ শব্দটো পাবলৈ নাই। গতিকে সেইসময়ত কোচ, মেচ আৰু সমান্তৰালভাৱে তিনিটা জাতিসূচক নাম ব্যৱহাৰ হৈছে। তেনেক্ষেত্ৰত মেচসকলে কোচ বুলি কোৱাৰ যুক্তি ক'ত? ■

লেখকৰ ফোন — ৯৪৩৫০২৯৮৩৫

# দৰ পূজা

ডঃ বিজয় শৰ্মা

দৰ পূজা কোঁচ ৰাজবংশীয় ৰজাসকলৰ এটি কৃত্য। সাধাৰণতে ৰজাসকলে কোনো এখন যুদ্ধলৈ যোৱাৰ আগমুহূৰ্তত দৰ পূজা অনুষ্ঠিত কৰা হৈছিল। বৰ্তমানে বিজয়া দশমীৰ দিনাহে দৰপূজা অনুষ্ঠিত হয়।

দৰ শব্দৰ অৰ্থ ভয়। ভয় দেখুৱাবৰ বাবে অথবা ভীতি প্ৰদৰ্শনৰ বাবে যি পূজা অনুষ্ঠিত হৈছিল তাক দৰপূজা বোলা হয়। সোণ-ৰূপৰ নাল লগোৱা তৰোৱাল দুখন পূজাৰ সময়ত এখন আসনত থৈ পূজা মণ্ডপৰ ওচৰত ৰাখে। পূজাৰীয়ে দুয়োখন তৰোৱালৰ ওপৰত শান্তিপানী ছটিয়াই শুদ্ধ কৰে। গৃহস্থই এই তৰোৱাল দুখনক 'দৰ' বোলে।

ব্ৰাহ্মণ সম্প্ৰদায়ৰ উপনয়ন অনুষ্ঠানৰ দিনাৰে পৰা সাত দিন খৰম পিন্ধি হাতত টোকন এডাল লৈ থকা নিয়ম। সাত দিনৰ অন্তত কেইজনমান ব্ৰাহ্মণক ভোজন কৰাই খৰমৰ পৰা ব্ৰতীক নমোৱাৰ লগে লগে লাঠিডালো ত্যাগ কৰে। এই অনুষ্ঠানক দৰ পেলোৱা বোলে।

আৰ্য্যসকলে উপনয়নৰ যোগেদি গাৰ্হস্থ্য আশ্ৰমত প্ৰৱেশ কৰিছিল। গুৰুৰ ঘৰলৈ গৈ শিক্ষা লোৱাৰ সময়ত গুৰুৱে শিষ্যক কেইটামান গৰু দি পঠিয়াই দিয়ে। গৰুৰ সংখ্যা অধিক হোৱাৰ পিছত শিষ্যক পুনৰ গুৰুৰ ওচৰলৈ ঘূৰি আহিবলৈ নিৰ্দেশ দিয়া হয়। সেই সময়ত শিষ্যজনে গো আদি ৰখা কৰিবৰ বাবে লগতে আত্মৰক্ষাৰ বাবে সা-সঁজুলি লগত ৰাখিছিল। সেইবোৰৰ প্ৰয়োজন নাইকিয়া হ'লে পেলাই দিয়ে। বোধহয় উপনয়নত ব্যৱহাৰ হোৱা তেনে সজুলিবোৰেই দৰ।

বিশ্বসিংহ, নৰনাৰায়ণ, চিলাৰায় আদিৰ দিনত কোনো এখন ৰাজ্য জয় কৰিবলৈ যোৱাৰ আগ মুহূৰ্তত দুৰ্গা বা চণ্ডীক পূজা কৰা হৈছিল। ইয়াৰ নাম 'ৰণ চণ্ডী'ৰ পূজা। পূজাৰ জৰিয়তে শক্তি সঞ্চয় কৰি যুদ্ধলৈ যাত্ৰা কৰা হৈছিল। পূজাৰ অন্তত দেৱী পূজাৰ ভোগ গ্ৰহণ পূৰ্বে ধনুকাঁড় তৰোৱাল আদি লৈ সৈন্যসকলে বীৰত্ব সূচক অংগী-ভংগী কৰিছিল আৰু ঢোল-দুন্দুভিৰ শব্দৰ তালে তালে

সিৰাই সিৰাই তপ্ত ৰুধিৰ প্ৰবাহিত কৰি সৈন্য সকলক যুদ্ধৰ বাবে প্ৰস্তুত কৰিছিল। এনেধৰণৰ সৈন্য সামন্তৰে 'শক্তিশালী লোকে কাতি বা চ'ত মাহত শত্ৰুৰ দেশলৈ অভিযান কৰা উচিত আন সময়ত নহয়।'

ৰণচণ্ডী পূজাৰ দ্বাৰা সৈন্য সেনাপতিসকলে দেৱীৰ পৰা শক্তি লাভ কৰি শত্ৰু সৈন্যৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল বাবেও এই পূজাক দৰ পূজা বোলা হৈছিল।

মূৰাদেওৰ মন্দিৰত দুখন বলি কটা দা আৰু এখন শিলৰ শাল আছে। বহাগ মাহৰ প্ৰথম দিনা শিলৰ শালখন পানীৰে ধুই পৰিষ্কাৰ কৰে। দা কেইখনো পৰিষ্কাৰ কৰি জনজাতীয় নিয়মেৰে পূজা কৰাৰ পৰম্পৰা অধুনাও প্ৰচলিত। দা আৰু বলি শালৰ এই পূজাক দৰ পূজা বোলে। বহাগৰ প্ৰথম দিনাৰ পৰাই উক্ত মন্দিৰত বলিকটা আৰম্ভ হয়। বলিৰ ৰুধিৰে গাঁৰৰ সমৃদ্ধি কঢ়িয়াই আনে। বলি দিওতে যদি একে ঘাপে বলি কটা নাযায় তেনেহ'লে ৰাইজ অথবা দেউৰীৰ অমংগল নিশ্চিত। গতিকে বলি কটা জন উপবাসে থাকি শুদ্ধচিত্ত কৰিহে বলিকটাত প্ৰবৃত্ত হয়। এই প্ৰসংগত বলি কটা দা-খনত শক্তি সংযোগ কৰা বিশেষভাৱে প্ৰয়োজনীয় হৈ পৰে, কাৰণ অনেক সময়ত অপ শক্তিয়ে দাখনৰ শক্তি সংকুচিত কৰে। গতিকে দাখনক ভয় ৰহিত অথবা শক্তিবান কৰাৰ উদ্দেশ্যে বছৰৰ প্ৰথম দিনাই দৰপূজা অনুষ্ঠিত হয়।

দৰঙী ৰাজ্য বৃহৎ কোচ ৰাজ্যৰ অংশ বিশেষ মাথোন। বিশ্বসিংহৰ বংশোদ্ভূত ৰজাসকলে দৰঙী ৰাজ্যত ৰাজত্ব কৰিছিল। এই ৰজা সকলেই পূৰ্বপুৰুষৰ দৰে ৰণ যাত্ৰা কৰিছিল আৰু ৰণ যাত্ৰাৰ পূৰ্বে দৰ-পূজা কৰিছিল। ৰণযাত্ৰা অপ্ৰচলিত হৈ পৰাৰ লগে লগে দৰ-পূজা বিলুপ্তিৰ পথত আগবাঢ়িছে যদিও বিজয়া দশমীৰ দিনা হাউলী মোহনপুৰৰ দৰঙী ৰজাৰ বংশধৰসকলে পূৰ্বপুৰুষসকলৰ পৰম্পৰা ৰক্ষা কৰি পৰম আন্তৰিকতা আৰু শ্ৰদ্ধাৰে দৰপূজা কৰি আহিছে। কোচ ৰজাসকলে পূৰ্বে কৰা দৰপূজাৰ বৈশিষ্ট্য বৰ্তমানৰ দৰ-পূজাত অব্যাহত অৱস্থাত থকা নাই যদিও দশমী-বিহিত পূজা সমাপনৰ পিছত দেৱীক বিসৰ্জন দিয়াৰ আগমুহূৰ্তত বিধিপূৰ্বক দৰ-পূজা অনুষ্ঠিত কৰা দেখা যায়। তাহানি এই পূজাত ম'হ, ছাগলী, হাঁহ, পাৰ, চৰাই ইত্যাদি বলি দিয়া হৈছিল। দৰপূজাৰ উদ্দেশ্য শক্তি সঞ্চয়। ৰাজনৈতিক পৰিৱেশ সলনি হোৱাৰ লগে লগে ৰজাঘৰৰ শক্তি সঞ্চয়ৰ প্ৰয়োজনীয়তা নোহোৱা হ'ল। তেনে অৱস্থাত দৰ পূজাৰ গুৰুত্ব হ্ৰাস পোৱাটো স্বাভাৱিক, তথাপিতো দেৱ-দেৱীক পূজা অৰ্চনা কৰোতে দায়-দোষ লগাৰ ভয়ত, লগতে পূজাৰ সামগ্ৰীৰ যাতে ভয় নকৰাকৈ যথাবিহিত কাৰ্য সম্পাদন কৰিব পাৰে সেই উদ্দেশ্য মুৰাদেও মন্দিৰত এতিয়াও দৰপূজা পৰম্পৰাগতভাৱে অনুষ্ঠিত হৈ আহিছে।

চিকাৰজীৱী আদিম মানৱৰ দৃষ্টিত চিকাৰৰ সঁজুলি সমূহ আছিল অব্যৰ্থ শক্তিৰ আকৰ। চিকাৰলৈ যোৱাৰ আগমুহূৰ্তত সেই সজুলিবোৰক পূজা কৰিলে তাত স্তুপীকৃত হৈ শক্তি জাগ্ৰত হয়। এনে এটা যাদুমূলক বিশ্বাসৰ আধাৰতেই যে দৰ পূজাৰ পৰম্পৰাই জন্ম লাভ কৰিছিল তাত সন্দেহ নাই। ■

# সংগ্ৰাম সিংহৰ সংগ্ৰাম

বুদ্ধেশ্বৰ ৰায়

মঙ্গোলীয় ফৈদৰ পৰা ক্ৰমে নগা, কোচ, ডিমাচা, গাৰো, ৰাভা, চুটীয়া, ভুটিয়া, লালুং বা তিৱা, হাজং, টিপ্ৰা, কাছাৰী, মৰাণ, মটক ইত্যাদি জনগোষ্ঠীবোৰৰ সৃষ্টি হয়। এই জনগোষ্ঠীবোৰেই উত্তৰ-পূব ভাৰতৰ ভূমিপুত্ৰ তথা খিলঞ্জীয়া। যুগ আৰু সময়ৰ বিৱৰ্তনত তেওঁলোকৰ বাহিৰেও বিভিন্ন জনগোষ্ঠীৰ লোকসকল উত্তৰ-পূব ভাৰতৰ প্ৰৱেশ কৰিছিল। তাৰে ভিতৰত অষ্টম শতিকাৰ পৰা পৰৱৰ্তী কালত প্ৰৱেশ কৰিছিল আৰ্যসকল। ত্ৰয়োদশ শতিকাত প্ৰৱেশ কৰিছিল ক্ৰমে আহোম আৰু মুছলমানসকল।

এনে প্ৰক্ৰিয়াৰ মাজতে বিভিন্ন জাতি উপ-জাতি সত্বাসমূহে অখণ্ড কামৰূপ ৰাজ্যৰ বিভিন্ন ঠাইত ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰি সফল হৈছিল। সেই সকলৰ ভিতৰত উল্লেখযোগ্য হ'ল তেৰশ শতিকাত অবিভক্ত অসমৰ পূব দিশে তথা সোৱণশিৰিৰ পূৱে ডিচাঙৰ আশে পাশে চুটীয়া সকলৰ ৰাজ্য। ইয়াৰ দক্ষিণ-পশ্চিমৰ এটা অংশত স্বাধীনভাৱে বসবাস কৰি আছিল বৰাহী, মৰাণ আৰু কছাৰী জনজাতিৰ লোকসকল। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে কলং আৰু পৰৱৰ্তী অঞ্চল তথা ধনশিৰি উপত্যকাৰ পৰা উত্তৰ কাছাৰলৈ ডিমাচা, কছাৰীসকলে ৰাজত্ব কৰিছিল। কছাৰী ৰাজ্যৰ পশ্চিম আৰু উত্তৰে আছিল ভূঞাসকল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে হাবুবু আৰু দক্ষিণে দিখৌ মুখ তথা শিমলুগুৰিলৈ আছিল ত্ৰয়োদশ শতিকাৰ প্ৰথম দশকত ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰা আহোম সকলৰ ৰাজ্য। পৰৱৰ্তী কছাৰী, বৰাহী, মৰাণ, চুটীয়া ৰাজ্যৰ লগতে টিপমিয়া, খাম-জাং আইতানসকল আহোম ৰাজ্যৰ অধীন হয়। পিছলৈ পূৱে শদিয়াৰ পৰা পশ্চিমে কলং নৈলৈ আহোম ৰাজ্যৰ সীমা নিৰ্ণয় হয়।

সেইদৰে পূবে কলং নৈ, পশ্চিমে কোচি নৈ, উত্তৰে হিমালয়ৰ পৰা দক্ষিণে মৈমনসিং, ৰংপুৰ তথা বঙ্গপসাগৰলৈ থকা বিশাল ভূ-খণ্ডখনেই আছিল সমগ্ৰ উত্তৰ পূব ভাৰতৰ

সৰ্বদিশত সৰ্বকালৰ বাবে ভাষা, সাহিত্য, কলা-কৃষ্টি, সভ্যতা-সংস্কৃতিৰ বৰভেটি নিৰ্মাতা কামৰূপ-কমতা ৰাজ্য। ইতিহাস প্ৰসিদ্ধ কোকৰাঝাৰ জিলা সদৰ চহৰৰ পৰা ৩০ কিঃ মিঃ উত্তৰে অৱস্থিত চিকনাঝাৰত কোচ দলপতি হাৰিয়া মণ্ডল তথা হৰিদাস মণ্ডলৰ ঔৰসত জন্মগ্ৰহণ কৰা বিশ্বসিংহই যোল্ল শতিকাৰ প্ৰথম দশকত গৌড় নবাব হুছেন সাহৰ পুত্ৰ ডানিয়ালক শিৰশ্চেদ কৰি গৌড় শক্তিৰ পৰা কামৰূপ-কমতা ৰাজ্যখন পুনৰ উদ্ধাৰ কৰে। তেওঁ বাৰ ভূএঞা সকলক অধীনস্থ কৰি কোচবিহাৰৰ পৰা ১৪ মাইল দক্ষিণ পশ্চিমে অৱস্থিত কামৰূপ-কমতা ৰাজ্যৰ ৰাজধানী চিকনাঝাৰৰ পৰা গোসানিমাৰিলৈ স্থানান্তৰ কৰিছিল। বিশ্বসিংহই ১৪৯৬ খ্ৰীষ্টাবাদৰ পৰা ১৫৩৩ খ্ৰীষ্টাব্দ পৰ্যন্ত কামৰূপ-কমতা ৰাজ্য শাসন কৰিছিল। বিশ্বসিংহ এজন মহান হিতৈষী, বিৰাট যোদ্ধা, সু-দক্ষ সংগঠক, ন্যায় পৰায়ণ, সু-দক্ষ শাসক, অসাধাৰণ সাহসী, অতিশয় ধাৰ্মিক, সহিষ্ণু, আকাশলংঘী লক্ষ্যৰে দুসাহসিক কাৰ্য্যৰ জীৱন্ত প্ৰতীক। সেয়েহে নৰনাৰায়ণ আৰু চিলাৰায় বংশানুক্ৰমে মহৎ গুণৰ অধিকাৰী আছিল বুলিব পাৰি। বিশ্বসিংহই নিজ সন্তানসকলক যুদ্ধৰ কলা-কৌশল, মল্ল-যুদ্ধ, শাস্ত্ৰাধ্যয়ন, অস্ত্ৰ-শস্ত্ৰ চালনা, অশ্বাৰোহন, ঢাল-তৰোৱাল, ধনুকাঁড়, আগ্নেয়াস্ত্ৰ চালনা আদিৰ প্ৰশিক্ষণ দিছিল। বিশ্বসিংহই মল্লদেৱ তথা বাৰানসীলৈ পঠিয়াইছিল। বিদগ্ধ পণ্ডিত সন্যাসী ব্ৰহ্মানন্দ স্বামী আছিল তেওঁলোকৰ শিক্ষাগুৰু। তেওঁলোকে শাস্ত্ৰজ্ঞান, অস্ত্ৰৰ বিষয়ে জ্ঞান, ৰাজনীতি, জ্যোতিষ শাস্ত্ৰ, অংক শাস্ত্ৰ, দৰ্শন, ব্যাকৰণ ইত্যাদি বিষয়ৰ ওপৰত সুদীৰ্ঘ বাৰ বছৰ বাৰানসীত শিক্ষা লাভ কৰিছিল।

ইতিহাসৰ পৰা জনা যায় যে নৰনাৰায়ণ আৰু চিলাৰায়ৰ পিতৃ বিশ্বসিংহই গৌড় দেশৰ দুগৰাকী ৰাজকুমাৰী ক্ৰমে হেমপ্ৰভা আৰু পদ্মাৱতীক বিয়া কৰায়। সেই সূত্ৰে হেমপ্ৰভা আছিল নৰনাৰায়ণ আৰু পদ্মাৱতী আছিল শুক্লধ্বজ তথা চিলাৰায়ৰ মাতৃ। তেওঁলোকক ধাত্ৰী মাতৃ ৰতনীয়ে ভালদৰে যত্ন লৈছিল। ১৫৩০ খ্ৰীষ্টাব্দত বিশ্বসিংহৰ মৃত্যু হয়।

পিতৃ বিয়োগৰ সময়ত নৰনাৰায়ণ আৰু চিলাৰায় কাশী তথা বাৰানসীত অধ্যয়নৰত আছিল। তেওঁলোকৰ অনুপস্থিতিৰ সুযোগ লৈ তেওঁলোকৰে ভাতৃ নৰসিংহই কামৰূপ-কমতা ৰাজ্যৰ ৰজা ৰজা হয়। এই খবৰ পাইয়ে তেওঁলোক বাৰানসীৰ পৰা ঘুৰি আহে আৰু নৰসিংহক যুদ্ধত পৰাস্ত কৰে। ১৫৩০ খ্ৰীষ্টাব্দত নৰনাৰায়ণ কামৰূপ-কমতা ৰাজ্যৰ ৰজা হয় আৰু ভাতৃ চিলাৰায় যুৱৰাজ তথা প্ৰধান মন্ত্ৰী আৰু সৈন্য বাহিনীৰ সৰ্বাধিনায়ক নিযুক্ত হয়। গুৱাহাটীৰ নিকটৱৰ্তী ঠাই তথা পাণ্ডুৰ শক্তিশালী ভূ-স্বামী প্ৰতাপ ৰায় ভূএঞাৰ দুই কন্যা ভানুমতি আৰু চন্দ্ৰপ্ৰভা অতিশয় ৰূপৱতী আৰু ধাৰ্মিক আছিল। যথাক্ৰমে ভানুমতীক নৰনাৰায়ণ আৰু চন্দ্ৰপ্ৰভাক চিলাৰায়ে বিয়া কৰায়। বিভিন্ন উৎসৰ পৰা জনা যায় যে চিলাৰায়ৰ এশজনী পত্নী আছিল। চন্দ্ৰপ্ৰভাৰ উপৰিও শ্ৰীমন্ত শংকৰদেৱে ৰসিক সুজন বুলি প্ৰশংসা কৰা ৰামৰায়ৰ জীয়ৰী কমলা প্ৰিয়াকো পিছলৈ চিলাৰায়ে ছত্ৰশালত বিয়া কৰায়।

চিলাৰায়ৰ শুক্লধ্বজ, শুক্লদেৱ, সংগ্ৰাম হিংস, সমৰ সিংহ ইত্যাদি নাম থাকিলেও তেওঁ চিলাৰায় নামেৰে ভূৱন বিখ্যাত। এডোৱাৰ্ড গেইটে তেওঁক 'কাইট কিং' বুলি অভিহিত

কৰিছিল। চিলনীৰ দৰে অপ্ৰত্যাশিতভাৱে শত্ৰুপক্ষৰ ওপৰত জঁপিয়াই পৰাৰ বাবে তেওঁক চিলাৰায় নামে জনাজাত। সুঠাম শুকুলা চেহেৰাৰ বীৰজনে শুকুলা ঘোঁৰাত উঠি শুকুলা পোছাকেৰে হাতত শুকুলা পতাকা লৈ কোচ সৈন্য বাহিনীৰ সৰ্বাধিনায়ক হৈ শত্ৰুক বা দেশ জয় কৰাৰ বাবে তেওঁক শুক্লধ্বজ নাম দিয়া হৈছিল। বিশ্ববিখ্যাত ঐতিহাসিক আৰ্নল্ড টয়নবিয়ে বিশ্বৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ তিনিগৰাকী বীৰৰ ভিতৰত চিলাৰায় এজন বুলি মন্তব্য কৰিছে। আন দুগৰাকী হ'ল ক্ৰমে চত্ৰপতি শিৱাজী আৰু নেপোলিয়ন বোনাপাৰ্ট। চিলাৰায় আছিল কোচ শক্তিৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিভূ মহাৰাজ নৰনাৰায়ণৰ প্ৰধান মন্ত্ৰী, সংযুক্ত সৈন্য বাহিনীৰ সৰ্বাধিনায়ক, কামৰূপকমতাৰ যুৱৰাজ। মহাপুৰুষ শংকৰদেৱৰ দৰেই চিলাৰায় আছিল সৰ্বগুণী আৰু মহান বিচক্ষণ পুৰুষ। বিশ্বত চিলাৰায়েই আছিল গৰিলা ৰণ-কৌশলনৰ প্ৰথম পিতৃ পুৰুষ। ১৫৬৩-৬৪ খ্ৰীষ্টাব্দতেই একুৰি বচা বচা উচ্চ প্ৰশিক্ষণ প্ৰাপ্ত অশ্বাৰোহী সৈন্যৰ দ্বাৰাই নিশাৰ ভাগতে সেই সময়ৰ কছাৰী ৰাজ্যৰ ৰাজধানী মাইবং দখল কৰিছিল। সেইটোৱেই বিশ্বত সৰ্বপ্ৰথম গৰিলা আক্ৰমণ। চিলাৰায় আছিল ভাৰতীয় নৌ বাহিনীৰ জনক। বিশাল কোচ ৰাজ্যখনৰ প্ৰতিৰক্ষাৰ ভাৰ নৰনাৰায়ণে সংযুক্ত সৈন্য বাহিনীৰ সৰ্বাধিনায়ক তথা যুৱৰাজ চিলাৰায়ৰ হাতত অৰ্পণ কৰিছিল। চিলাৰায়ে সৈন্য বাহিনীক দুভাগত বিভক্ত কৰিছিল — স্থল বাহিনী আৰু নৌ বাহিনী। স্থল বাহিনীক আকৌ চাৰিটা ভাগ কৰিছিল। যেনে — পদাতিক, অশ্বাৰোহী, হস্তী বাহিনী আৰু সেৱা বাহিনী। সেৱা বাহিনীৰ অন্তৰ্গত আছিল ৰান্ধনি, পৰিবাহক, নাপিত, বৈদ্য, অভিযন্তা, কুশলী ইত্যাদি। লগত ৰাখিছিল — উট, গাধ, ঘোঁৰা আদি। দুজন এডমিৰেলৰ সহযোগত এক অতি শক্তিশালী নৌ বাহিনীও গঢ়ি তুলিছিল।

নেপলিয়ন বোনাপাৰ্টে যেনেদৰে গোটেই ইউৰোপক এক কৰিবলৈ অবিৰত ভাৱে বিশ বছৰ যুদ্ধ কৰিছিল ঠিক তেনেদৰে — বিশ্ব মহাবীৰ চিলাৰায়েও ১৫৬৪ খ্ৰীষ্টাব্দ পৰ্যন্ত অবিৰত যুদ্ধ কৰি উত্তৰ-পূব ভাৰত তথা অখণ্ড প্ৰাগজ্যোতিষপুৰ বা কামৰূপ এলেকাক এক কৰিব বিচাৰিছিল। তেখেতৰ ৰাজ্য জয় কৰি ৰাজভোগ কৰাই একমাত্ৰ উদ্দেশ্য নাছিল। তেখেত আছিল বিভিন্ন জাতি-উপজাতি সমূহক একতাৰ ডোলেৰে বান্ধিব বিচৰা ঐক্য তথা সম্প্ৰীতিৰ জীৱন্ত প্ৰতীক। যিয়ে পূৰ্বাঞ্চলক এক কৰি শক্তিশালী ৰূপত গঢ়ি তোলাৰ সপোন দেখিছিল। তেখেত আছিল বিৰাট ব্যক্তিত্বৰ এক উজ্বল দৃষ্টান্ত। যাৰ সতে মানৱীয় প্ৰমূল্যসমূহ একাকাৰ হৈছিল। প্ৰেম, দয়া, শান্তি, সম্প্ৰতি, সাম্য, ন্যায়, ধৰ্মনিৰপেক্ষতা, সহনশীলতা ইত্যাদি মানৱীয় গুণেৰে পৰিপুষ্ট আছিল। চিলাৰায়ে হাজোৰ ওচৰত ব্ৰহ্মপুত্ৰৰ সোঁত পোন কৰিছিল। চিলাৰায়ে তাহানিৰ সময়ত জীৱ-জন্তুৰ বাবে চিকিৎসালয় স্থাপন কৰা, পথচাৰীৰ বাবে বিশ্ৰামাগাৰ নিৰ্মাণ, কৃষি ক্ষেত্ৰৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ, কুটীৰ উদ্যোগক উদগনি দিয়া আদি কৰা কাৰ্য্যই চিলাৰায় যে এজন মানৱ দৰদী মহান পুৰুষ তাক সহজে অনুমেয়। সামৰিক বিজয়ৰ অন্তত নিজ ৰাজ্য উন্নতি কৰিবলৈ পৰাজিত ৰাজ্যসমূহৰ পৰা লগত লৈ আহিছিল অভিজ্ঞ চিকিৎসক, বাঢ়ৈ, কলা-কৌশলী লোক সকলক। পৰাজিত ৰাজ্যৰ প্ৰজা বা অঞ্চলসমূহক চিলাৰায়ে কাহানিও অত্যাচাৰ বা অৱহেলা কৰা নাছিল।

সকলোৰে উন্নতিৰ হকে কাম কৰিছিল। আহোম ৰাজ্য, কছাৰী ৰাজ্য, খাছী ৰাজ্য, জয়ন্তীয়া ৰাজ্য, শ্ৰীহট্ট বা চিলেট, গাৰো, মণিপুৰ, ত্ৰিপুৰা, মৈমনসিং, ডিমৰীয়া আদিকো পদানত কৰি অখণ্ড কামৰূপ এলেকা চিলাৰায়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল।

কেৱল সেয়াই নহয় চিলাৰায় আছিল বিজ্ঞান আৰু কলাৰ পৃষ্ঠপোষক। মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ে সমগ্ৰ ভাৰতৰ পণ্ডিত, কবি, সংগীতজ্ঞসকলক ৰাজ্য সভাত আমন্ত্ৰণ কৰি আনি উচ্চাসন দিয়াই প্ৰমাণ কৰে যে চিলাৰায় জ্ঞান আৰু কলাৰ পৃষ্ঠপোষক আছিল। যি সকল পণ্ডিতে নৰনাৰায়ণৰ ৰাজ সভাত উচ্চাসন পাইছিল তেওঁলোক যথাক্ৰমে ৰাম সৰস্বতী, অনন্ত কন্দলী, পুৰুযোত্তম বিদ্যাবাগিশ, দেবনাথ ঠাকুৰ, পিতাম্বৰ সিদ্ধান্ত বাগীশ, কৰ্ণপুৰ, শ্ৰীধৰ দৈবজ্ঞ, বকুল কায়স্থ, কেন্দুকলাই ইত্যাদি। সেইবাবে নৰনাৰায়ণৰ ৰাজ সভাখন বিক্ৰমাদিত্যৰ ৰাজ সভাৰ লগত তুলনা কৰা হয়। উক্ত পণ্ডিতসকলে ৰচনা কৰা গ্ৰন্থসমূহৰ ভিতৰত উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল ক্ৰমে প্ৰয়াগৰ ৰত্নমালা ব্যাকৰণ, মহাভাৰতৰ অনুবাদ, কুলাচল বধ, বকাসুৰ বধ, ব্যাসশ্ৰম, অংক, ভাগৱত দশম স্বন্ধ, সতীৰ চৰিত্ৰ। কোচ ৰাজ্যত থকা সময়ছোৱাত মহাপুৰুষ শংকৰদেৱে অসমৰ সাহিত্য কৰ্মৰাজী সৃষ্টি কৰিছিল। সেইবোৰ হ'ল — কীৰ্তন ঘোষা, ৰুক্মিনীৰ প্ৰেম কলহ আৰু ভৃগুপৰীক্ষা, ভাগৱত অনাদিপতন, বলিচলন দশম, কুৰুক্ষেত্ৰ, কৃষ্ণ প্ৰয়াণ, পাণ্ডৱ-নিৰ্জন, সিদ্ধ-সম্বাদ, উত্তৰাকাণ্ড ৰামায়ণ, ভক্তিৰ আকৰ, কালিয়া দমন নাট, কৃষ্ণগুণমালা, সীতা সয়ম্বৰ, বৰগীত, ভটিমা ইত্যাদি। চিলাৰায়ৰ অনুৰোধত শংকৰদেৱে ৰামবিজয় নাট ৰচনা কৰিছিল। কোচ ৰাজ্যলৈ যি সময়ছোৱাত শংকৰদেৱৰ আগমণ হৈছিল সেই সময়ছোৱাই অসমীয়া ভাষা-সাহিত্য সংস্কৃতি আৰু সভ্যতাৰ সৰ্ব্বোজ্বল সোণালী অধ্যায়। কোচ ৰাজ্যত দুই দশকৰো অধিক কাল একাধাৰে অতিবাহিত কৰা শংকৰদেৱে সাহিত্য আৰু সাংস্কৃতিৰ জগতত যি বৈষ্ণৱ নৱজাগৰণ আনিছিল সেয়া মূলত সম্ভৱ হৈছিল চিলাৰায় আৰু নৰনাৰায়ণৰ বাবে। নৰনাৰায়ণ আৰু চিলাৰায়ৰ শাসন কালতেই অসমীয়া ভাষা সাহিত্য সংস্কৃতিয়ে উচ্চ শিখৰত আৰোহণ কৰিছিল। উল্লেখযোগ্য যে নৰনাৰায়ণ আৰু চিলাৰায়ে শংকৰদেৱক আহোম ৰজা আৰু ব্ৰাহ্মণ পণ্ডিতসকলৰ কোপ দৃষ্টিৰ পৰা ৰক্ষণা-বেক্ষণ দি নিৰাপত্তা প্ৰদান কৰিছিল। নৰনাৰায়ণৰ ৰাজ সভাত যিসকল পণ্ডিতে আসন পাইছিল সেইসকলৰ ভিতৰত শংকৰদেৱৰ আসন আছিল সৰ্বোচ্চ। কোচ ৰজা নৰনাৰায়ণ আৰু যুৱৰাজ চিলাৰায়ে শংকৰ মাধৱক ৰক্ষণা বেক্ষণ নিদিয়া হ'লে আজিৰ অসমত শংকৰদেৱৰ প্ৰাসংগিকতাই নাথাকিলেহেতেন। ইতিপূৰ্বে শংকৰদেৱৰ অতি মৰমৰ ভনী জোৱাই হৰিক আহোম ৰজাই শিৰশ্চেদ কৰি হত্যা কৰিছিল। মাধৱদেৱৰ সৈতে হৰিক আহোম ৰজাই বন্দী কৰি পোতাশালত ৰখাৰ উপৰিও হাতী পহৰাৰ কামত তেওঁলোকক নিয়োজিত কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। এটা হাতী পলাই যোৱাৰ অপৰাধত হৰিক শিৰশ্চেদ কৰা হৈছিল। তেনে এক মুহূৰ্তত নৰনাৰায়ণ আৰু চিলাৰায়ে কোচ ৰাজ্যত শংকৰ-মাধৱক ৰক্ষণা বেক্ষণ দি সাহিত্য আৰু নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰত উৎসাহ যোগাইছিল। এনে প্ৰেক্ষাপটত নৰনাৰায়ণ আৰু চিলাৰায়ৰ অৱদান অসমত কিমান তাৰ

মূল্যায়ন কৰা অসমৰ পণ্ডিত, বুদ্ধিজীৱী আৰু ৰাজনীতিকৰ আজি সময় নাই।

প্ৰকৃতাৰ্থত চিলাৰায় এজন ধৰ্ম নিৰপেক্ষ ব্যক্তি আছিল। ১৫৬৫ খ্ৰীষ্টাব্দত নৰনাৰায়ণৰ নিৰ্দেশ অনুসৰি চিলাৰায়ে কামাখ্যা মন্দিৰ পুনঃ নিৰ্মাণ কৰিছিল। বিশ্বসিংহই নিৰ্মাণ কৰা আৰু গৌড় দেশৰ সেনাপতি কালাপাহাৰে ভঙাই দিয়া কামাখ্যা মন্দিৰটো পুনঃ নিৰ্মাণৰ ক্ষেত্ৰত চিলাৰায়ে ৰাজ্য জয় কৰি পৰাজিত ৰজাসকলৰ পৰা প্ৰাপ্ত উপহাৰ আৰু সোণৰ মুদ্ৰাবোৰ নিজৰ ভোগ বিলাসত খৰচ নকৰি কামাখ্যা মন্দিৰটো নিৰ্মাণৰ বাবে খৰচ কৰিছিল। কামাখ্যা মন্দিৰটো নিৰ্মাণৰ বাবে একাধাৰে বাৰ বছৰ সময় লাগিছিল। আজি সেই কামাখ্যা মন্দিৰটো অসমৰ এটা আন্তৰ্জাতিক সম্পদ। সমগ্ৰ বিশ্বৰ মানুহে আজি কামাখ্যা মন্দিৰ দৰ্শনৰ বাবে উদ্বাউল। মন্দিৰটো দৰ্শন কৰি নিজকে পবিত্ৰ কৰাৰ আকাংক্ষা আজিও বিদ্যমান সমগ্ৰ বিশ্ব মানৱৰ। কেৱল কামাখ্যা মন্দিৰটোকে চিলাৰায়ে নিৰ্মাণ কৰা নাছিল। তেওঁ অন্যান্য মন্দিৰ নিৰ্মাণ কৰাৰ উপৰিও গোলকগঞ্জৰ ছত্ৰশালত থকা ৰামৰায় কুঠি সত্ৰখন নিৰ্মাণ কৰিছিল। তাৰউপৰি শংকৰদেৱক দাহন কৰা স্থান তথা কোচবিহাৰ তৰছা নৈৰ পাৰত থকা ভেলাদাংগা সত্ৰ খনো চিলাৰায়ে নিৰ্মাণ কৰিছিল। কোচ ৰজাৰ ৰাজত্বৰ সময়চোৱাত কোচ, কছাৰী, ব্ৰাহ্মণ, দৈবজ্ঞ, শুদ্ৰ, বৈশ্য জাত, পাতৰ, ভেদাভেদ পৰিহাৰ কৰি একেলগে বসবাস কৰাৰ পৰিৱেশ আছিল। সমাজ কৰ্মী হিচাপেও চিলাৰায় এজন মহান ব্যক্তি আছিল। তাহানিৰ যুগতে তেওঁ চৰাই চিৰিকতি, জীৱ-জন্তুবোৰৰ ৰক্ষাৰ্থে কোচ ৰাজ্যৰ বিভিন্ন স্থানত পশু চিকিৎসালয় নিৰ্মাণ কৰিছিল। প্ৰাকৃতিক ভাৰসাম্য তথা অৰ্থনৈতিক উন্নতি কল্পে খেতিয়ক সকলক বিভিন্ন ফল-মূলৰ বৃক্ষৰোপণ কৰিবলৈ উদগনি দিয়াৰ লগতে নিজ ৰাজ্যৰ বিভিন্ন ঠাইত এই কাৰ্য্য নিজে কৰিছিল। তাৰোপৰি বুদ্ধিমান পণ্ডিতসকলৰ বাবেও চিলাৰায়ে বৃত্তিৰ ব্যৱস্থা কৰিছিল। তেওঁ যুদ্ধ বন্দীসকলক ভূমিদান আৰু অন্যান্য সম্পত্তি দি সুন্দৰ জীৱন যাপন কৰিবলৈ সংস্থাপন দিছিল। হাজো অঞ্চলৰ জনসাধাৰণৰ মংগলাৰ্থে তেওঁ নিজ সৈন্যৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ গতি পথকেই সলনি কৰি দিছিল। যাক আজিও খৰ্গ-স্ৰোত নামেৰে জনাজাত। উল্লেখযোগ্য যে চিলাৰায়ে সাধাৰণ প্ৰজাসকলক শিক্ষা জ্ঞান চৰ্চা কৰিবলৈ সদায় উদগনি জগাইছিল। মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ে অনুধাৱন কৰিছিল যে ৰাজ সভাৰ পণ্ডিতসকলে সংস্কৃত ভাষাৰে শিক্ষিত তথা পণ্ডিত আছিল। তেওঁলোকে সংস্কৃত ভাষাৰ সাহিত্য ৰচনা কৰিলে সৰ্বসাধাৰণে একো বুজি নাপায়। গতিকে তেওঁলোক শিক্ষা আৰু জ্ঞান চৰ্চাৰ পৰা সম্পূৰ্ণ বঞ্চিত। সেয়েহে পণ্ডিতসকলক সংস্কৃতৰ সলনি সাধাৰণ প্ৰজাৰ ভাষাত সাহিত্য সৃষ্টি কৰিবলৈ পৰামৰ্শ দিছিল। সেই ভাষা সাহিত্যই তথাকথিত পণ্ডিতসকলৰ মতে প্ৰাচীন অসমীয়া ভাষা সাহিত্যৰ নিদৰ্শন। প্ৰকৃতাৰ্থত সেই ভাষা সাহিত্যই ৰাজবংশী ভাষা সাহিত্য। অৰ্থাৎ ৰাজবংশী ভাষা সাহিত্যই অসমীয়া ভাষাৰ মূল ভেটি। ■

# বিশ্ব মহাবীৰ চিলাৰায়

কাবেৰী দাস ৰয়

বিশ্ব মহাবীৰ মহান আদৰ্শবাদী
প্ৰতিভাবান কমতাপুৰৰ মহাবীৰ
বাহুবলেৰে ধৰি ৰাখিছিল
কোচ সাম্ৰাজ্য কমতাপুৰ সাম্ৰাজ্যখনি।
দয়ালু মহাৰজা কৰুণাসিন্ধু মহামানৱ প্ৰজাপিতা
শিবাংগী ৰজাবিশ্ব সিংহৰ সুপুত্ৰ
মানৱতাৰ প্ৰতীক।
প্ৰৱল প্ৰতাপী মহাৰজা নৰ নাৰায়ণৰ ভাতৃ
বিশ্ব বিশ্ৰুত মহাবীৰ সংগ্ৰাম সিংহ।
দ্বিগ বিজয়ৰ সপোন দিঠকত ৰূপায়িত কৰি
জয়ৰ শুক্ল পতাকা উৰুৱাই
তীব্ৰ বেগেৰে চেঁকুৰিছিল শুক্ল অশ্ব।
নাম যাৰ বাবে শুক্ল ধ্বজ
দীপ্তিমান নক্ষত্ৰ
কমতাপুৰৰ ৰাজপুত্ৰ
ইতিহাস প্ৰসিদ্ধ চিৰ নমস্য।

বিশ্বত দেখুৱাই বীৰত্ব
চিলাৰ দৰে চোঁ মাৰি ৰণ কৌশলী
অসীম সাহসী মহাবীৰ চিলাৰায়।
অগণন অশ্ব অশ্বাৰোহী, হস্তী হস্তীবাহিনী
সৈন্য সামন্ত শস্য শ্যামলা
সুজলা সুফলা,
দেশজুৰি অবিৰাম সুখ সমৃদ্ধি আৰু
শান্তিৰ লহৰ বোৱাই,
চতুৰ্দ্দিশে জয় জয় ময় ময়
ফলিছিল ফলবোৰ আচল ভৰাই।
পুনৰ উদিত হওক ভাগ্য ৰবি এই
বিশাল পৃথিৱী জুৰি।

বিজ্ঞানৰ জ্যোতিৰে কুসংস্কাৰৰ অভেদ্য
প্ৰাচীৰ ভাঙি খৰস্ৰোতা হৈ বওক, স্নেহ
বিশ্বপ্ৰেম অনুপ্ৰেৰণাৰ মহাসুঁতি।
চিৰ যুগমীয়া হৈ ৰওক কোচ ৰজাৰ
সিংহাসন আৰু মুৰাৰী।
বিদ্যা, ক্ৰীড়া, দাতব্য, বীৰত্ব আৰু
ভাস্কৰ্য্যই আনক
দেশত শান্তি সমৃদ্ধি
শিল্প, সাহিত্য, সংস্কৃতি, চিত্ৰকলা সংগীত
স্থাপত্য আৰু পৰম্পৰাই বিলাওক ৰশ্মি।
জয় জয়তে মানৱতাৰ প্ৰতীক দ্বিগবিজয়ী
শুক্ল ধ্বজ, সংগ্ৰাম সিংহ বিশ্ব মহাবীৰ
চিলাৰায়ৰ নামটি।
সুবৰ্ণ অক্ষৰেৰে থাকক জিলিকি।
দশোদিশে মুখৰিত কৰি বাজি উঠক
মৃদংগ পাঞ্চজন্য ধ্বনি
আৰু যে ক'ত কি কি।

## এক অৱলোকন

# কমতাপুৰত মহাবীৰ চিলাৰায় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহামিলন

ধনঞ্জয় সিন্হা

কোচ কমতা ৰাজ্য আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৰৰ অন্তঃপ্ৰাণ কেন্দ্ৰ। কোচ ৰাজা মহাৰাজ নৰনাৰায়ণ আৰ সংগ্ৰাম সিংহ চিলাৰায়েৰ পৃষ্ঠপোষকতাত মহাপুৰুষজনে ধৰ্ম, সমাজ, ভাষা, সাহিত্য আৰ সংস্কৃতিৰ ক্ষেত্ৰত সংস্কাৰ কামী মনোভাৱ আৰ সৃজনী শক্তিৰ গুণত যিগিলান অপূৰ্ব যুগজয়ী সাহিত্য সৃষ্টি কৰিয়া গেছে, ঐল্লানেই হৈছে আসলতে বৃহত্তৰ অসমীয়া জাতিটাৰ কলা কৃষ্টিৰ মণিকূট।

শ্ৰীমন্ত শংকৰদেৰৰ মহাপ্ৰয়াণেৰ পাছত আজিকা প্ৰায় পাঁচটা শতক অতিক্ৰম হৈল। কোচ ৰাজাৰ ঘৰখানে সেই জনতা আৰ জনপদেৰ সহৃদয় সহযোগত গুৰু শংকৰক প্ৰাপ্য আসন দিয়া সুকৃতিৰ অধিকাৰী হৈছিল, এই বিষয়টাক আজিকাৰ প্ৰকৃত ভক্তপ্ৰাণসমাজে গৰ্বসহ স্মৰণ কৰে।

সাহিত্য-সংস্কৃতিৰ উপাসক শংকৰদেৱে উত্তৰ-পূৰ ভাৰতত ভক্তি আন্দোলনেৰ সমন্বয় সাধনেৰ জৈন্য নাটক, গানেৰ ভাষাত ব্ৰজাৱলীৰ প্ৰলেপ সানছিল। কিন্তু মূল উৎসটা কিন্তু হৈল বেহাৰ ৰাজ্যেৰ প্ৰচলিত ভাষা। ঐ জৈন্যে বেহাৰ ৰাজ্যেৰ মানুযে শংকৰদেৱেৰ গানেৰ চিনা-জানা সুৰ শুনিয়া ওক মনেৰ থাকিয়া বৰেয়া নিছিল।

আহোম ৰাজাঘৰত শংকৰদেৱেৰ মতন শাস্ত্ৰজ্ঞ, তত্ত্বজ্ঞানী, সুক্ষ্ম কলাকাৰক উপলব্ধি কৰিবা পাৰা গুণবত্তা নাছিল। বিৰুদ্ধবাদীগিলানে বৈষ্ণৱ ভকতগিলানক হাতী ধৰা ফান্দীৰ কাৰ্য্যত কৌশল কৰিয়া নিযুক্ত কৰেয়া ভকত নিধনেৰ ষড়যন্ত্ৰ কৰছিল। শংকৰদেৱেৰ জামাই হৰিয়ে হাতী ধৰিবা মান্তি নাহোৱাত চাওডাঙেৰ দ্বাৰা ৰাজায় ওক হত্যা কৰছিল। এই ঘটনাৰ পাছত শংকৰদেৱে আহোম ৰাজ্য ত্যাগেৰ সিদ্ধান্ত নিবা বাধ্য হয়।

পাছত শংকৰদেৱে আহোম ৰাজ্য ত্যাগ কৰিয়া বেহাৰ ৰাজ্যত আশ্ৰয় নিয়া স্বস্তিৰ নিশ্বাস ফেলাইছিল। ঐসময়ত বেহাৰ ৰাজ সিংহাসন অলংকৃত কৰছিল। মহাৰাজা নৰনাৰায়ণে। শংকৰদেৱে ধুৱাহাট বেলগুৰিত থাকতেই নৰনাৰায়ণ

আৰ চিলাৰায়েৰ নাম-যশেৰ সংবাদ পাইছিল। যুৱৰাজ দুইজনে কাশীত ব্ৰহ্মানন্দ পণ্ডিতেৰ আশ্ৰমত থাকিয়া শিক্ষাগ্ৰহণ কৰছিল। কোচ ৰাজবংশেৰ শ্ৰেষ্ঠতম ৰাজা আছিল মহাৰাজা নৰনাৰায়ণ। ওৰ ৰাজত্ব কালকে কোঁচ কমতা সাম্ৰাজ্যেৰ সোণাৰ যুগ বুলিয়া কওয়া হয়। অৱশ্যে এৰ জৈন্যে ওৰ ভাই চিলাৰায়েৰ অৱদান আছিল সৰ্বাধিক। শ্ৰীশংকৰদেৱে কামৰূপত আসিয়া (১৪৬৫ শকমানত) পাটবাউসীত স্থিতি নিয়া ঐঠে এক শৰণীয়া নাম ভক্তি ধৰ্মেৰ জোৱাৰ আনে। ওয় পাটবাউসীত থাকা কালত ১৪৮৫ শকত কোচ ৰাজায় আহোম ৰাজাৰ লগত যুদ্ধ কৰিবা কোঠ বান্ধে। কথা গুৰু চৰিত মতে কোচ ৰাজাৰ যুদ্ধেৰ ডিঙা নগৰত থাকতেই জগতানন্দেৰ (ৰাম ৰায়) বেটি ভূৱনেশ্বৰী দেৱী বা কমলাপ্ৰিয়াক চিলাৰায়ে বিয়া কৰায়। শ্ৰীশ্ৰীশংকৰদেৱ গ্ৰন্থত ডঃ মহেশ্বৰ নেওগদেৱে উল্লেখ কৰা অনুসৰি ১৪৮৭-৮৮ শকমানত ৰামৰায় কুঠিত (ছত্ৰশাল) এই বিয়া সম্পন্ন হৈছিল। ঐসময় শংকৰদেৱেৰ মুখত ভাগৱতোক্ত কৃষ্ণলীলা শুনিয়া চিলাৰায় বিমুগ্ধ হয়। শংকৰদেৱেও বৰপেটাৰ তাঁতীকুছি গাঁৱৰ তাঁতীৰ সহায়তাত কৃষ্ণলীলাৰ চিত্ৰযুক্ত বৃন্দাবনী কাপুৰ চিলাৰায়ক উপহাৰ দ্যায়। চিলাৰায়ে অতি উৎসাহিত হৈয়া নৰনাৰায়ণেৰ ৰাজসভাত ঐ বৃন্দাবনী কাপুৰ প্ৰদৰ্শন কৰে। তখন মহাৰাজা নৰনাৰায়ণে সন্তুষ্টিচিত্ত হয়য়া শংকৰদেৱৰ তাঁতীকুছিৰ গোমস্তাৰূপে নিযুক্ত কৰে। শংকৰদেৱেৰ একশৰণ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম প্ৰচাৰেৰ ফলত কমতাৰ ৰাজধানী কোচবিহাৰ অঞ্চলেৰ মানুষএতো বৈষ্ণৱ মনোভাৱাপন্ন হয়য়া পৰে যে নৰনাৰায়ণেৰ ৰাজত্বেৰ শেষভাগত বিখ্যাত ইংৰাজ ভ্ৰমণকাৰী Ralihfitch এ ৰাজধানী কোচবিহাৰত আসিয়া ৰাজ্যেৰ প্ৰায় সউগ হিন্দু প্ৰজাকে যিকুনো প্ৰাণী হত্যাৰ থাকিয়া বিৰত হৈ যায় থাকা দেখা পায়।

মহাপুৰুষ শংকৰদেৱক নৰনাৰায়ণেৰ ৰাজসভাত প্ৰথমাৱস্থাত বিচাৰেৰ জৈন্য সিনু আনা হৈছিল। এইক্ষেত্ৰত ৰাজাৰ কুনো দোষ নাছিল। শংকৰবিদ্বেষী ব্ৰাহ্মণ্য ধৰ্মাৱলম্বী এক শ্ৰেণীৰ ধৰ্ম অধিকাৰীৰ প্ৰৰোচনাত পৰিয়া সিনু নৰনাৰায়ণে ওক শাস্তি প্ৰদানেৰ উদ্দেশ্যে দোষী সাবস্ত্য হৈলে 'শংকৰেৰ ছালেৰে ঢোলেৰে দামামা বানাইম, ওৰ হাড়া দিয়া ঢোল বাজাইম আৰ ওম মাংস ভোকাতুৰ কুকুৰক খাবা দিম!' — বুলিয়া কৈছিল যুদিও ৰাজসভাত প্ৰৱেশেৰ সময় গুৰুজনেৰ প্ৰভাৱশালী ব্যক্তিত্ব আৰ 'মধুদানৱ দাৰণদেৱ বৰম্' নামেৰ স্তোত্ৰটাৰ সুমধুৰ আবৃত্তি শুনিয়া মুগ্ধ হয়য়া ওক তাৰাতাৰি কৰিয়া বসিবাৰ জৈন্য আসান দিবা ব্যস্ত হয়য়া পৰছিল। ৰাজাৰ অনুমতিত শংকৰদেৱে আসন গ্ৰহণ কৰিয়া ধনশ্ৰী ৰাগেৰ নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা' আৰু 'জয় জয় মল্ল নৃপতি ৰসজান। যাকেৰি গুণ গান নাহিকে সমান।' — এই ভটিমাটা গায়।

শংকৰদেৱ কোঁচ ৰাজ দৰবাৰত শুদ্ধ ৰূপত উপস্থাপিত হওয়াৰ ক্ষেত্ৰত যুৱৰায় বা ছোটোৰাজা চিলাৰায়েৰ অৱদান কিন্তু আকাশসম। চিলাৰায়েৰ বৌ ভুৱনেশ্বৰী সম্পৰ্কত শংকৰদেৱেৰ ভাতিজী আছিল। ওৰ গলাত গুৰুজনেৰ অপূৰ্ব স্বাদেৰ গানগিলান শুনিয়া মহাপুৰুষজনেৰ প্ৰতি চিলাৰায়েৰ শ্ৰদ্ধা ক্ৰমশ বাঢ়ছিল। ঐ জৈন্যে প্ৰথমতে দাদা নৰনাৰায়ণে কিবা শাস্তি প্ৰদান কৰিবা পায় বুলিয়া আশংকা কৰিয়া চিলাৰায়ে আগঘৰিয়া গুৰুজনেৰ জীৱন ন্যাস স্বৰূপে গ্ৰহণ কৰিয়া সিনু ৰাজাৰ ওচৰত ওক প্ৰেৰণ কৰছিল। এইঠে প্ৰকাশ পায় চিলাৰায়েৰ ব্যক্তিত্বেৰ অন্য একটা উজ্জ্বলতম দিক অৰ্থাৎ ওয় গুণী-জ্ঞানী আৰ বিদ্বৎ, পণ্ডিত জনেৰ মুলাম ভাল কৰিয়ায় হৃদয়ংগম কৰিবা পাইছিল।

ৰাজকাৰ্যত আৰ কোচ সেনাধ্যক্ষৰূপে যুদ্ধ-বিগ্ৰহত ব্যস্ত থাকলেও ওয় অনেক পুথি-পাঁজি পঢ়ছিল বুলিয়া 'দৰং ৰাজবংশাৱলী'ত উল্লেখ আছে। ওয় সংস্কৃত শাস্ত্ৰত নিপুণ আছিল আৰ জয়দেৱেৰ মধুৰ ৰস দিয়া সিক্ত 'গীত গোৱিন্দ'ৰ টীকা ভাষ্য লেখিয়া 'সাৰৱতী সাৰ' নামে সংস্কৃতিত একখান পাণ্ডিত্যপূৰ্ণ বই ৰচনা কৰে। অবসৰেৰ সময়ত চিলাৰায়ে ধৰ্ম চৰ্চা, সাহিত্য চৰ্চা আৰু সংগীত চৰ্চাৰ উপৰিও শত্ৰু পক্ষেৰ জ্ঞানী-গুণী মানুষাগিলানেৰ থাকিয়া চিকিৎসা বিদ্যা আৰ তন্দ্ৰ মন্ত্ৰৰো জ্ঞান আহৰণ কৰছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে শুক্ল ধ্বজেৰ সাহিত্য প্ৰতিভাৰ বিষয়ে দাশ পাইছিল আৰ ওয় যে একজন ৰসগ্ৰাহী পণ্ডিত ব্যক্তি আছিল ওৰ পৰিচয় শংকৰদেৱে 'ৰাম বিজয়' নাটকত এমন কৰিয়া উল্লেখ কৰছে —

পৰম ৰসিক গুৰু শ্ৰীশুক্লধ্বজ
ৰাজা নৃপতি প্ৰধানা।
জয়তু জয়তু নিত্য ঈশ্বৰ কৃষ্ণক
কেলি লীলা ৰসজানা।।

অৰ্থাৎ দেখা যায় যে সাহিত্য চৰ্চাকে ধৰিয়া বিভিন্ন দিশত চিলাৰায়েৰ প্ৰতিভাত অভিভূত হৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যুৱৰাজ শুক্ল ধ্বজক 'ৰসিক গুৰু' উপাধি প্ৰদান কৰছিল।

ৰাজা বিক্ৰমাদিত্যৰ ৰাজসভাত মহাকবি কালিদাস নৱৰত্নেৰ শ্ৰেষ্ঠ ৰত্ন হওয়াৰ মতন কৰিয়া ৰাজা নৰনাৰায়ণেৰ ৰাজসভাতো শংকৰদেৱ অতি উচ্চ স্থানত অধিষ্ঠিত হয়। এইখিনি সম্ভৱ হয় কিন্তু চিলাৰায়েৰ প্ৰচেষ্টাতহে। চিলাৰায় কেৱল বৈবাহিক সম্বন্ধৰ জৈন্যেই যে শংকৰ অনুৰাগী আছিল এমন নাহয়, বিবেক-আত্মাৰ আবেদনেৰ জৈন্যেই সে যেন ওয় কায়মনো বাক্যে শংকৰত শৰণ নিছিল। চিলাৰায়েৰ অনুৰোধক্ৰমে শংকৰদেৱে ওৰ সৰ্বশেষ ৰচনা (সম্ভৱতঃ) 'ৰাম বিজয়' নাটক ৰচনা কৰে। চিলাৰায়ে ওক 'জন্ম পুৰাণ' নামেৰ সংস্কৃত বইখানেৰ অনুবাদ কৰিবাও অনুৰোধ কৰে। পৰে শংকৰদেৱেৰ নিৰ্দেশত মাধৱদেবে 'জন্মপুৰাণ' নাম দিয়া এই বইখান অনুবাদ কৰছিল।

শংকৰদেৱ চিলাৰায়েৰ আশ্ৰয়ত থাকা সময়খিনিত ফুলবাৰীত আছিল। ফুলবাৰী সত্ৰই থাকিয়ায় শংকৰদেৱ প্ৰথম ৰাজদৰবাৰত গেছিল। ৰাজপণ্ডিত ৰূপে নিযুক্ত হওয়াৰ পাছত মহাৰাজায় গুৰুজনেৰ জৈন্যে কাকতকুটাত সত্ৰ পাতিয়া দ্যায়। এই সত্ৰতে মহাপুৰুষজনে জীৱন কালত সঞ্চিত সউদ পাৰমাৰ্থিক সম্পদ দেশ, জাতি আৰ জনগণেৰ উদ্দেশ্যে সমৰ্পণ কৰিয়া ১৫৬৫ খৃঃত জীবন লীলাৰ সমাপণ ঘটায়।

সাহিত্যিক ডঃ দ্বিজেন্দ্ৰ নাথ ভকতে ৰাজমোহন নাথেৰ 'মহাপুৰুষীয়া ধৰ্মেৰ দৰ্শন ও মধুবুৰ ধামেৰ ইতিবৃত্ত গ্ৰন্থেৰ খেও ধৰিয়া এমন কৰিয়া কৈছে, 'প্ৰবাদোক্ত পাৰলি বৃক্ষ পূৰ্বোক্ত চিলাৰায় নিৰ্মিত ফুলবাৰী সত্ৰ।' অৰ্থাৎ কোচবিহাৰেৰ নিকটৱৰ্তী পাৰলি বৃক্ষেৰ তলেই ফুলবাৰী আৰ ফুলবাৰীয়া মধুপুৰ সত্ৰেৰ স্থান। সান্নিধ্য নিঃ সন্দেহে ইতিহাসেৰ এক নতুন অধ্যায়েৰ সদৰ্থক সূচনাৰ মাহেন্দ্ৰক্ষণসহৰূপ আছিল। আৰ শংকৰ-চিলাৰায়েৰ এই শুভ সংযোগেৰ ওচৰত আৰ মূলতঃ কমতাপুৰেৰ ওচৰত সমগ্ৰ বিশ্ববাসী সদায় চিৰঋণী হৈ থাকিবাই লাগিব। ■

* প্ৰবন্ধকাৰ ধনঞ্জয় সিন্হা বৰ্তমানে একজন ডেপুটেড শিক্ষক প্ৰশিক্ষাৰ্থীৰূপে কোকৰাঝাৰ চৰকাৰী বি এড কলেজত প্ৰশিক্ষণৰত। ওৰ দূৰভাষ নম্বৰ ৯৮৬৪৬-৬৯৯৬৬

# চিদলী ৰাজ্যৰ ইতিহাস

জ্ঞানেন্দ্ৰ নাৰায়ণ চৌধুৰী

চিদলী ভূটান ৰাজ্যৰ নামনিৰ এখন অঙ্গ ৰাজ্য আছিল। মহাৰাজ নৰনাৰায়ণৰ বিশাল কোচ ৰাজ্য মুছলমানৰ দ্বাৰা আক্ৰান্ত হোৱাৰ সময়ত ৰাজ্যত একপ্ৰকাৰ বিশৃঙ্খলৰ সৃষ্টি হয়। সেই সময়তে ভীমা পাটগিৰি নামৰ এজন শক্তিশালী কোচ মানুহে সেই সুযোগতে ভীম সিং নাম গ্ৰহণ কৰি ভূটান ৰাজ্যৰ শাসনকৰ্তা দেৱৰাজৰ সহায়ত এই ৰাজ্যখন স্থাপন কৰে। এই ভীম সিং মহাৰাজ বিশ্ব সিংহৰ বিমাতৃ হীৰা দেৱীৰ বংশৰ বুলি জনাজাত। ভীম সিংহই নৱ দুৰ্গাৰ পূজা-পাতল কৰিছিল। এই নৱ-দুৰ্গাৰ শক্তি সম্পৰ্কে কথিত আছে যে, যদি কোনো ভক্তই নিষ্ঠা আৰু ভক্তিৰে দেৱীৰ ওচৰত প্ৰাৰ্থনা কৰে, তেন্তে দেৱীয়ে তাৰ মনস্কামনা পূৰ্ণ কৰে। ভীম সিংহই ৰাজ্য স্থাপন কৰাৰ সঠিক চন-তাৰিখ জনা নাযায় যদিও অনুমানিক কমতা ৰাজ্যৰ সমসাময়িক হ'ব। ভীম সিংহৰ বংশৰ ৰজাসকলৰ ৰাজত্বকাল পতন হোৱাৰ পিছত, বৰ্তমান বংশৰ আদিপুৰুষ চিকণ নাৰায়ণ নামৰ এজন ক্ষমতাপ্ৰিয় ৰাজবংশী মানুহে সাধাৰণ অৱস্থাৰ পৰা ন-ৰজাৰ শ্ৰেণীত উঠে আৰু চিকণ নাৰায়ণ দেৱ নাম লৈ (বিজয়পুৰুষ) চিদলী ৰাজ্যৰ ৰজা হয়। ৰাজধানী পাতে চিকণাঝাৰত। চিকণাঝাৰত বৰ্তমান চিদলীৰ পশ্চিমত ৪০/৪৫ কিঃ মিঃ দূৰত ভূটানৰ গেলেংফুৰ ওচৰত ঝাৰনিৰ মাজত।

মহাৰাজ চিকণ নাৰায়ণ দেৱৰ পিছত তলত লিখা চিদলী ৰাজ্যৰ ৰজাসকলে ৰাজত্ব কৰিছিল — মহাৰজা স্যামক নাৰায়ণ দেৱ, বিশ্ব সিংহ নাৰায়ণ দেৱ, মহাৰাজ সমুদ্ৰ নাৰায়ণ দেৱ, ভূজ্য নাৰায়ণ দেৱ, মহাৰাজ শিম্ভু নাৰায়ণ দেৱ, মহাৰাজ মহৎ নাৰায়ণ দেৱ, মহাৰাজ সুন্দৰ নাৰায়ণ দেৱ, মহাৰাজ লক্ষী নাৰায়ণ দেৱ, মহাৰাজ উদয় নাৰায়ণ দেৱ, মহাৰাজ সূৰ্য্য নাৰায়ণ দেৱ। মহাৰাজ সূৰ্য নাৰায়ণে বিজনীৰ ৰাজকন্যা চন্দ্ৰেশ্বৰীক বিয়া কৰাইছিল (আন এটা নাম গুদ্ৰেশ্বৰী) আৰু মহাৰাজৰ মৃত্যুৰ পিছত ৰাণীয়ে ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰে চিদলী ৰাজ্যৰ। এওঁৰ ৰাজত্বৰ সময়তে চৰ্দাৰ আৰু দুধনাখোৱা নামেৰে দুজন বিশ্বাস-ঘাতকলোকে ভূটিয়াসকলৰ লগত ষড়যন্ত্ৰ কৰি চিদলী ৰাজ্য হস্তগত কৰাৰ চেষ্টা কৰে। সেই ষড়যন্ত্ৰত মহাৰাণী গুদ্ৰেশ্বৰীয়ে প্ৰতিজ্ঞা কৰে যে তেওঁ বিশ্বাসঘাতক দুগৰাকীৰ মূৰ

কাটি আনি তাৰ তেজেৰে নিজৰ চুলি নোধোৱালৈকে চুলি নাবান্ধে। সেই প্ৰতিজ্ঞা অনুসৰি বিশ্বাসঘাতক দুজনক হত্যা কৰাৰ পিছত সিহঁতৰ তেজেৰে তেওঁ নিজৰ চুলি ধুই বান্ধিছিল।

এই ঘটনাৰ পিছতো সীমান্তৱৰ্তী অঞ্চলৰ ভূটিয়াসকলৰ উৎপাত চলি আছিল আৰু তেতিয়া মহাৰাণী চন্দ্ৰেশ্বৰী ওৰফে শুদ্ৰেশ্বৰীয়ে ভূটানৰ ৰজাৰ দৃষ্টি আকৰ্ষণ কৰি জনায় যে, তেওঁ মহিলা হোৱা বাবেই সীমান্ত অঞ্চলৰ ভূটিয়াসকলে অনবৰত অত্যাচাৰ চলাই আহিছে। ভূটান আৰু চিদলী ৰাজ্য যিহেতুকে আগৰ পৰাই চুবুৰীয়া ৰাজ্য, গতিকে দুয়োখন ৰাজ্যৰ প্ৰজাসকলৰ মাজত কোনো প্ৰকাৰৰ শত্ৰুতা থকা কাম্য নহয় আৰু তেনে পৰিস্থিতি আঁতৰ কৰা উচিত বুলি ভাবি মহাৰাণী গুদ্ৰেশ্বৰীয়ে তেওঁৰ স্বামীৰ ভাতৃ মহাৰজা ইন্দ্ৰ নাৰায়ণক চিদলী সিংহাসনৰ উত্তৰাধিকাৰী হিচাপে ৰজা পাতিবলৈ প্ৰস্তাৱ আগবঢ়ায়। আৰু সেই প্ৰস্তাৱ অনুসৰিয়েই মহাৰাজ ইন্দ্ৰ নাৰায়ণক চিদলীৰ ৰজা পতা হয়। এই সূত্ৰতেই চিদলী আৰু ভূটানৰ মাজত বন্ধুত্ৰ সম্পৰ্ক আৰু দৃঢ় হয় আৰু দুয়োখন ৰাজ্যৰ মাজত বৈবাহিক আদান প্ৰদান হয়। মহাৰাণী গুদ্ৰেশ্বৰী নিবংশ আছিল।

মহাৰাণী গুদ্ৰেশ্বৰীৰ প্ৰস্তাৱ মতে তেওঁৰ স্বামীৰ ভাতৃ ইন্দ্ৰ নাৰায়ণক চিদলীৰ ৰজা পাতে আৰু ৰাজ পৰিয়ালৰ বিবাহ আদি অনুষ্ঠানত উপঢৌকন দিয়াৰ উপৰিও ভূটানৰ ৰাজ পৰিয়ালৰ এগৰাকী ৰাজকুমাৰী ইন্দ্ৰ নাৰায়ণলৈ বিয়া দিয়ে। ১৮৮৭ খৃষ্টাব্দত বৃটিছে চিদলী ৰাজ্য ভূটানৰ মিত্ৰ ৰাজ্য হিচাবে এৰি দিয়ে। মিত্ৰতাৰ চিন হিচাপে চিদলী ৰাজ্যৰ মহাৰজাই ভূটান ৰাজ্যলৈ বিভিন্ন উপঢৌকন পঠাইছিল।

মহাৰাজ ইন্দ্ৰ নাৰায়ণৰ দুগৰাকী ৰাণী আছিল। মহাৰাজৰ মৃত্যুৰ সময়ত এগৰাকী মহাৰাণী শঙ্কেশ্বৰীয়ে সহমৃত্যু বৰণ কৰে (সতী)। তাৰ পিছত মহাৰাজৰ আন এগৰাকী মহাৰাণী ইন্দ্ৰেশ্বৰীয়ে (ভূটানৰ ৰাজ কন্যা) চিদলী ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰে। এওঁৰ ৰাজত্বকালতেই ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চিদলী ৰাজ্য অধিগ্ৰহণ কৰে। তেতিয়া মহাৰাজ গৌৰী নাৰায়ণ নাবালক আছিল। পিতৃৰ মৃত্যুৰ পিছত তেওঁৰ জন্ম হৈছিল বাবেই তেওঁক 'ডিমা ৰজা' বোলা হৈছিল। মহাৰজা গৌৰী নাৰায়ণে বৃটিছৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে।

বৃটিছৰ কালত বৃটিছ সাম্ৰাজ্ঞী মহাৰাণী ভিক্টোৰীয়াই বৃটিছ লোকসভাৰ অনুমোদন ক্ৰমে এক অধিসূচনা জাৰি কৰিছিল আৰু সেই অনুসৰি বৃটিছ সাম্ৰাজ্য এলেকাৰ স্বতন্ত্ৰ ৰাজ্যসমূহত তেওঁলোকৰ নিজস্ব শাসন প্ৰণালী চাই থকাৰ পোষকতা কৰা হৈছিল আৰু বৃটিছসকলক তাত অনুপ্ৰৱেশ ৰোধ কৰিবলৈ কোৱা হৈছিল। সেই মতে চিদলী আৰু বিজনী এই দুয়োখন ৰাজ্যতে বৃটিছৰ অনুপ্ৰৱেশ বন্ধ কৰাৰ আদেশ বাহাল আছিল। মহাৰাজ গৌৰীনাৰায়ণৰ ৰাজত্ব কালত নানকাৰগাঁও অঞ্চলত সংঘৰ্ষ আৰম্ভ হয়। এই সংঘৰ্ষৰ কাৰণ আছিল নানকাৰগাঁওৰ চুবুৰীয়া বৃটিছ অধ্যুষিত অঞ্চলত অপৰাধী সংঘটিত কৰা অপৰাধীসকলক চিদলী ৰজাই বৃটিছৰ হাতত অৰ্পণ কৰিবলৈ অস্বীকাৰ কৰা। বৃটিছসকলে সদায় এটা নহয় এটা চেলু উলিয়াই যুদ্ধ কৰাৰ চেষ্টা কৰিছিল। ফকিৰাগ্ৰামৰ ওচৰৰ ভেল নদীৰ পৰা অন্যায়ভাৱে কাঠৰ বোজালৈ যোৱাত বৃটিছসকলক মহাৰাজ গৌৰী নাৰায়ণে বাধা দিয়াৰ বাবে বৃটিছসকলে মহাৰাণী ভিক্টোৰীয়াৰ অধিসূচনা অমান্য কৰি চিদলী ৰাজ্য আক্ৰমণ কৰে। মহাৰাজ গৌৰী নাৰায়ণে পৰাজয় বৰণ কৰে আৰু বৃটিছে চিদলী ৰাজ্য কাঢ়ি লয়।

১৮৬৮ খৃষ্টাব্দত বৃটিছৰ লগত ভূটানৰ যুদ্ধ হয় আৰু সন্ধিমতে চিদলী ৰাজ্য বৃটিছক এৰি দিয়ে। চিদলীৰ মহাৰাজ গৌৰী নাৰায়ণ দেৱে বৃটিছৰ লগত মিত্ৰতা নকৰাৰ উদ্দেশ্যত চিক্‌ণাঝাৰৰ পৰা বিভিন্ন ঠাইত আত্মগোপণ কৰি থাকে আৰু কিছু বছৰৰ পিছত নমলপুৰত (চিদলী) ৰাজধানী পাতে। মহাৰাজ গৌৰী নাৰায়ণৰ মৃত্যুৰ পিছত বিষ্ণু নাৰায়ণ আদালতৰ

সংৰক্ষণাধীন ৰজা হয়। তেওঁ আজমীৰত শিক্ষা গ্ৰহণ কৰি আছিল আৰু উভতি আহি চিদলী ৰাজ্যৰ সামান্য অংশহে ঘূৰাই পায়। মহাৰাজা বিষ্ণু নাৰায়ণৰ দুগৰাকী ৰাণী আছিল। দুৰ্বেশ্বৰী আৰু পদ্মেশ্বৰী। ৰাণী দুৰ্বেশ্বৰীৰ পুতেক মহাৰজা অভয় নাৰায়ণ দেৱৰ জন্ম ১২৯০ চনত নমলপুৰ ৰাজধানীত। মহাৰাজ অভয় নাৰায়ণ দেৱৰো দুগৰাকী ৰাণী আছিল। বনলতা দেৱী আৰু ৰাণী দুৰ্গেশ্বৰী দেৱী। নাৰায়ণ দেৱৰ মৃত্যু হয় ১৩৭০ চনত। অভয় নাৰায়ণৰ পুত্ৰ ৰাজা অজিত নাৰায়ণ দেৱ আৰু কুমাৰ শৈলেন্দ্ৰ নাৰায়ণ দেৱ। ৰাজা অজিত নাৰায়ণ দেৱে পাটনাৰ বাকীপুৰ প্ৰিন্স কলেজৰ পৰা শিক্ষা লাভ কৰিছিল আৰু এম এ বি এল ডিগ্ৰীধাৰী ৰজা আছিল। চিদলী ৰাজ্যৰ ৰজা অজিত নাৰায়ণ দেৱেই শেষ ৰজা। মহাৰাজ বিষ্ণু নাৰায়ণে নমলপুৰত ৰাজধানী থকাটো নিৰাপদ নেদেখি বিদ্যাপুৰৰ চম্পা নদীৰ কাষত থকা বিষ্ণুপুৰ নামৰ ঠাইলৈ ৰাজধানী স্থানান্তৰিত কৰে। এই বিষ্ণুপুৰেই পিছলৈ বিদ্যাপুৰ নাম পায়। বৃটিছৰ অধীনত মহাৰাজ বিষ্ণু নাৰায়ণে চিদলী ৰাজ্যৰ ৰজা হিচাবে শাসন কৰিবলৈ সন্মত হয়। সেই সময়ত এই বিদ্যাপুৰ অঞ্চল অটব্য হাবি-বননিৰে ভৰপুৰ আছিল। প্ৰকৃতিৰ ৰম্যভূমি এই অৰণ্য অঞ্চলত বহুবিধ বন্যপ্ৰাণীয়ে মুক্তভাৱে বিচৰণ কৰিছিল জনবসতি আছিল অতি সেৰেঙা। একালৰ বিখ্যাত কানীভূৰ উপনৈ ভূটানৰ পৰা ওলাই আহি চিদলী ৰাজ্যৰ দ্বিতীয় ৰাজধানী নমলপুৰৰ (চিদলী) কাষেৰে বৈ আহি ইয়াতেই চম্পাৱতী নদীৰ লগত মিলিছে। ওচৰতে থকা লাঠৰী পাহাৰে ঠাইখনৰ সৌন্দৰ্য বঢ়াইছে। এই পাহাৰত লেংটিয়াৰী মাৰ থান আছে।

ৰাজা অজিত নাৰায়ণ দেৱে পাটনাৰ পৰা শিক্ষা লাভ কৰি আহি ১৯৪৮ ইং চনত চিদলী ৰাজ্যৰ ৰজা হয়। মাদ্ৰাছৰ পিঠাপুৰম মহাৰাজৰ কন্যা ৰাজকুমাৰী মঞ্জুলা দেৱীক বিয়া কৰায়। আৰু চিদলী ষ্টেটৰ শাসনভাৰ বৃটিছ গভৰ্ণমেণ্টৰ পৰা লৈ বৃটিছৰ তলত নিজ ষ্টেটখন চলাবলৈ লয় ১৯৫২ ইংত। চিদলী ষ্টেটৰ সাতটা খণ্ড আছে।

প্ৰথম খণ্ড চিদলী ঃ — আটুগাঁও, টেঙ্গাইগাঁও, ডাংতল আৰু বিদ্যাপুৰ অঞ্চল

দ্বিতীয় খণ্ড চিদলী ঃ — তাকতাৰা, ডুলীগাঁও, ঢালীগাঁও আৰু কুকুৰমাৰী অঞ্চল।

তৃতীয় খণ্ড চিদলী পূৰ্ব্বাংশ ঃ — চিদলী বেংতল, বাৰীগাৰা আৰু হাগ্ৰাওবাৰী অঞ্চল।

চতুৰ্থ খণ্ড চিদলী পশ্চিমাংশ ঃ কাশীকটৰা, গৰুভাষা, ইছিলাখাতা আৰু ৰুণীখাতা অঞ্চল।

পঞ্চম খণ্ড চিদলী ঃ কাড়িগাঁও, বালাজান আৰু পাটগাওঁ অঞ্চল।

ষষ্ঠ খণ্ড চিদলী ঃ সেৰফাংগুৰী আৰু ৰামফলবিল অঞ্চল।

সপ্তম খণ্ড চিদলী ঃ পাটাকাটা অঞ্চল।

১৯৫২ ইং চনত ৰাজা অজিত নাৰায়ণ দেৱ বিলাসীপাৰা বিধান সভাৰ সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হয় আৰু বিদ্যাপুৰ ৰাজবাৰীত ষ্টেটৰ প্ৰধান কাৰ্যালয় পাতি দেৱান বাহাদুৰৰ দ্বাৰা ৰাজ্যচলায়।

বৰ্তমান চিদলী অফিচ, থানা, ডাক্তৰখানা, ব্লক অফিচ, ডাক বঙলা আদি নমলপুৰ ৰাজহ গাঁৰত অৱস্থিত। চিদলী ডাকবঙলাৰ দক্ষিণে নলবাৰীগাঁওখনেই চিদলী ৰাজহ গাঁও। ৩১ নং ৰাষ্ট্ৰীয় পথটোৱে আছিল কোচ ৰজা মহাৰাজ নৰনাৰায়ণৰ ভাই গোঁহাইকমলে তৈয়াৰ কৰা ‘গোঁহাই কমল আলী।’ এই পথটো কোচবিহাৰৰ পৰা উত্তৰ লক্ষীমপুৰলৈ ৫০০ কিঃ মিঃ দীঘল। বৰ্তমানৰ চিৰলী ৩১ নং ৰাষ্ট্ৰীয় পথৰ বাছ ষ্টেণ্ডৰ ঠাইখিনিতে চিদলী ৰাজ্যৰ ৰাজধানীৰ ঘৰ-দুৱাৰ আছিল। ৰাজধানীৰ পূবপিনে কানীভূৰ উপনৈ পশ্চিমপিনে বক্ৰ নামৰ এখন সৰু নৈ।

ৰাজা অজিত নাৰায়ণ দেৱে নিজ ৰাজ্য কেইবছৰমান চলোৱাৰ পিছত ভাৰত চৰকাৰে চিদলী ৰাজ্য পুনৰ অধিগ্ৰহণ কৰে। ■

## জনজাতীয় ঐতিহ্য-কোচ ৰাজবংশী সাজপোসাক

# স্থান, কাল, পাত্ৰ ভেদে কোচ ৰাজবংশী নাৰী আৰ' পুৰুষেৰ সাজ পোসাক

অনিল কুমাৰ বৰ্মন

জনজাতীয় ঐতিহ্য ঃ জনজাতীয় মানে বনে জংঘলে বাস কৰা নাবুজায়। ভাৰতেৰ অনেক জনজাতীয় লোক বান-বা জংঘলত বাস নাকৰে। ইংৰাজীত (Tribe) ট্ৰাইব শব্দৰ থাকি 'জনজাতি' শব্দ ব্যৱহাৰ কৰা হৈছে। জনজাতিৰ ব্যুৎপত্তিগত অৰ্থক ভেদ ভাঙাইলে এইটা ইংৰাজী ট্ৰাইব শব্দৰ একে অৰ্থপ্ৰকাশ নাপায়। তবুও অসমীয়া ভাষাৰ শব্দেৰ অভাৱ জনিত কাৰনত ট্ৰাইব শব্দৰ প্ৰতিশব্দ হিসাবে জনজাতি শব্দ ব্যৱহাৰ হয়া আসছে। এলা জনজাতি বা (Tribe) ট্ৰাইব কি ? বনে জংঘলে বাসকৰাৰো জনজাতিৰ কুনো বিশেষত্ব নাহয়। হৈলে পৌৰানিক আদিম ধৰ্ম বিশ্বাসী গুলান বা প্ৰেত পূজক বা টৌটেমিষ্টিক গুলান জনজাতি নাকি ? খচ্‌ৰেয়া চাইলে দেখা যায় ভাৰত বৰ্ষত নানান ভূত-প্ৰেত, সাপ-শিলা খণ্ড আৰ' বৃক্ষ পূজকেৰ পাৰায় বা সেই গুলানেৰ অদ্ভূত অশৰীৰি ক্ৰিয়া-প্ৰক্ৰিয়াত বিশ্বাসী গুলানক নিয়া নানা অন্ধবিশ্বাসী তথা কথিত উচ্চ বৰ্গীয় লোক গুলান অজনজাতি ৰূপে বিৰাজ কৰিয়া আছে। আসলে জনজাতীয় বৈশিষ্ট্য থিৰাং কৰাটা দুস্কৰ কাৰ্য্য। তবুও কয়েক গুলান বৈশিষ্টক মোটা মুটি হিসাবে জনজাতিৰ লক্ষন নিৰূপণ কইৰছে।

(১) জনজাতী লোকেৰ গোট ভুক্ত মানষি গিলানেৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা অপেক্ষাকৃত কম। অন্য পাকে জাতি-ভূক্ত লোকেৰ মাজত এই পৰস্পৰ নিৰ্ভৰশীলতা উসাৰ নিত্য কাৰ্য্যবলীত পদৰ্শিত হয়।

(২) বিশিষ্ট একোটা জনজাতি অৰ্থনৈতিকভাৱে পাছ পৰা, অন্যকথাত এই লোকগিলান বাজাৰমুখী ধন বিনিময়েৰ মূল্যবোধ নাকৰে। শিক্ষাৰ অভাৱত প্ৰাকৃতিক সম্পদগিলান সংগ্ৰহেৰ কুনো বৈজ্ঞানিক প্ৰথাৰ মোটেই গিয়ান নাছিল। অৰ উপুৰাও জীৱন ধাৰনেৰ বাদে উসা গুলানেৰ মাজত অনেক পন্থা অৱলম্বন কৰা দেখা যায়। যেমুন-শিকাৰ, মাছ ধৰা, কৃষি কৰ্ম - ইত্যাদি।

(৩) জাজাতীয় লোক মুখ্যত অজনজাতি লোকেৰ গোট গিলানেৰ থাকিয়া পাৰা পক্ষত

ভৌগলিকভাবে বিচ্ছিন্ন জীৱন যাপনত অভ্যাসগত হয়।

(৪) সৌগ জনজাতিৰ একোটা কথিত উপভাষা থাকে।

(৫) জনজাতি লোক গিলান প্ৰায় সৌগ ফালদিয়া সামাজিক ৰাজনৈতিক বা অন্যান্য দিশেৰ পৰিবৰ্ত্তনেৰ দিশত প্ৰায় উদাসীন বা সচেতনতা বৌধ নকৰে।

(৬) আসামেৰ সৌগ জন-জাতিয়েই আমিষ ভোজী। বৈদিক থাকিয়া ভাৰতেৰ নানান জাগাত উচ্চ বৰ্ণেৰ হিন্দু গুলান মাছ-মাংস নাখায়, কিন্তু আসামেৰ সৌগ জাতেৰ মানষিয়ে মাছ-মাংস খায়। পোৰা মাছ, শুক্টা মাছ, বাঁশেৰ গাজা, কলাৰ মাজা, মদ জনজাতীয় মানষি গুলাৰ প্ৰধান খাদ্য। আসামত আৰ্য্য অনাৰ্য্য জনজাতি অজনজাতি লোকৰ মাজত গুৰা পানেৰ ব্যৱহাৰ সগাৰে সমান। এৰ উপুৰাও উৎসব পাৰ্ব্বন উপলক্ষে সগায় মিলি মাছধৰা (বাহো) কাম কাজেৰ গাতা ধৰা জনজাতীয় সংস্কৃতিত পাৰে।

(৭) সাজপোসাক ঃ সাজ পোসাকেৰ ক্ষেত্ৰত একটা নামী কথা হৈল সৰ্বভাৰতীয় নাৰীৰ পৰিধান শাৰী একে খান কাপুৰেৰ বস্ত্ৰ কিন্তু আসামেৰ সৌগ থলুৱা জনগোষ্ঠীৰ নাৰীয়ে দুইখান কাপুৰ অৰ্থাৎ মেখেলা ৰিহা (চাদ্দোৰ) ব্যৱহাৰ কইৰছিল। আসামেৰ মেখেলা চাদ্দোৰ, বড়োৰ দোখনাবৈৰাথী, ৰাভাৰ কেমলেট-লিফান আৰ' কোচ ৰাজবংশীৰ পাটানি-আগৰেনৰ কোমৰত গিটো মাৰাটা বা দুইখান কাপুৰেৰ ব্যৱহাৰ কৰাটা জনজাতি নাৰীৰ সাজ পৰিধানেৰ ঐতিহ্য বুলি ধৰা যায়। কিন্তু ভাৰতবৰ্ষত অনেক জনজাতিৰ শ্ৰেণীভুক্ত আছে যিগুলানেৰ নাৰীৰ সাজ শাৰীকে ব্যৱহাৰ কৰিয়া আছে।

'জনজাতি' বা ট্ৰাইব এক সম্যক ধ্যান ধাৰণাৰ কিছু বৈশিষ্ট যুক্ত একটা গোট মাত্ৰ। উপুৰাত তলতি ধৰা সৌগ গুলান বৈশিষ্টৰ সমীকৰণ কোচ-ৰাজবংশী জনগোষ্ঠী লোকেৰ মাজত থাকাৰ জৈন্য ১৯৯৬ চনত আসামেৰ কোচ-ৰাজবংশী জনগোষ্ঠীক অস্থায়ীভাৱে ৰাষ্ট্ৰপতিৰ অধ্যাদেশেৰ যোগেদিয়া জনজাতি হিচাবে অনুসুচিত কইৰছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰেৰ চাতুৰালি আমোলা তান্ত্ৰিক ষড়যন্ত্ৰেৰ জৈন্য নউতন কৰিয়া অনুসূচিত কৰা কোচ-ৰাজবংশী গিলানেৰ বাদে সংৰক্ষনেৰ ব্যৱস্থা নাকৰাৰ ফলে আগেৰ থাকিয়া সংৰক্ষিত হয়া থাকা জনজাতি লোক গিলানেৰ চকুৰ কাটা আৰ' দাঁতেৰ শালত পৰিণত হয়।

কোচ-ৰাজবংশী গিলান আসামেৰ মূল সুতিত মিলা মিশা আৰ' ধৰ্মান্তকৰণ টায় ভাৰতীয় সংবিধানত অপৰাধ বুলিয়া জনগোষ্ঠীটাৰ উন্নতিৰ বাবে অনুসুচিত জনজাতিত অন্তভূক্তিত অন্তৰায় হৈল। সেইবাবে কোঁচ ৰাজবংশী লোক গিলানেৰ মূল কি এতে অপ্ৰাসঙ্গিক হৈলেও তাৰ সম্যক ধাৰণা তল্তি ধৰা হৈছে।

কোচ-ৰাজবংশী জনগোষ্ঠী মূলতে মঙ্গোলীয় উৎসৰ ঃ ছাৰ এডৱাৰ্ড গেইট চাহাবেৰ মন্তব্যত পাওৱা যায়, আসামেৰ মূল ভুখণ্ডত এইটা (কোচ) হিন্দু গুলানেৰ একটা নাম, যেটাই কাছাৰী, লালুং মিকিৰ অনেক জনজাতি গিলান ধৰ্ম্মান্তৰিত হয়া হিন্দুত্ব গ্ৰহণ কইৰছে আৰ' আজি পৰ্যান্ত ধৰ্ম্মান্তকৰণ চলিয়ে আছে এৰ বাদে কোচ-গিলানেৰ সংখ্যা আস্তে আস্তে বৃদ্ধি হয়া আসছে। অন্যহাতে উত্তৰ বঙ্গ আৰ' গোৱালপাৰাত সেই 'কোচ' নামটা মৰ্যাদাহীন বিবেচিত হোৱাত পৰিত্যাক্ত হয়া ৰাজবংশী নামটা গ্ৰহণ কইৰছে। ............... কোচ গিলানেৰ দৈহিক বৈশিষ্ট গুলায় বিতৰ্কেৰ সৃষ্টি কইৰছে। পুৰাণ আৰ' তন্ত্ৰ গিলানত কোচ গুলানক 'কুবাচ' বুলি

উল্লেখ কৰা হৈছে। ........ প্ৰকৃত কোচ গুলান মঙ্গোলীয় শ্ৰেণী ভূক্ত, উমৰা ম্যাচ আৰ' গাৰো গিলানেৰ সাথেত সম্পৰ্ক যুক্ত। জলপাই গুৰী কোচ বিহাৰ আৰ' গোৱালপাৰাৰ যেই গুলান ব্যক্তিয়ে ৰাজবংশী নামে পৰিচিত আৰ' উমৰা গুলান কালা বৰ্ণেৰ হৈলেও আসলে কোচ কাৰণ উমৰ দৈহিক বৈশিষ্টত মঙ্গোলীয় লক্ষণ প্ৰকট (A History Of Assam 1993 Cal-PP-47-48)

ডঃ ৰেবতী মোহন সহায় অৰ বক্তব্যত প্ৰকাশ কইৰছে কিৰাত গুলানেৰ মাজত যিগুলানে শাসন ক্ষমতা অৰ্জ্জন কইৰছিল উমৰা সবাৰ চাইতে পশ্চিমাঞ্চলত তথা আৰ্য্য গুলানেৰ পাশত আসছিত আৰ' সেই কোচগুলানেৰ বেশিভাগ সংখ্যক মানষি ৰাজবংশী বুলি পৰিচিত হৈছিল। আৰ' এই কথাও উল্লেখ কৰি কৈছে - ১৬০৮ থাকি ১৬২৪ খৃষ্টাব্দত ৰচিত 'বাহাৰিস্থান ঘায়েৰীত' পৰ্থম ৰাভা নামটাৰ উল্লেখ পাওৱা যায়। এৰ আগত ৰাভা নামটাৰ উৎপত্তি হওৱা নাছিল। পুৰণি কোচ নামত চিহ্নিত থাকা গিলানেও এলা ৰাভা নামেও পৰিচয় দেয়। ঠিক ঐ সময়কাৰ মোঘল নথি পত্ৰ গুলাত পৰ্থম ৰাজবংশী নামেৰ কথা উল্লেখ পাওৱা যায়।

আসলে মহাভাৰতেৰ কিৰাট জাতি গিলানেই ছোট ছোট তিব্বত বৰ্ম্মী উপজাতিৰ বৌদ্ধ হিন্দু মতেৰ গণ্ডীত আইসা আৰ' সংস্কৃতায়নেৰ পাৰ্শ্বক্ৰিয়া হিসাবে সৃজন হোৱা জনগোষ্ঠীটাৰ নাম কোচ ৰাজবংশী জাতি।

১৯৯৪ সনেৰ নতুন দৈনিকত ৫ ছেপ্টেম্বৰত প্ৰকাশ হোৱা (বিশেষ পাৰিপুৰিকাত) জনজাতীয় সংস্কৃতিৰ উপাদান নামেৰে প্ৰবন্ধত উল্লেখ কইৰছে 'ইতিহাসেৰ লগত পৰিচিত প্ৰতিজন পাঠকেই এই কথা জানে যে কেবা শতিকাৰো আগতে ৰাজত্ব কৰা আহোম ৰাজবংশৰ ৰাজত্বৰ কাল ছোৱাত বিভিন্ন জাতিৰ মাজত বৈবাহিক সম্পৰ্ক ঘটিছিল আৰ' অন্যান্য জনজাতীয় লোকেও ৰাজকীয় পদমৰ্যাদা পাই উচ্চ শ্ৰেণীলৈ উত্তিৰ্ণ হৈছিল। নৃতাত্মিক শ্ৰেণী বিভাজন মতে কোচ, চুতিয়া আৰু আহোমসকল মূলতে মঙ্গোলীয় গোষ্ঠীৰ লোক। স্বাধীনত্তোৰ কালত ভাৰতীয় সংবিধানৰ শ্ৰেণী বিভাজন মতে কোচ, চুতিয়া, আহোমসকলক জনজাতীয় শ্ৰেণীত অন্তৰ্ভূক্ত নকৰে যদিও তেওঁলোকৰ সংস্কৃতিত মূলতে মঙ্গোলীয় সংস্কৃতিৰ উপাদান পোৱা যায়।'

স্থাল, কাল, পাত্ৰ ভেদে কোঁচ ৰাজবংশী নাৰী আৰ' পুৰুষেৰ সাজ পোসাক ঃ

কথাতে কয় — 'গাং মল্যেও ৰেখ্ থাকে'। নদী এখান সোঁত বদলেয়া অন্যপাকে ঘাটা ধইৰলে পূৰাণা নদীটাৰ সেওতা ৰেখ্ হয়া থাকে। তেমুন কৰি পৰাক্ৰমী জাতি একটা দুৰ্ব্বল হয়া সবল জাতিৰ মিলামিশাত আসি নিজেৰ অস্তিত্ব হাৰেয়া ফেলাইলেও উমৰা তেপুৰানি স্মৃতিৰ কথা একেবাৰে পাশুৰিয়া নাযায়। ঐ মতন কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাজ পোসাকেৰ ক্ষেত্ৰত বৰ্তমান সাৰ্বজনীলৰ পথত হৈলেও খালি নাৰীৰ ক্ষেত্ৰতে এলাও বৈচিত্ৰ আৰ ভিন্ন সাজপোসাক পৰিধান কৰা দেখা যায়।

আদিম কালেৰ থাকি ভিন্ন জনগোষ্ঠীয়ে ভিন্ন ভিন্ন জলবায়ু, আবহাওৱা আৰ' ভৌগলিক কাৰণবশত মানৱ জাতিৰ নানান প্ৰকাৰে সমাজ সংস্কৃতি গঢ় দিয়া উঠছিল। মানৱ সভ্যতা বিকাশের সাথে সাথে প্ৰত্যেকটা জাতি জনগোষ্ঠীয়ে শীত তাপ লজ্জা নিবাৰনেৰ বাদে নানান ৰকমেৰ ৰং বিৰঙেৰ বস্ত্ৰ, অলংকাৰ সাজন কাচোনেৰ চলতি হবাৰ ধৰে। চিন্তা-ভাবনা, বুদ্ধি-বৃত্তি দিনক দিনে বাঢ়ি আইসাৰ সতে সতে মানষি জীবন নিৰ্বাহেৰ জন্য কৰ্ম সংস্কৃতিৰ মাজদিয়া চিন্তা ধাৰাও বদলি গেইছিল। সেই

পৰিৰৰ্তনেৰ সাথতে বুদ্ধিৰোবিকাশ হইছিল। সেলাৰ থাকি কোচ ৰাজবংশী জনগোষ্ঠী মানষি গিলানেৰো মাজত পিন্ধা উৰা সাজ পোসাকেৰ চল হবা ধৰে।

পুৰুষেৰ সাজ পোসাক ঃ উত্তৰ পূব ভাৰতেৰ প্ৰাচীন কোচ ৰাজ্যত মানাসেৰ থাকিয়া কৰতোৰা ভূমি খণ্ডয় কোচ-ৰাজবংশী জনগোষ্টীৰ লীলা ভূমি আছিল বুলি ইতিহাসে কয়। এই ভূখণ্ডত বসবাস কৰা এই জনগোষ্ঠীৰ লোক গিলানেৰ জ্ঞান বুলি হোবাৰ পৰায় বেটাছাওৱা গিলানে নেংটি পিন্ধিবাৰ ধৰে। চাৰু সান্যালেৰ The Asiatic Society Monography Series Vol-XI 1965ত কোচ ৰাজবংশী গিলানেৰ সামাজিক বৰ্ণনাত তখনকাৰ আসাম বঙ্গ সীমান্তৰ থাকি কুমাৰ গ্ৰাম হৈতে আলিপুৰ দুৱাৰেৰ অধ্যুষিত অঞ্চলত বেটাছাওৱা গুলান ঘৰুৱা কাম কাজত নেংটি পিন্ধা কথা উল্লেখ কইৰছে। নেংটি পিন্ধাৰ ধৰণ আছিল কোমৰেৰ সিকোইত আগে পাছে গুজিয়া দিয়া কাপুৰ খান সামন পাকে অল্প অসাৰ কৰি ঝুলিয়া ৰাখা। গোটায় শৰীৰটা উদাং আছিল।

আওছা বা আংছা ঃ বেটা ছাওৱা গিলান হাটু ঢাকিয়া পিন্ধা কাপুৰ খানক আওছা বুলিয়া কয়। ঐ আওছা বা আংছাখান দীঘিলা (৪) চাৰি সাৰে চাইৰ হাত আছিল আৰ' অসাৰ দুই আঢ়াই হাত আছিল। এই আওছাৰ ৰং বেসি ভাগে ধলা আছিল। বাঙা বা কাপাসেৰ সুতা কাটিয়া তাঁতত গৰোৱা বাদে পৰ্থমে ধলা ৰঙেৰ আছিল পাছত ৰং বানোৱা শিক্ষা আৰ' আমদানী ৰঙেৰ চল আইসাত পাৰী দেওৱা আৰ' নানা ৰঙী গামছাৰ চলতি হবাৰ ধৰে।

পাছাৰা ঃ পাছাৰা দু ৰকমেৰ। এক ৰকম হইল কাপাসেৰ সুতাৰ পাছাৰ আৰ' এক প্ৰকাৰ হইল এণ্ডি পাছাৰ। কাপাসেৰ সুতাৰ পাছাৰ দীঘিলা আৰ' অসাৰে ধলা সুতা দিয়া গোৰায়। অ'ক মুগা ৰঙেৰ সুতা দিয়া পাৰী দেওয়া হয়। এণ্ডি সুতাৰ পাছাৰাক এণ্ডি পাছাৰা কয়। চাৰু সান্যালেৰ মতে ভাৰত স্বাধীন হোৱাৰ পাছতো আসাম বঙ্গ সীমান্তৰ পশ্চিম আলিপুৰ দুৱাৰ অঞ্চল জলপাইগুৰী, শিলিগুৰী আদি অঞ্চলত কোচ ৰাজবংশী মানষিৰ ঘৰে ঘৰে এণ্ডি পাছাৰা গোৰেয়া খালি গাওতে উৰছিল। এই পাছাৰাক 'গিলাপ' বুলি কইছিল। সময়েৰ তাগিতাদ এই সংস্কৃতি নাহোৱা হৈল। বেটিছাওঁৱা গিলানেৰ ক্ষেত্ৰত পাছাৰা ছটো আছিল আৰ' পাৰীত ফুল তুলা চল আছিল।

গামছা ঃ লোক গান আছে —

অ বন্ধু কাজল ভোমোৰাৰে
কুনদিন আসিবেন বন্ধু
কয়া যান কয়া যানৰে
যুদি বন্ধু যাবাৰ চান
ঘাৰেৰ গামছা থুয়া যানৰে ........।

ঐ গামছা হাত ঠেং বা গাও ধুইয়া ভিজা গাওঁটা মুছিবাৰ বাবে যেই খান কাপুৰ ব্যৱহাৰ কইৰছিল ঐ কাপুৰখানকে আসামত গামছা বুলিয়া কোৱা হয় আৰ' উত্তৰ বঙ্গত জল গামাছা বুলি কয়। সম্প্ৰতি কালত আসামত লাল বা সবুজ পাৰীৰ হলদিয়া গামছা কোচ-ৰাজবংশী জনগোষ্ঠীৰ জাতীয় গামছা হিসাবে সৰ্বজনীন কৰাৰ প্ৰচেষ্টা চলি আছে।

ফত'ৰা ঃ সময় বিবৰ্ত্তনেৰ সাথে সাথে ছাটে বাজাৰে যাবাৰ বাবে ফতৰা ব্যৱহাৰ কইৰচিল। তাঁততে গোৰা কাপাসেৰ সুতাৰ পাতলা কাপুৰ খানেৰ পাৰায় গেঞ্জীৰ মতো সিলাই কৰি নিছিল। হাল কৃষি কাজেৰ জন্যে ঐ ফত'ৰা ব্যৱহাৰ কইৰছিল।

গোলছা ঃ সম্ভ্ৰান্ত লোক গিলানে গোলাত ঝুলিয়া নিয়া বেৰা কাপুৰ খানকে গোলছা বুলিয়া কয়। গোলছা ৰঙীন সুতা দিয়া গোৰাইছিল। গোলছাৰ দীঘিলা তিন ছাৰে তিনি হাত আৰ' অসাৰ আধা হাত আছিল।

মুগছা ঃ হাত মুখ মুছাৰ বাবে যেইখান ছটো গামছাৰ মতো গৰোৱা হইছিল সেগিলানে মুগছা কওৱা হয়। মুগছা খান পাতলা আৰ' ৰং বিৰঙেৰ সুতা দিয়া গোৰাইছিল।

ফালী (পাগুৰীৰ কাপুৰ) ঃ ফালী তিন ৰকমেৰ দৈনিক ব্যৱহাৰ কৰা ফালী, বিয়াৰ পাগুৰীৰ ফালী আৰ দেও ফালী।

দৈনিক বাৰহাৰ কৰা ফালী ঃ কৃষি কাম, মাছমৰা, শিকাৰত যাওৱা আদিত পুৰুষ গিলানে মাথাত দীঘিলা কাপুৰ বান্ধাৰ চল আছিল। গাওৱেৰ মূৰব্বী গাওবুঢ়া মানী মানষি গিলান বিচাৰ, সভা-সমিতি, বিয়া বেপাৰ আদিত এই ফালীমাথাত বান্ধি ব্যৱহাৰ কইৰছিল। এই ফালী তিন/চাইৰ হাত দীঘিলা ডেৰ/দুই হাত অসাৰ আছিল।

বিয়াৰ পাগুৰীৰ ফালী ঃ কোচ-ৰাজবংশী মদন কাম পূজাৰ লোক গান গিলানত পাওৱা যায়।

'হাল দিয়া চাষ কৰে মৈ দিয়া চাকে।
তাৰ উপুৰাতে ভীম বাঙ্গা ৰোপণ কৰে।।
................. .......... ................. ....
কেহ নিল খাসা বানাত কেহ নিল ষাৰী
কাম দেব নিল কাপুৰ পশ্চিমা পাগুৰী।।"

কোচ-ৰাজবংশী সমাজত বিয়াত পাগুৰীৰ চল অনেক তেপুৰাণী কালেৰ পাৰায়। নিজ বাঙাৰ আবাদ কৰি সেই বাঙা (কাপাসেৰ)ৰ পাৰায় টাকুৰাশত চিকন সুতা কাটি নাৰী গিলানে তাঁতত পাগুৰীৰ ফালী গোৰাইছিল। অনেক নিয়ম নীতিৰ ভিতিৰা এই ফালী ১০ (দশ) হাত দীঘিলা আৰ' আধা হাত অসাৰ সাদা সুতা দিয়া গোৰাইছিল। তাঁত শালেৰ থাকি কাটাৰি দিয়া কাটি বাইৰ কৰা নিয়ম নাছিল। কোচ-ৰাজবংশী জনগোষ্ঠীৰ সৌগ অঞ্চলতে এই পাগুৰী বৰ্ত্তমান বাজাৰেৰ কাপুৰ কিনিয়া ব্যৱহাৰেৰ চলা হৈছে। অতীতত একখান পাগুৰীৰ ফালী দিয়া গেটায় গাওৱেৰ বিয়া গিলানত ব্যৱহাৰ কৰি ফিৰিয়া দিছিল।

দেও ফালী ঃ দেও ফালী বিয়াৰ পাগুৰীৰ ফালীৰ নাহান কৰিয়া একে দিনে সুতা কাঠিয়া গোৰেবাৰ লাগে। এৰ দীখলা ১০ হাত আসাৰে এক চাপি মাত্ৰ গোৰেয়া নিয়ম নীতিত আপাতন কৰি ৰাখছিল। কাটীৰী দিয়া কাটা নিয়ম নাছিল। এই ফালী খান বাস পূজাত চোহৰেৰ (চামৰ) বাসত পেচেবাৰ ব্যৱহাৰ কইৰছিল।

কোচ ৰাজবংশী নাৰীৰ সাজ পোসাকঃ

প্ৰাচীন কোচ ৰাজ্যৰ কোচ ৰাজবংশী আপি গুলানে নিজে তাঁতত গোৰা পাটানি ব্যৱহাৰ কইৰছিল। ভাৰত স্বাধীন হোৱাৰ (৪) চাৰি (৫) পাঁচ বছৰ পৰ্য্যন্ত এই পাটানিৰ চল প্ৰতি ঘৰে ঘৰে আছিল। চাৰু চন্দ্ৰ সান্যালেৰ মতে গোটায় উত্তৰ বঙ্গতে কোচ-ৰাজবংশী লোক গিলানেৰ বাৰীত তাত শাল আছিল আৰ' টাকুৰাশত সুতা কাটাৰ চল আছিল। নাম আছিল ফোতা। ফোতা দীঘিলা ৬ হাত আৰ আসাৰ সাৰে তিন হাত আছিল। দুয়ো মাথা খোলা অৰ্থাৎ যোৰা লাগোৰা নাছিল। সভ্যতা অগ্ৰসনেৰ সাথে সাথে সৰ্ব্বভাৰতীয় সংস্কৃতি আউগি আইসাত সস্তায় পাওয়া কল কাৰখানাত তৈয়াৰী শাৰীৰ চল হবা ধৰে সেই বাদে ঐ অঞ্চলত বেটিছাওৱা গুলানেৰ তাঁতত ফোতা গোৰা নাহোৰা হবাৰ ধৰে। বঙ্গৰ হাওৱা লাগিয়া গোৱাল পাৰা জিলাৰ ধুবুৰী গৌৰীপুৰ পৰ্যন্ত ফোতাৰ যাগাত শাৰীয়ে যাগা দখল কৰে।

আসামেৰ বাকী কোচ-ৰাজবংশী অধ্যুষিত অঞ্চল সাপটগ্ৰাম, বিলাসীপাৰা, শালকোচা, বৰ্তমানেৰ কোকৰাঝাৰ জিলা, বঙ্গাইগাঁও জিলা, গোৱালপাৰা, বৰপেটা আদিত এই ফোতা পাটানি হিসাবে ব্যৱহাৰ হয়া থাকে।

এই পাটানিৰ কথা কবি মনকৰেৰ

মনসাকাব্যত চান্দসদাৰেৰ কথ্য ভাষ্যত পাওঁৰা যায় —

পদ্মাৰ গাৱে পৰে বেউলাৰ পাটানিৰ পানী।
পদ্মাই বোলে খাক স্বামীক ই কাল নাগিনী।।

পাটানি সচৰাচৰ কাটুলী সবুজ আৰ' ধলা ৰঙেৰ গোৰোৱা হয়। পাটানিৰ পাৰীৰ ফুল নিজেৰ পচন্দ অনুযায়ী তুলে পাৰীত অন্য ৰঙীন সুতা দিয়া সাজেয়া নেয়। এই পাৰী অনেক ধৰনেৰ যেমুন ঘুঘু পাৰী, ছটো পাৰী ইত্যাদি। চেংৰী বুঢ়ী, বউ-মানষি সৌগ আপীয়ে পাটানি পিন্ধে কিন্তু বিধুৰা বেটীছাওৱা গিলানেৰ ক্ষেত্ৰত ধলা পাটানি মাত্ৰ ব্যৱহাৰ কৰে।

পৰিধানেৰ বেলা ভিন্ন ভিন্ন যাগাত ভিন্ন ধৰন দেখা গেছিল। যেমুন কোকৰাঝাৰ, চাপৰ, শালকোচাৰ পূবেৰ পাকে আলাদা আৰ' পশ্চিম পাকে আলাদা ঢক। পূৰ্বৰ ভাগত বুকি মাৰা বুলিও কোৱা হৈছিল। গোটায় পাটানি খান বুকেৰ পাৰায় ঠেং পৰ্য্যন্ত পিন্ধিয়া একটা আচল বাওঁপাকে ভাঁজ কৰি গুজি দিছিল। কোমৰত আগৰণ বা ছটো গামছা দিয়া বান্ধি থুইছিল (টঙালি মাৰা)। পশ্চিমাঞ্চলত বুক হাতে একটা মাথা নিয়ামাফিক পেচে অবশিষ্ঠ মিনি কোমৰাত ভাঁজ কৰি বান্ধি ৰাখে। বড়ো জনগোষ্ঠীৰ দোখনা পিন্ধাৰ মতো দেখাত একে হৈলেও অল্প ফাৰাক আছে। বৰ্তমান কোচ-ৰাজবংশী নাৰীৰ জাতীয় সাজ হিসাবে সাৰ্ব্বজনীন একে সাজত পৰিধান কৰা দেখা যায়।

আগৰণ ঃ পাটানি পিন্ধে বুক হৈতে তলত আৰ' আগৰনেৰ দ্বাৰায় উপুৰা অংশ খিনি ঢাকিবাৰ বাদে ব্যৱহাৰ কৰে। আগৰনেৰ ৰং আসলে হলধিয়া, গোলাপী, কাটুলী ইত্যাদি নানা ৰঙ বিৰঙেৰ। চিকন সুতা দিয়া গোৰোৱা আগৰন দীঘিলা ৬ হাত আর অসাৰ ডেৰ/দুই হাত। বেটিছাওৱা গিলানে কাও কাও বুকত পেচেয়া গুজিয়া নেওৱাৰ পাছত একটা মাথা ঘোংটা দিবাৰ ব্যৱহাৰ কইৰছিল।

টোপৰ মাৰা ঃ বেটিছাওৱা গিলানে মাথাৰ খোপাৰ সাথত গোটায় মাথাটা ঢাকিয়া বান্ধা কাপুৰ খানকে টোপৰ মাৰা বুলিয়া কয়। টোপৰ মাৰা কাপুৰ খান দিয়া মাথাৰ চুলি শুকিবাৰ কামতো ব্যৱহাৰ কৰে।

সৰ্ব্ব শেষত কবা লাগিব যে বৰ্তমান আধুনিক যুগেৰ বানাত ভাসিয়া আগেকাৰ সাজ পোসাক খিচিয়া ধৰিয়া ৰাখাটা সম্ভৱ নাহয়। তবুও পৰিবৰ্ত্তনেৰ মাজদিয়া সৰ্ব্বভাৰতীয় ৰূপত মিশিয়া গেইলেও নগণ্য সংখ্যক কোচ-ৰাজবংশী আইমাও গিলানে পাটানি-আগৰণ আৰ গামছাক বুকত খামছিয়া ধৰিয়া জাতীয় পোসাকেৰ মৰ্যাদা দিয়া বৰ্ত্তেয়া ৰাখিয়া আছে, উমাৰ পিৰি শেষ হোৱাৰ পাছতো জাতীয় ঐতিহ্যময় সাজ পোসাকেৰ যাতে আকাল নাহয় তাকে অইমাও গুলানক দাণ্ডাৰেত জানেয়া এতে শেষ ৰেথা টানিলুং।

সুত্ৰ নিৰ্দ্দেশক ঃ-

(১) অসমীয়া সংস্কৃতি জন জাতিৰ উপাদান (প্ৰবন্ধা) নতুন দৈনিক (বিশেষ পৰিপুৰিকা)

(২) অসমৰ জনজাতি ঃ এটি-সুক্ষ্ম পৰ্য্যবেক্ষণ (প্ৰবন্ধ) ডঃ খগেন চন্দ্ৰ মহন্ত নতুন দৈনিক (বিশেষ পৰিপুৰিকা) ৫ ছেপ্টেম্বৰ ১৯৯৮ ইং )

(৩) কোচ-ৰাজবংশী পিন্ধা উৰা কাপুৰ গিলান (প্ৰবন্ধ) শ্ৰীহিতেশ ৰায়, চিকনাঝাৰ দ্বিতীয় সংখ্যা ২০০১ সন।

(৪) 'বৃহত্তৰ ভাৰতীয় সমাজ গঠনত কোচ ৰাভাসকলৰ অৱদান'

প্ৰবন্ধ ডঃ ৰেবতী মোহন সাহা (কলিকাতা) ছিগুি হুৰাং ঃ A month spease of ARSU-2009

(৫) The ASIATIC society : Monography series Vol- XI 1065. The Rajbonshi of North Bengal A study of Hindu Social group by Charu Chandra sanyal. ■

# সংগ্ৰাম সিংহ

বিনু নাৰায়ণ দেৱ

হে মহান সংগ্ৰাম সিংহ
প্ৰণিপাত জনাইছো তোমাক
শৌৰ্য্য, বীৰ্য, তেজিয়াল বাহুবলেৰে
সাম্ৰাজ্য, সাহিত্য, সংস্কৃতি দিছিলা আমাক।

বিশ্বসিংহৰ ঔৰসত, কুমুদিনীৰ গৰ্ভত
জন্ম লৈছিলা ৰাজপ্ৰসাদৰ আবেষ্টনিৰ মাজত;
সোণৰ চামুচ মুখত লৈ জন্ম লৈও,
সাত বছৰতেই লৈছিলা লোহাৰ তৰোৱাল হাতত।

ভ্ৰাতৃ মল্লদেৱে যুৱৰাজ পাতিলে
যুৱৰাজ হৈয়ে শুক্লধ্বজ নাম পালে;
'ছোটৰাজা' নামেৰেও জনাজাত হ'ল,
কিন্তু বীৰ চিলাৰায় নামেৰেহে পৰিচিত হ'ল।

ভ্ৰাতৃত্ব প্ৰেম অটুট ৰখাৰ বাবে,
একে পৰিয়ালৰ পৰা বিবাহ কৰালে,
কৃষ্টি, সংস্কৃতি, সভ্যতাৰ উৎকৰ্ষৰ বাবে;
ভূৱনেশ্বৰীৰো পাণি-গ্ৰহণ কৰিলে।

অশুভ শক্তিৰ বিৰুদ্ধে সংগ্ৰাম চলাই
'সংগ্ৰাম সিংহ' নামে বিভূষিত হ'ল;
তৰোৱালৰ ঝন-ঝননিৰ মাজত থাকিও,
সাহিত্য প্ৰেমী নামেৰে জনাজাত হ'ল।

কামাখ্যা, কেদাৰ, মাধৱ মন্দিৰ নিৰ্মাণ কৰি,
ধাৰ্মিকতাৰ পৰিচয় দিলে;
মহাপুৰুষ শঙ্কৰদেৱৰ পৰম ভক্ত হৈ
বৈষ্ণৱ সাহিত্যৰো পৃষ্ঠপোষকতা কৰিলে।

ভাতৃৰূপে ত্যাগ আৰু আনুগত্যৰ নিদৰ্শন,
ৰামায়ণৰ চৰিত্ৰ লক্ষ্মণৰ শ্ৰীৰাম প্ৰীতিৰ দৰে;
জাতিভেদ নিবিচাৰা সমভাৱাপন্ন সমদৰ্শী,
আদৰ্শ চৰিত্ৰ বিশ্ববাসীৰ বাবে।

'সাৰৱতী' ভাষ্য গ্ৰন্থখনি অধ্যয়ন কৰি,
শংকৰদেৱে যুৱৰাজক 'ৰসিক গুৰু' আখ্যা দিলে
পণ্ডিত মণ্ডলীয়েও ভাষ্যকাৰক 'ৰসিক সুজান' ৰূপে
ৰাজহুৱাভাৱে সম্বৰ্ধনা জনালে।

ধাৰমান অশ্বৰ পিঠিত উঠি,
শৰাইঘাটৰ উত্তৰে আছে তোমাৰ প্ৰতীক
হাতত খোলা তৰোৱাল থাকিলেও
কিন্তু তোমাৰ শাৰীৰিক অৱয়ব মাথোঁ কাল্পনিক।

বিশ্বৰ মহাবীৰসকলৰ ভিতৰত,
সৰ্বশ্ৰেষ্ঠ বুলি পৰিচিত, সমাদৃত;
কিন্তু বিশাল সাম্ৰাজ্যৰ অধিকাৰী হৈও,
আজি তোমাৰ বংশধৰ উপেক্ষিত।

# চিন্ময় চিন্তা

**প্ৰশান্ত কুমাৰ দত্ত,** আই পি এছ

জীৱন এক নাট। জন্মৰ পৰা মৃত্যুলৈ কৰা পৰিক্ৰমা এখন নাটকৰ বাদে আন একো নহয়। প্ৰত্যেক ব্যক্তিয়ে এই নাটকৰ একো একোটা চৰিত্ৰ ৰূপায়িত কৰে। অভিনয়ৰ মঞ্চত থাকোঁতে কেতিয়া যে জীৱনটো পাৰ হৈ যায় তাৰ তৎ ধৰাই টান। এই নাটকৰ প্ৰত্যেকটো চৰিত্ৰই যেন প্ৰত্যাহ্বানৰ দৰে। সফলভাৱে ৰূপায়িত কৰাৰ যেন এক অবিৰত প্ৰচেষ্টা। সৃষ্টিৰ আৰম্ভণিৰ পৰা মানুহে যুগে যুগে একেখিনি কৰ্মৰ মাজতো আবৃষ্ট হৈ থাকে। জীয়াই থকাৰ সমল, আত্মপ্ৰতিষ্ঠা, ভোগ-কামনা আদিয়েই যেন লক্ষ্য। এই লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰত্যেক সংগ্ৰামী সত্তাই এক সীমাহীন প্ৰতিযোগিতাৰ পথাৰত যেন অৱতীৰ্ণ। কৰ্ম একেখিনিয়ে, কেৱল কৰাৰ পদ্ধতিহে বেলেগ বেলেগ। আকৌ সকলোৰে বাবে নিৰ্ধাৰিত সময়ো বান্ধি দিয়া আছে। তদুপৰি, জীৱন অনিশ্চয়তাৰে পৰিপূৰ্ণ। সেয়েহে চিন্তাৰ পাহাৰ ভাঙি কৰা পৰিকল্পনাবোৰ কেতিয়াবা ব্যৰ্থ হৈ জীৱনলৈ নিৰাশা নমাই আনে। কঠিন হৈ পৰে জীৱন। কিন্তু বৈ থকাৰ অৱকাশ নাই। পৰিস্থিতি আৰু পৰিৱেশে সঘনাই নাটকৰ মোৰ সলাই যদিয়ো নিজ নিজ চৰিত্ৰৰ আখৰা স্তব্ধ কৰিব নোৱাৰে। কাৰণ ‘প্ৰয়োজন’ আৰু ‘কাল’ সমান্তৰালভাৱে গতি কৰে। অশাশ্বত জীৱই শেষ মুহূৰ্তলৈকে ‘ভাৰসাম্য’ ৰক্ষা কৰাৰ বাবে এক জীৱন যুঁজ চলাই গৈ থাকে। আমি প্ৰত্যেকজনেই ইয়াৰ একো একোজন সাক্ষী।

‘সময়’ আৰু ‘শক্তি’ৰ অপচয় হ’লে জীৱনৰ ভাৰসাম্য নাথাকে। যিদৰে নাট্যকাৰে এখন নাটক ৰচনা অথবা পৰিচালনা কৰে, সেইদৰে স্ব-জীৱনৰ নাটখনত নিজ চৰিত্ৰ সু-পৰিকল্পিতভাৱে আগুৱাই নিবলৈ যত্ন কৰিব লাগে। ভাৰসাম্য ৰক্ষা কৰিবলৈ মাজে-মাজে জীৱন বাটৰ এক নিভৃত কোণত থিয় হৈ একাষৰীয়াভাৱে নিজে নিজক পৰ্যবেক্ষণ কৰাৰ দৰকাৰ। অৰ্থাৎ জীৱনৰ কৰ্মৰাজীৰ পৰা সাময়িকভাৱে নিজকে ‘সচেতন বিচ্ছেদ’ ঘটাব পাৰিলে পৰিস্থিতিৰ সফল মোকাবিলা কৰাটো সহজসাধ্য হয়। চিন্তা আৰু কল্পনা শক্তিৰ অধিকাৰী

হোৱা বাবে মানুহ জীৱশ্ৰেষ্ঠ। এক নিৰৱচ্ছিন্ন চিন্তা বা ভাৱৰ জোৱাৰে মানুহক সৰ্বদা আৱৰি থাকে। প্ৰত্যেক ব্যক্তি নিজ নিজ ভাৱ বা চিন্তা শক্তিৰ দ্বাৰা পৰিচালিত। এই চিন্তা শক্তিৰ ফলশ্ৰুতিয়ে হৈছে কৰ্ম। বাস্তৱত, এই ভাৱসমূহক উপযুক্তভাৱে বিশ্লেষণ কৰি কৰ্মলৈ ৰূপান্তৰ কৰি সাফল্য লাভ কৰিব পৰাটোহে অধিক গুৰুত্বপূৰ্ণ। যিকোনো কামৰ ফল ধনাত্মক বা ঋণাত্মক হোৱাৰ মূলতে হৈছে অৰ্থপূৰ্ণ চিন্তাধাৰা। কৃতকাৰ্যতাৰ মাপ-কাঠিয়েই হৈছে শুদ্ধ চিন্তাধাৰা। শুদ্ধ চিন্তাধাৰা গঠন কৰিবলৈ হ'লে অহংকাৰ, ঘৃণা, হিংসা, লোভ আদি মনৰ পৰা পৰিহাৰ কৰিব লাগিব। সত্য আৰু শুদ্ধ চিন্তাধাৰা যেতিয়া কৰ্মলৈ ৰূপান্তৰ হয়, তেতিয়া সৃষ্টিয়ো উৰ্বৰ হৈ উঠে। সৃষ্টিকৰ্তাও সদয় হয়। কিন্তু এয়া সহজ সাধ্য নহয়। আজিৰ বৈষয়িক যুগত, মায়া মোহৰে মোহাছন্ন জীৱনত স্বাভাৱিকতে মানুহৰ বাবে সত্য আৰু শুদ্ধ চিন্তাধাৰা ৰক্ষা কৰাটো দুঃ সাধ্য কিন্তু অসম্ভৱ নহয়। স্থিতপ্ৰজ্ঞ হ'ব পৰাটো আজিৰ যুগত এক অলীক কল্পনা মাথোন। অথবা কেৱল শাস্ত্ৰ পাতত লিপিবদ্ধ হৈ থকা উপদেশ বুলিহে বোধগম্য হয়। ইয়াক অনুকৰণ কৰা লোক বিৰল।

সৃষ্টি কৰ্তা আৰু তেওঁৰ দ্বাৰা সৃষ্ট পৃথিৱীখনৰ মাজত কোন অধিক শক্তিশালী সেই লৈও মানুহে সচৰাচৰ প্ৰশ্ন কৰে। কাৰণ এই পৃথিৱীত জীৱ শ্ৰেষ্ঠ মানুহৰ আটাইতকৈ শক্তিশালী যন্ত্ৰটোৱেই হৈছে 'চিন্তা শক্তি'। মানুহৰ দ্বাৰা তৈয়াৰী এটা ক্ষুদ্ৰ আকাৰৰ পৰমাণু অস্ত্ৰই নিমিষতে এখন চহৰ বা দেশ নিঃশেষ কৰিব পাৰে। গতিকে, মানুহৰ চিন্তাৰ দ্বাৰা তৈয়াৰ হোৱা আৱিষ্কাৰবোৰে আমাক অধিক শক্তিশালী কৰাৰ দাবীৰ পৰিৱৰ্তে ভীতি বিহ্বলতাহে বৃদ্ধি কৰা বুলিহে সচেতন সমাজে কয়।

বৰ্তমান জগতত, সৃষ্টিকামী মানৱে সময়ে সময়ে আবিষ্কাৰ কৰি অহা কিছুমান সমল 'আত্মঘাটী'ৰ বাহক ৰূপহে চিহ্নিত হৈছে। মানুহে পাহৰি যায় যে তেওঁ এক আত্মা। তেওঁৰ ওপৰত এজন পৰামাত্মাও আছে। মানুহে শৰীৰ ধাৰণ কৰা অৱস্থাটোকে সত্য বুলি ভাবে। এয়া এক ভুল ধাৰণা। কাৰণ শাৰীৰিক শক্তি সীমিত আৰু ইয়াৰ দ্বাৰা সম্পাদিত কৰ্মও সীমিত। শৰীৰে ভাবিব নোৱাৰে অথবা সিদ্ধান্ত ল'ব নোৱাৰে। আমাৰ শৰীৰত এনে কোনো অংগ নাই যাৰ স্মৃতি শক্তি আছে বা ভাল বেয়া বিবেচনা কৰিব পাৰে। ভৰি, নাক বা কাণত এই চিন্তা শক্তি নাথাকে। মানুহৰ আত্মাতহে ই থাকে, যি জীৱনৰ সমস্ত কৰ্মৰাজী পৰিচালা কৰে। শাস্ত্ৰত কৈছে, 'য'ত জীৱ ত'ত শিৱ' অৰ্থাৎ সকলো জীৱৰ মাজতে ঈশ্বৰ আত্মা ৰূপে বিৰাজমান। সমগ্ৰ মানৱ জাতিৰ মাজত বৰ্ণ, ধৰ্ম, সংস্কৃতি ভিন্ন হ'লেও আমাৰ সৃষ্টি কৰ্তা বা পিতা একেজনেই। তেৰেঁই হৈছে পৰমাত্মা বা ভগৱান। যদিহে, আমি সকলোৱে এই সত্যতাটো স্বীকাৰ কৰো তেন্তে নিজৰ পৰিয়াল বা নিজৰ জাতি আদিৰ দৰে সংকীৰ্ণ চিন্তাধাৰ ত্যাগ কৰিব লাগিব। সমস্ত বিশ্ববাসী এটা পৰিয়াল হিচাবে গ্ৰহণ কৰিলে বিশ্ব শান্তি নিজেই প্ৰতিষ্ঠিত হ'ব।

কিন্তু এই অসাধাৰণ লক্ষ্যত উপনীত হ'বলৈ হ'লে শৰীৰৰ দ্বাৰা উপলব্ধ চেতনাৰ পৰা বৰ্হিমুখী হ'ব লাগিব। শৰীৰৰ চাৰিবেৰৰ মাজত লাভ কৰা আধ্যাত্মিকতা প্ৰকৃত প্ৰশান্তিৰ কাৰক হ'ব নোৱাৰে। বাস্তৱিক অৰ্থত ধৰ্মীয় শিক্ষা আৰু বাণীৰ দ্বাৰা আমি সচাকৈয়ে জীৱন পৰিচালিত কৰিব পাৰিছোনে বাৰু? আমাৰ কৰ্মৰাজীৰ মাজত ধৰ্মৰ এই শিক্ষাবোৰ প্ৰকাশ পাইছেনে বাৰু? নিশ্চয় পোৱা নাই। বহু সময় মন্দিৰ বা গীৰ্জা ঘৰত বহি থাকিলে আধ্যাত্মিক হোৱা নুবুজায়। প্ৰকৃতাৰ্থত, প্ৰত্যেক আত্মাই অন্য আত্মাসমূহক ভাতৃত্বৰ ভাৱেৰে গ্ৰহণ কৰিব পাৰিলেহে

আচল আধ্যাত্মিকতা লাভ কৰিব পাৰিব।

আধ্যাত্মিকতা প্ৰাপ্তিৰ বাবে মনুস্য জীৱন সত্যৰ ওপৰত আধাৰিত হ'ব লাগিব। বাস্তৱিক ধাৰণাৰ ওপৰত নহয়। প্ৰথমে সত্যক অন্তৰ আত্মাত উপলব্ধি কৰিব পাৰিব লাগিব। মনত সৎগুণ প্ৰতিষ্ঠা কৰিব পাৰিলেহে আধ্যাত্মিক হোৱা বুজায়। সৎগুণ বা স্বৰ্গীয় গুণ বুলিলে সহনশীলতা, সহযোগিতা বা প্ৰেম আদিকে বুজায়। আন সকলো ব্যক্তিক প্ৰেম বা ভাতৃত্বৰ দ্বাৰা গ্ৰহণ কৰিব পাৰিলেহে প্ৰত্যেকজনেই অনাবিল আনন্দ উৎসাহ ভোগ কৰিব পাৰিব। কিন্তু ইয়াৰ বাবে মনুষ্যই আহৰণ কৰিব লাগিব সত্যৰ ওপৰত প্ৰতিষ্ঠিত প্ৰমূল্যবোধ আৰু ভগৱানৰ প্ৰতি পৱিত্ৰ আস্থা। তেতিয়াই সূত্ৰপাত হয় আধ্যত্মিকতা আৰু আধ্যত্মিক কৰ্মৰ।

আধ্যাত্মিক কৰ্ম বুলিলে আচলতে ইয়াৰ দুটা স্তৰ আছে — প্ৰথমটো হৈছে নিজৰ স্বৰূপ উপলব্ধি কৰা। অৰ্থাৎ ইন্দ্ৰিয় তৃপ্তিৰ বাবে কৰা কৰ্ম। এই স্তৰত জড় জাগতিক কৰ্ম কৰে আৰু ফলত সচেতনতা জড় গুণৰ দ্বাৰা কলুষিত হয়। তদুপৰি, জ্ঞান, আচ্ছাদিত হয় আৰু শেষত যেতিয়া দেহান্ত ঘটে বা মৃত্যু হয় তেতিয়া পুনৰ জড় দেহ ধাৰণ কৰে।

দ্বিতীয় স্তৰৰ কৰ্ম হৈছে 'পৰম পুৰুষোত্তম ভগবানৰ' প্ৰকৃত্ব তত্ব উপলব্ধি কৰা। অৰ্থাৎ ভগৱৎ প্ৰীতিৰ উদ্দেশ্যে কৰা কৰ্ম। ইয়াত কৰ্ম, কৰ্ত্তা, উপাদান, উদ্দেশ্য আদি সকলো চিন্ময়। ভগৱৎ চিন্তাৰ মাধ্যমেৰে চেনতা কলুষিত মুক্ত হৈ চিন্ময় স্তৰ পায়। ফলত জ্ঞান উন্মীলিত হয়। শেষত যেতিয়া দেহান্ত হয় অৰ্থাৎ মৃত্যু হয় যেতিয়া ধাম প্ৰাপ্তি হয় বা ভগবানৰ সান্নিধ্য লাভ কৰে।

আধ্যাত্মিক কৰ্মৰ এই দুয়োটা স্তৰৰ মাজত কোনটো মাৰ্গ উৎকৃষ্ট বা মনুষ্যৰ বাবে গ্ৰহণযোগ্য হোৱা উচিত সেয়া স্বয়ং ভগৱান শ্ৰীকৃষ্ণই গীতাত ব্যক্ত কৰি গৈছে। 'ব্ৰহ্মাভূৰ্তঃ প্ৰসন্নাত্মা, ন শোচনিত ক কাঙ্খতি সমঃ সৰ্ব্বেযুঃ ভূতেযু মদ্ভক্তিং লভতে পৰাম'।। অৰ্থাৎ 'যিজনে চিন্ময় স্তৰত উপনীত হৈ ব্ৰহ্মাপোলব্ধি লাভ কৰে তেওঁ একোৰে বাবে শোক নকৰে বা একো বস্তুৰ বাবেই আকাংক্ষা কৰিবলগীয়া নহয়। তেওঁ সকলো জীৱৰ প্ৰতি সমভাৱাপন্ন হৈ পৰে আৰু মোৰ প্ৰতি পৰম বিশুদ্ধ ভক্তিৰ স্বাদ লাভ কৰিব পাৰে।'

কিন্তু আজিৰ মানুহে জড় চেতনা অৰ্থাৎ বৈষয়িক উদ্দেশ্যক প্ৰাধান্যতা দিহে ভগৱানৰ কাষ চাপে। যিমানে মানুহৰ আৱাদি বাঢ়িছে সিমানে, মন্দিৰ, মছজিদ আৰু গীৰ্জাৰ সংখ্যাও বাঢ়িছে। কিন্তু প্ৰশ্ন হ'ল- চিন্ময় চিন্তাৰে আপ্লুত ভক্তি বাঢ়িছে নে সুখ লাভ বা দুখ নিৰাময়ক কেন্দ্ৰ কৰি কৰা ভগৱানৰ ওচৰত বেপাৰ সুলভ ভক্তি বাঢ়িছে? অতীজত বহু ঋষি মুনি আছিল যি সকল গভীৰ জ্ঞানৰ দ্বাৰা পৰিপুষ্ট হৈ জাগতিক সুখ ত্যাগ কৰি ভগৱৎ চিন্তাত নিমগ্ন হ'ব পাৰিছিল। কিন্তু আজি এয়া "ৰামো নাই অযোধ্যাও নাই" কথাৰ দৰে। গোটেই জীৱন ইন্দ্ৰিয় তৃপ্তিৰ প্ৰতিযোগিতাত নিমগ্ন হৈ থাকি বাৰ্দ্ধক্যত "হৰি নাম" লোৱা এচাম মানুহৰ সংখ্যাই আজি বেছি। বহুতে আকৌ আমাৰ শাস্ত্ৰ কেইখন মুখস্থ কৰি সমাজত পণ্ডিতালী দেখুৱাই মহাপুৰুষৰ মৰ্যাদা লাভ কৰাও দেখা যায়। গতিকে আমাৰ আধ্যাত্মিকতাবাদ কোন দিশে ধাৱমান হৈছে সেয়া এক চিন্তনীয় বিষয়। আমি "চিন্ময় চিন্তা"ৰ ভাও জুৰি ভগৱানক প্ৰতাৰণা কৰা নাইটো? এই প্ৰশ্নৰ উত্তৰ নিজ-নিজ আত্মাত বিচাৰি উলিয়াব লাগিব।

"ঔমঁ শান্তি . ঈ■

# A Glimpse on The History of The Koches

Sibendra Narayan Koch

Books on political history of Assam invariably devote a chapter to the koch dynasty. The chapter usually starts with Bisu or Biswa singha, who is said to be the founder of the koch dynasty (Gait, E.A History of Assam, 1926: 48; Baruah, K. L. Early History of Kamrup 1966 : 189). This fact by implication cut short the koch political history to 16th century and downward. But scholars do not seem to be unanimous either about the founder of the 16th century koch dynasty or about it being the only koch dynasty. There are scholars who are of the view that there existed koch kingdoms prior to the rise of the 16th century koch kings.

Some scholars are of the view that the 16th century koch power has not sprung up suddenly. It was the result of a long drawn preparation which dates back to 6th century B.C. (Dr. Chatterjee, kirata Jana kriti 1974: 111). Dr. Chatterjee believes that centuries before the rise of the 16th century koch power there were a number of koch Chieftainships or principalities during the period of 1250 to 1500 A.D. Who Were in occupation of the entire country from the Bharali to the Teesta and karatoya and beyond, probably including Dinajpur, who vied with each other specialy among the koches of Hajo, Kamata and koch Bhihar for supremacy in the region (Dr. Chatterjee, ibid: 111; 114-115). Dr. Acharya holds that during this period there were most powerful and independent koch chieftains who united themselves under the authority of Hajo (Dr. Acharyya, N.N.,

M.H.A., 1966:188). Western scholars of eminence like Hunter and col. Dalton are of the view that it was Hajo who established the 16th century koch kingdom on the ruins of the Kamrupa Kingdom (Hunter, W.W. Statisical Accounts of Bengal, Vol. X:1973:80; Col. Dalton, E.T. Tribal History of N.E. India 1973:87)

Dr. Buchanan has spoken about a short Government established by Chandan and Madan at the close of the 15th century; which was said to have lasted only for 8 years (Martin, M., Eastern India, 1972: Vol. 111: 413 : Dr. Acharyya, ibid). Dr. Buchanan believes it was on the fall of Chandan that Hajo rose to power (Martin, ibdi, Dr. Acharyya, ibid). But Chandan and Madan are said to be the half brothers of Bisu, who ascended the throne of chiknai by 1510 A.D. defeating its ruler (Sanyal; C.C., The Rajbanshis of N. B., 1965:5). If Chandan and Madan were the half brother of Biswa Singha, it is not believable that their maternal grand father could be any potential, power at that old age to rise as unifying force only after his grandon Chandan. So a correct chronology seems to be that either Chandan succeded to their maternal grand father Hajo peacefully or that they snatched away the throne of their grand father defeating or perhaps killing him as Mr. Sanyal recorded that Chandan ascended the throne of Chiknai defeating its ruler (Sanyal, ibid). It was after the death of Chandan, that Bisu or Biswa Singha is said to have ascended the throne of koch kigdom by 1515 A.D. (Gait. ibid:48) or by 1530 A.D.( Bhattacharjee, S,N., Moghul N,E.F. policy. 1929 : 77). All these facts tend to show that Biswa Singha was not the founder of the 16th century koch kingdom though he might have been instrumental in consolidationg the 16th century koch power; for which preparation were said to be going on from 6th century B.C. (Dr. Chatterjee. ibdi) or alternatively from the time of Sankaladip as col. Shakspear believes that the history of the koch starts from the time of Sankaladip (Sarkar, A.C., Koch Rajbansi. itihas, 1969:33-34).

There are diputes about the racial identity of Bisu's father Haria Mandal. He is generally believed as a Mech by race because he was Mandal of the 12th Mech families of Chiknai village. The twelve Mech familes he presided over are Panvar, Phedela, Phed Phedu, Barihana, Kathia, Guabar, Megha, Baisagu, Jagai, Gurikata, Jugabar and Dakharu. In this list of the 12th Mech families of Chiknai village neither the name of Haria Mandal nor the name of his father Dambabu ap-

pears. This fact shows that Haria Mandal was neither a man from the village Chiknai nor the Co-villager of the twelve Mech families shose Mandal he was. This makes us to draw an irresistble inference that he did not belong to the Mech tribe since he was not a part of those 12 Mech families of village Chikna. So Haria Mandal seems to belong to the tribe of his father-in-law Hajo, and he has not given his daughter in marriage to a Mech but to a Koch but for wrong translation of the sanskrit word Mlecheha of the Kalika Puranas (K.P. 77/30) by Suryakhari Daivajana the koch Haria Mandal became a Mech. The koch history of this parts need correction as an untruth is sought to prevail upon the truth basing upon a legendary tale of the Parasu Rama and the Hai Hai Kshatriya Sahasrarjuna to which we cannot cloth with any history.

We have stated earlier that according to some scholars there existed koch kingdom or kingdoms much earlier to that of the 16th century koch dynasty. But the books of history of Assam are silent about the Koches prior to the 16th century. Sankaladip of 7th ceutury B.C. is undoubtedly one of those who is said to be a Koch chieftain but not given any space in the Assam history. He is said to have established the capital of Gaur in Bengal and his son Rohiteswar the Rohtag Forth in Haryana, He is said to have come from koch which is interpreted by Gait as Kamrupa. (Gait, ibid:20). This shows his empire extends from Assam to Haryana.

Narakasura is one of the monarchs who is believed to have ruled Assam. Our historians appear to be vociferous and loud mouthed to call him as the Naraka of the Ramayana. But the Ramayana seems to be very specific which says that pragjoytishpura of the Ramayana situates on the west of Kiskinda, Tapti etc. But we do not find any place on the east of Assam to identify such countries or rivers. So if there was any Naraka who ruled Assam he seems to be the Naraka of Kalika Purana, whom Dr. Kakati called a political upstart from Mithila who ruled Assam in between 200 to 500 A.D. (Br. Kakati, The Mother Goddess Kamakshya, 1961:29-30) Naraka was said to be the son of Vishnu and brought up by Janaka. But his caste identity is known as Bhauma i.e. the son of Bhumi, earth. This tells us in a very uncertain terms that Naraka came of a matrilineal society. Socially the Koches are also found to be matrilineal (Martin. M., Eastern India, Vol. IV: 1972:538).

Mr. J.D Anderson is of the view

